# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE EIGHTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION
OF INDIA

## BUDGET SESSION

VOLUME—I

No. 6

DATED THE 9TH MARCH, 1987

Price Rs. 33.30 p.

# CONTENTS

## BUDGET SESSION

Volume I No. 6

Dated, the 9th March, 1987


| | | Page |
|---|---|---|
| 1. | Starred Questions and Answers | .... 1 |
| 2. | Undisposed Starred Questions and Answers | .... 25 |
| 3. | Unstarred Questions and Answers | .... 25 |
| 4. | Announcement from the Chair | .... 59 |
| 5. | Adjournment | .... 129 |
| 6. | Annexure I | .... 130 |
| 7. | Annexure II | .... 170 |
| 8. | Annexure III | .... 178 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1987

Monday, March 9, 1987

The House met at 9·00 of the Clock in the Assembly Chamber, at Dispur with Mr. Speaker in the Chair.

## STARRED
## QUESTIONS AND ANSWERS

( To which oral answers were given )

### বিষয় ঃ অসমীয়া বোলছবি প্ৰদৰ্শন ।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

মাননীয় মন্ত্ৰী ( সাধাৰণ প্ৰশাসন বিভাগ ) মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৮১। (ক) নীতি অনুযায়ী অসমৰ প্ৰতিটো বোলছবি ঘৰত অসমীয়া বোলছবি বছৰত কেইবাৰ প্ৰদৰ্শন কৰিব লাগে ?

(খ) যি সকলে এই নীতি উলংঘা কৰিছে, বিধিগত ভাবে ব্যৱস্থা লোৱা হৈছে নেকি ?

(গ) যদি বৰ্ত্তমানলৈকে এই ব্যৱস্থা গ্ৰহণ কৰা নাই, ভবিষ্যতে এই বোলছবি গৃহ বিলাকৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ।

(ক) কোনো ধৰা বন্ধা নিয়ম নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) ঐ ।

শ্ৰীদূৰ্গা দাসবড়ো ঃ ধৰা বন্ধা নিয়ম নাই বুলি কৈছে, ১৯৭৯ চনৰ পৰা ১৯৮৪-৮৫ চনলৈকে এই সময় চোৱাৰ ভিতৰত সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ হেচাঁত অসমৰ চিনেমা হল বিলাকত চিনেমা চলা দেখা গৈছিল। মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনেকি অসমৰ চিনেমা হল বিলাকত অসমীয়া চিনেমা প্ৰদৰ্শন কৰাতো বাধ্যতামূলক কৰিব পাৰি নেকি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমস্থ চিনেমা হল বিলাকত ১৯৬০ চনৰ চিনেমাৰ ৰেগুলেশ্যন মতে দফা ৩ নং মতে ধৰা বন্ধা নিয়ম নাই Schedule of Conditions and Restriction "Every Licencee shall, if so required by the Licensing Authority, be bound to exhibit Films produced by the producers of Assam or Films dealing with matters relating to Assam for such period of time as may be required by the Licensing Authority." দণ্ডাধীশে সময়ে সময়ে নিৰ্দ্দেশ হিচাবে নিজ নিজ এলেকাত অসমীয়া চিনেমা প্ৰদৰ্শন কৰিবলৈ দিব পাৰে।

শ্ৰীগিৰীন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, জিলা দণ্ডাধীশে যিহেতু নিৰ্দ্দেশ দিব পাৰে তেতিয়াহলে চৰকাৰৰ ফালৰ পৰা দণ্ডাধীশলৈ দিৰ্দ্দেশ দিয়া হব নেকি যাতে বছৰটোত অন্ততঃ ৬০ খন বা ৫৫ খন চিনেমা দেখুৱা হয়।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ বিষয়টো বিবেচনা কৰা হব।

### বিষয় ঃ অসম অৰুনাচল সীমা।

শ্ৰীকেশ্বৰাম বৰাই সুধিছে ঃ

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

*৮২। (ক) অসম অৰুনাচল সীমা বিবাদ সম্পৰ্কীয় বিষয়টো বৰ্ত্তমান কি পৰ্য্যায়ত আছে?

(খ) উক্ত বিষয়টো কেতিয়ালৈ মীমাংসা হোৱাৰ সম্ভাৱনা কৰিব পাৰি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম আৰু অৰুনাচলৰ চিহ্নিত নকৰা সীমা খিনি চিহ্নিত কৰাৰ বাবে দুয়োখন ৰাজ্যৰ মাজত আলোচনা চলি আছে।

(খ) বিষয়টো যিহেতু উমৈহতীয়া ভাবেহে মীমাংসা কৰিব লাগিব আমাৰ ফালৰ পৰা নিৰ্দ্দিষ্ট সময় এটা দিয়াটো অসুবিধা হব, কিন্তু আশুমিমাংসাৰ বাবে যত্নৰ ক্ৰুটী কৰা হোৱা নাই।

শ্ৰীকেশৰাম বৰা : মাননীয় অধ্যক্ষ মহোদয়, অসম আৰু অৰুনাচল সীমান্তৰ দুয়োখন ৰাজ্যৰ মাজত সীমা বিবাদৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কিবা ব্যৱস্থা লোৱা হৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত আলোচনা-বিলোচনাৰ জৰিয়তে তাত কেনেকৈ শান্তিপুৰ্ণ অৱস্থা ঘুৰাই আনিব পাৰি তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা চেষ্টা কৰা হৈছে।

শ্ৰীবৰুণ উপাধ্যায় : গহপুৰত আজি কেইদিনমান আগতে অৰুনাচল চৰকাৰে অসমৰ কেইজনমান কৃষকক এৰেষ্ট কৰি লৈ গৈছে ফলত তাত এটা উত্তেজনা পূৰ্ণ বাতাবৰণ সৃষ্টি হৈছে আৰু লগতে অসম আৰু অৰুনাচল সীমান্তত অৰুনাচলৰ ফালৰ পৰা এনক্ৰোচমেণ্ট চলি আছে অথচ অসম চৰকাৰৰ ফালৰ পৰা একো ব্যৱস্থা লোৱা নাই।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো সম্পৰ্কে মাননীয় গৃহ মন্ত্ৰী মহোদয়ে এটা বিবৃতি সদনত ইতিমধ্যে ৰাখি গৈছে। বেদখল সংক্ৰান্তত যি সমস্যাৰ সৃষ্টি হৈছে সেইটো আলোচনা-বিলোচনাৰ মাজেদি সমাধান কৰাৰ কাৰণে যথা-বিহিত ব্যৱস্থা কৰিবলৈ চিন্তা কৰা হৈছে।

**বিষয় : অসমত মাদ্ৰাছাৰ সংখ্যা।**

শ্ৰীআব্দুল জলিল ৰাগিবীয়ে সুধিছে :

মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৮৩। অসম মাদ্ৰাছা বৰ্ডৰ অধীনত স্বীকৃতি প্ৰাপ্ত মাদ্ৰাছা সমূহৰ সংখ্যা কিমান ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

অসম মাদ্ৰাছা ৰৰ্ডৰ অধীনত স্বীকৃতি প্ৰাপ্ত মাদ্ৰাছাৰ সংখ্যা ৭১ খন।

শ্ৰীআব্দুল জেলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬ প্ৰদৰ্শনীত অসম বিভাগৰ বোৰ্ডৰ ফালৰ পৰা মাত্ৰ ১০ খনহে দেখুৱাইছে তাৰ কাৰণ কি ? আৰু এই মাদ্ৰাছাৰ সংখ্যা কমাই দিয়া হৈছে নেকি ? যিহেতু মন্ত্ৰী মহোদয়ে কলে ৭১ খন।

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাদ্ৰাছা আৰু স্কুল বিলাক চৰকাৰী প্ৰাদেশী কৰণ নহয়। সেই অনুষ্ঠান সমূহক কেৱল সাহায্যহে দিয়া হয়। সেইমতে এতিয়ালৈকে ৭১ খন মাদ্ৰাছা স্কুল আছে।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : এই বছৰ দেফিছিট চিচ্‌টেমত হব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) : বিবেচনা কৰা হৈ আছে। এতিয়ালৈকে সিদ্ধান্ত কৰা হোৱা নাই।

শ্ৰীআব্দুল জেলিল ৰাগিবী : মোৰ কথা হ'ল ৮৬ প্ৰদৰ্শনীত অসম শিক্ষা বোৰ্ডৰ ফালৰ পৰা মাত্ৰ ১০ খনহে দেখুৱাইছে। সেইটো কিয় হৈছে।

মাননীয় অধ্যক্ষ : ৮৬ প্ৰদৰ্শনীত কিয় ১০ খন দেখুৱাইছে সেইটোহে কব লাগে।

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যেতিয়া দৃষ্টি গোচৰ কৰিছে সেইটো চোৱা হব।

### বিষয় : প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ড।

শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৮৪। (ক) অসমৰ মহকুমা ভিত্তিত প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ডক চৰকাৰে কি কি ক্ষমতা প্ৰদান কৰিছে ?

(খ) নিযুক্তিৰ বাবে শিক্ষক শিক্ষয়িত্ৰী বাচনি কৰা, বদলি কৰা, পদোন্নতি কৰা, স্কুলঘৰ নিৰ্মান কৰা, আৰু মেৰামতিৰ বাবে মঞ্জুৰী দিয়া এই বোৰ্ডৰ ক্ষমতাৰ ভিতৰত পৰে নেকি ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) মহকুমা উপদেষ্টা পৰিষদৰ "টাৰ্ম চ অব্ৰ ৰেফাৰেঞ্চ" সদনৰ টেবুলত দিয়া হৈছে ।

(খ) এই পৰিষদ উপদেষ্টা পৰিষদহে ; নিযুক্তি, বদলিকৰণ, পদোন্নতি, স্কুলঘৰ মেৰামতিৰ বাবে আৰ্থিক মঞ্জুৰী ইত্যাদি প্ৰশাসনীয় বিষয়ৰ ক্ষমতা পৰিষদৰ নাই। পৰিষদে অৱশ্যে এইবোৰ বিষয়ে উপদেশ দিব পাৰে। নিযুক্তিৰ বাবে পৰিষদে বাছনি কমিটীৰ জৰিয়তে বাছনি কৰিব পাৰে।

**TERMS OF REFERENCE :**

The Board will advise the Government in the matters relating to the subjects mentioned below confined to their respective areas of territorial jurisdiction, as per Rules.

1. To take effective steps for succesful implementation of Government policy for development of primary education.
2. To prepare list of primary schools requiring reconstruction, renovation and repairing showing priority areas and also to prepare a separate list for renovation and repairing of middle stage schools.
3. To take necessary steps to ensure furniture grants to deserving schools and to prepare a list showing need of priority attention area.
4. To supervise proper and judicious distribution of free text books etc. as per the policy directive of the Government.
5. To take other steps for allround development of the schools and the schools going children.
6. To constitute Selection Committee for selection of stipendary, regular and schematic teacher for primary and Middle Schools from the area.

শ্ৰীৰত্নেশ্বৰ চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, স্কুলৰ মেৰামতি, নিযুক্তি, বদলিকৰণ, পদোন্নতি ইত্যাদিৰ প্ৰশাসনিক ক্ষমতা বোৰ্ডৰ নাই, কেৱল উপদেশহে দিব পাৰে। এই উপদেশৰ ক্ষেত্ৰত বিৰোধী পক্ষৰ বিধায়কৰ পৰামৰ্শৰ কিবা প্ৰয়োজন আছে বুলি ভাবেনে ?

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ কথাখিনি বুজিছো। পৰামৰ্শ দিয়াৰ ক্ষেত্ৰত চৰকাৰী পক্ষই হওক বা বিৰোধী পক্ষই হওক সকলোৰে পৰামৰ্শ দিয়াৰ প্ৰয়োজন আছে।

শ্ৰীৰত্নেশ্বৰ চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, পৰামৰ্শ সকলোৱে দিব পাৰে। এই ক্ষেত্ৰত বিৰোধী পক্ষৰ বিধায়ক সকলক কিয় উপদেষ্টা পৰিষদত ৰখা হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কিয় ৰখা হোৱা নাই তাৰ উত্তৰটো হ'ল, পোনপটীয়া হিচাপে 'টাৰ্ম'চ এণ্ড কণ্ডিচন'ত ৰখা হৈছে। বাকী সকলক কিয় ৰখা হোৱা নাই সেইটো এতিয়াই উত্তৰ দিব পৰা নাযাব।

Shri Binay Khungur Basumatari : Sir, why was I included in the Elementary Advisory Board if I am not called to the meetings ?

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীক ওদালগুৰি শিক্ষা উপদেষ্টা বোৰ্ডত উপযুক্ততা বিচাৰিহে ৰাখিছে আৰু কিয় মতা হোৱা নাই সেই বোৰ্ডৰ সভাপতিয়েহে উত্তৰটো দিব পাৰিব।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, বাচনী কমিটিৰ জৰিয়তে নিযুক্তিৰ ক্ষেত্ৰত এতিয়ালৈকে কিমান জনক নিযুক্তি দিয়া হৈছে মন্ত্ৰী মহোদয়ে কব পাৰিবনে ?

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰাথমিক আৰু মজলীয়া স্কুলৰ নিয়োগৰ ক্ষেত্ৰত আমি যিবিলাক আবেদন পাইছো সেই আবেদন বিলাকৰ ওপৰত প্ৰপাৰ স্কুটিনি কৰি বোৰ্ডৰ জৰিয়তে ইণ্টাৰভিউ লৈছে আৰু ইণ্টাৰভিউৰ আধাৰতে নিয়োগৰ ব্যৱস্থা কৰা হব।

Shri Charan Narzari ; Sir, one year has passed. I am a Member of the Elementary Education Board, Kokrajhar and when mee-

tings are called I go there to attend the proceeding. Some of the Members including the Chairman are not found—they do not turn up in time. Meeting is scheduled at 10 or 11A .M. and we have to wait for the appearence of the Chairman or some of the Members for several hours together. Don't we have other business to do? Nothing productive could be transacted in the meetings. I am not naming any particular Member—just telling about the unhappy state of affairs. So, my questions is whether the Govt. will admit this fact, a hard reality, that in some subdivisions the Elementary Education Advisory Committees have turned into a mockery, I say total a mockery of which we are ashamed. I personally feel it is futile for us to attend such meetings.

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰকাশ ভঙ্গীৰ ওপৰত ধন্যবাদ জনাইছো। কিন্তু তেখেত প্ৰকাশভঙ্গীৰ লগত একমত হব পৰা নাই যে, বোৰ্ড বিলাক মোকাৰী বুলি কোৱা হৈছে সেইটোৰ সত্যতা মই বিচাৰি পোৱা নাই।

বিষয় : শিক্ষকৰ বেতন।

শ্ৰীজগত হাজৰিকাই সুধিছে :

মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

*৮৫। (ক) ৰাজ্যৰ অনানুষ্ঠানিক স্কুলৰ শিক্ষক সকলে সম্পূৰ্ণ এবছৰ বেতন নোপোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) অনানুষ্ঠানিক শিক্ষা কেন্দ্ৰৰ কোনো শিক্ষককেই বেতন দিয়া নহয়। এই শিক্ষক সকলক মাহিলী ১০৫.০০ 'এশ পাচ' টকাকৈ পাৰিতোষিকহে দিয়া হয়। ১৯৮৬ চনৰ মাৰ্চ মাহৰ পৰা এবছৰ এই শিক্ষক সকলে পাৰিতোষিক নোপোৱাটো সঁচা।

(খ) ইতিমধ্যে এই পাৰিতোষিক কেন্দ্ৰীয় চৰকাৰৰ পৰা মঞ্জুৰ হোৱাত দিবলৈ মহকুমাৰ উপ-পৰিদৰ্শক সকললৈ নিৰ্দেশ দিয়া হৈছে।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, এই কেন্দ্ৰ সমূহক কেনেকৈ বন্দোবস্তি দিয়া হয়। কেন্দ্ৰ সমূহৰ ম্যাদ কিমান বছৰ ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো বেতন সম্পৰ্কে আছিল। ইয়াৰ কাৰণে সুকীয়াকৈ প্ৰশ্ন আহিলে উত্তৰ দিব পাৰিম।

শ্ৰীজয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, অনানুষ্ঠানিক স্কুল সমূহ চোৱা চিতা কৰিবৰ কাৰণে জিলা আৰু মহকুমা পৰ্য্যায়ত বোৰ্ড জাতিয় পৰিষদ আছে নেকি ? যদি আছে সেই বোৰ্ডবোৰ মাননীয় সদস্য নাজ'ৰী ডাঙৰীয়াই কোৱাৰ দৰে সেইবিলাক মোকাবি হৈছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) : মই ইতিমধ্যে উত্তৰ দিছোৱেই। এইটো নতুন প্ৰশ্ন। বিধিমতে আহিলে ইয়াৰ উত্তৰ দিব পাৰিম।

**Sub : Annual allotment by the Centre.**

Shri Ardhendu Kumar Dey, asked :

*86Will the Chief Minister be pleased to State.

(a) Percentage of expenditure of Annual allotment of Rs. 500/- ( Rupees five hundred ) Crores from the Centre for the year 1986-87 alloted to the State ?

(b) Whether any amount of total allotment is going to be refunded to the Centre ?

(c) If so, why the amount could not be utilised full for different development in the State ?

Shri Prafulla Kumar Mahanta, ( Chief Minister ) replied.

(a) Out of State Plan allocation of Rs. 500.00 Crores during 1986-87, an amount of Rs. 322,21 Crores ( 64.46 percent ) has been spent upto the end of 31st January, 1987.

(b) The entire allocation is likely to be spent.

(c) Does not arise.

Shri Ardhendu Kumar Dey : Mr. Speaker, Sir, the Hon. Chief Minister has answered to my Question No. (a) that a total amount of Rs. 322.21 crores have been spent till 31st January 1987. In reply to (b) he said, the allocation is likely to be spent and obviously, in reply to (c) he answered — does not arise.

Sir, when the Chief Minister has replied to my question, we definitely assume that he has answered it with full responsibility. May I know from the Chief Minister whether his statement with regard to expenditure till January, 1987 has been made on the basis of proper physical verification of works or on the basis of only utilisation certificates and final reports ? Sir it is reported that there are large number of works in many subdivisions where though the works are still incomplete utilisation certificates as well as final reports have been produced in order to show that expenditure is made. Will the Chief Minister answer to these questions ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ যদি তেনেকুৱা নিৰ্দ্দিষ্ট অভিযোগ আছে তেন্তে আমাৰ ওচৰত দাখিল কৰিলে বিবেচনা কৰিম ।

Shri Ardhendu Kumar Dey : Sir, there are so many evidences— in Hojai Subdivisions and in many other subdivisions where there are no works — will the Chief Minister have this physically verified ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এনে ধৰণৰ প্ৰশ্নৰ দ্বাৰা সদনক বিপথে পৰিচালিত কৰিব বিচাৰিছে বুলি ভাবিছো ।

### বিষয় ঃ অতিৰিক্ত সঞ্চালকালয়ত কৰ্মচাৰীৰ সংখ্যা

*৮৭। শ্ৰীগুণীন হাজৰিকাই সুধিছে :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত প্ৰাপ্তবয়স্ক শিক্ষাৰ অতিৰিক্ত সঞ্চালকালয়ৰ তলত বিভিন্ন

পৰ্য্যায়ত কিমান কৰ্ম্মচাৰী আছে আৰু কোনে কি নিৰিখত দৰমহা পায় ?

খ) পৰ্য্যবেক্ষক সকলক কৰ্ম্মচাৰী হিচাবে গণ্য কৰেণে আৰু যদি কৰে তেওঁ-লোকৰ সময় নিৰ্দ্ধাৰিত দৰমহাৰ নিৰিখ কি ?

গ) যদি তেনে নিৰিখ নাই অতি সোনকালে ইয়াৰ ব্যৱস্থা লবনে ?

ঘ) কেতিয়াৰ পৰা এই নিৰিখ দিয়াৰ কথা চৰকাৰে সিদ্ধান্ত কৰিছে ?

শ্ৰীযতীন মালী (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) অসমত প্ৰাপ্ত বয়স্ক শিক্ষাৰ অতিৰিক্ত সঞ্চালকৰ তলত বিভিন্ন পৰ্য্যায়ত থকা কৰ্ম্মচাৰীৰ সংখ্যা আৰু দৰমহা এনেধৰণৰ :—

| | পদ | সংখ্যা | দৰমহা |
|---|---|---|---|
| ১। | অতিৰিক্ত সঞ্চালক, প্ৰাঃ বঃ শিঃ | ১ জন | ২০০০ টকাৰ পৰা ২৬০০ টকালৈ |
| ২। | উপ-সঞ্চালক ,, ,, ,, | ১ জন | ১৫০০ টকাৰ পৰা ২১৭৫ টকালৈ |
| ৩। | সহকাৰী সঞ্চালক ,, ,, ,, | ২ জন | ১২০০ টকাৰ পৰা ২০৫০ টকালৈ |
| ৪। | সহকাৰী সঞ্চালক, ৰাজ্যিক সমল কেন্দ্ৰ | ১ জন | ১২০০ টকাৰ পৰা ২০৫০ টকালৈ |
| ৫। | জিলা প্ৰাপ্তবয়স্ক শিক্ষা বিষয়া | ১৬ জন | ১২০০ টকাৰ পৰা ২০৫০ টকালৈ |
| ৬। | প্ৰশিক্ষণ বিষয়া, ৰাজ্যিক সমল কেন্দ্ৰ | ১ জন | ১২০০ টকাৰ পৰা ২০৫০ টকালৈ |
| ৭। | ৰিচাৰ্চ অফিচাৰ, ৰাজ্যিক সমল 'গবেষণা বিষয়া' কেন্দ্ৰ | ৪ জন | ১১২৫ টকাৰ পৰা ১৯৭৫ টকালৈ |
| ৮। | ৰিচাৰ্চ এচিচ্‌টেণ্ট, ৰাজ্যিক সমল 'গবেষণা সহায়ক' কেন্দ্ৰ | ২ জন | ৬৭০ টকাৰ পৰা :৫০০ টকালৈ |
| ৯। | চিত্ৰকৰ, ৰাজ্যিক সমল কেন্দ্ৰ | ১ জন | ৫৮০ টকাৰ পৰা ১১৬৫ টকালৈ |
| ১০। | প্ৰকল্প বিষয়া | ৭১ জন | ৬৭০ টকাৰ পৰা ১৫০০ টকালৈ |
| ১১। | পৰিকল্পনা বিষয়া | ১ জন | ৭৪৫ টকাৰ পৰা ১৬০০ টকালৈ |
| ১২। | উৎপাদন বিষয়া | ৩ জন | ৬২০ টকাৰ পৰা ১৩১৫ টকালৈ |
| ১৩। | সহকাৰী প্ৰকল্প বিষয়া | ৫৭ জন | ৫৮০ টকাৰ পৰা ১১৬৫ টকালৈ |
| ১৪। | সম্পাদক, জনশিক্ষা | ১ জন | ৬৭০ টকাৰ পৰা ১৫০০ টকালৈ |
| ১৫। | প্ৰকাশন সহায়ক | ১৭ জন | ৭০০ টকাৰ পৰা ১২০০ টকালৈ |

| | | | |
|---|---|---|---|
| ১৬। | গাণনিক | ১ জন | ৬২০ টকাৰ পৰা ১৩১৫ টকালৈ |
| ১৭। | পৰিসংখ্যা সহায়ক | ১৭ জন | ৫৮০ টকাৰ পৰা ১১৬৫ টকালৈ |
| ১৮। | আশুলিপিকা | ১১ জন | ৬৭০ টকাৰ পৰা ১৫০০ টকালৈ |
| ১৯। | উচ্চ বৰ্গৰ সহায়ক | ৪ জন | ৭০০ টকাৰ পৰা ১২০০ টকালৈ |
| ২০। | উচ্চ বৰ্গৰ সহায়ক | ৪৬ জন | ৬৭৫ টকাৰ পৰা ১১০০ টকালৈ |
| ২১। | নিম্ন বৰ্গৰ সহায়ক | ৮ জন | ৫০০ টকাৰ পৰা ৮৭৫ টকালৈ |
| ২২। | নিম্ন বৰ্গৰ সহায়ক | ১০৪ জন | ৫৭০ টকাৰ পৰা ৮০০ টকালৈ |
| ২৩। | চিনেমা প্ৰদৰ্শক | ৬৫ জন | ৪৭০ টকাৰ পৰা ৮০০ টকালৈ |
| ২৪। | ডাফট্ৰি | ২ জন | ৩৯০ টকাৰ পৰা ৬২০ টকালৈ |
| ২৫। | গাড়ী চালক | ১৯ জন | ৪২০ টকাৰ পৰা ৭৩০ টকালৈ |
| ২৬। | পিয়ন | ১৮৩ জন | ৩৭০ টকাৰ পৰা ৪৯০ টকালৈ |
| ২৭। | পৰ্য্যবেক্ষক | ৩৮২ জন | নিৰ্দ্ধাৰিত বেতন মাহে ৫০০ টকা |
| | | গ্ৰাম্য ব্যৱহাৰিক শিক্ষা প্ৰকল্পত ১৯৩ | নিৰ্দ্ধাৰিত ভ্ৰমণ বানচ মাহে ১৫০ টকা |
| | | ৰাজ্যিক প্ৰাপ্ত বয়স্ক শিক্ষা প্ৰকল্পত ১৮৯ | মুঠ ৬৫০ টকা। |
| | | মুঠ ৩৮২ | |

২৮। ধাৰাবাহিক শিক্ষা কৰ্ম্মী ৩৫৭ জন নিৰ্দ্ধাৰিত বেতন মাহে ৩০০ টকা।

খ) কৰে। কিন্তু তেওঁলোকৰ সময় নিৰ্দ্ধাৰিত বেতন ক্ৰম নাই।

গ) তেওঁলোকৰ সময় নিৰ্দ্ধাৰিত দৰমহা মাহে ৫৬০—১০০০ (লগত অন্যান্য বানচ সমূহ) টকা হাৰত দিয়াৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

ঘ) প্ৰশ্ন নুঠে।

শ্ৰীগুণীন হাজৰিকা: মাননীয় মন্ত্ৰী গৰাকীয়ে প্ৰাপ্ত বয়স্ক শিক্ষাৰ কৰ্ম্মচাৰী সকলৰ দৰমহাৰ নিৰিখ দাঙি ধৰিছে। কিন্তু পৰ্য্যবেক্ষক সকলৰ ১৯৯০ চনত শেষ হব লগীয়া হৈছে। তেওঁলোকৰ দৰমহাৰ নিৰিখ বিবেচনাধীন হৈ আছে বুলি কোৱা হৈছে। কোন মাহৰ পৰা কাৰ্য্যকৰী কৰিব এই কথাটো মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী): পৰ্য্যবেক্ষক সকলক দৰমহা দিয়া হৈছে। দিয়াৰ ব্যৱস্থাৰ সময় এতিয়া বিবেচনাধীন হৈ আছে। এই

বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত। যদি অসম চৰকাৰে দিব লগা হয় তেন্তে বিষয়টো বিবেচনা কৰি চাব লাগিব। আমাৰ বাজেটৰ পৰা প্ৰতি বছৰে ৩২ লাখ টকাৰ প্ৰয়োজন হব।

কুমাৰ দীপক দাস: ১৯৮৭-৮৮ চনৰ বাজেটত ধৰা হৈছে নেকি ?

শ্ৰীযতীন মালী (ৰাজ্যিক মন্ত্ৰী): এই বিষয়টো এতিয়া কব পৰা নাযাব।

বিষয়: প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ড।

*৮৮। শ্ৰীগোপীনাথ দাসে সুধিছে:

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদবোৰ কি নীতিৰ ওপৰত ভিত্তি কৰি গঠন কৰা হৈছে জনাবনে ?

(খ) উক্ত পৰিষদবোৰত সকলো জনগোষ্ঠীৰলোকে প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাইছেনে ?

শ্ৰীযতীন মালী (ৰাজিক শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) প্ৰাথমিক শিক্ষা সম্পৰ্কীয় কেতবোৰ বিষয়ত চৰকাৰক পৰামৰ্শ আগবঢ়াবলৈ এই পৰিষদবোৰ গঠন কৰা হৈছে।

(খ) সকলো জনগোষ্ঠীৰলোকে প্ৰতিনিধিত্ব কৰাৰ প্ৰশ্ন নুঠে।

শ্ৰীগোপী দাস: অসমৰ বিভিন্ন জনগোষ্ঠীয়ে অসমীয়া ভাষাক মাধ্যম হিচাপে গ্ৰহণ কৰিছে। গতিকে তেওঁলোকক ওজৰ আপত্তি দিয়াৰ সুযোগ দিয়া হোৱা নাই। গতিকে চৰকাৰে বিচাৰেনেকি যে তেওঁলোকৰ ওজৰ আপত্তি চৰকাৰৰ আগত বৰ্ডৰ জৰিয়তে দাঙি ধৰক ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী): কথাটো আচলতে তেনেকুৱা নহয়। জনগোষ্ঠীৰ লোকক প্ৰতিনিধিত্ব কৰাৰ প্ৰশ্ন নুঠে। বিভিন্ন জনগোষ্ঠীৰ লোকক ৰক্ষণা বেক্ষণ দিয়াৰ বাবে এইখন কমিটি কৰা হৈছে আৰু বিবেচনা কৰা হৈছে। বৰ্ত্তমান অৱস্থাত চৰকাৰে তেনেকুৱা কোনো কথা বিবেচনা কৰা নাই।

Shri Charan Narzary : Sir, may I know from the Hon'ble Minister of State for Education as to whether the Government will consider inclusion of all the left out M.L.As in the Elementary Education Boards ?

শ্ৰীযতীন মালী ( ৰাজিক শিক্ষামন্ত্ৰী ) : বৰ্ত্তমান তেনেকুৱা কোনো কথা বিবেচনা কৰা নাই।

Shri Shanti Ranjan Dasgupta : Mr. Speaker, Sir, the question was—policy under which these Advisory Committees are formed. The answer was — only to advise the Government these Boards are constituted. What are the norms actually for these Elementary Education Advisory Boards ?

শ্ৰীযতীন মালী ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) : এলিমেণ্টেৰী বৰ্ডত সদস্যসকলে উপযুক্ত পৰামৰ্শ আগবঢ়াব। স্কুলঘৰ মেৰামতি, পাঠ্যপুথি বিতৰণ সকলো বিলাক বিষয় পালন কৰিব আৰু চৰকাৰৰ পলিচি ইম্‌প্লিমেণ্ট কৰাৰ ক্ষেত্ৰত সহায় কৰিব। সেয়ে শিক্ষাবিদ নিয়োগ কৰাৰ ব্যৱস্থা হাতত লৈছো।

Shri Charan Narzary : But then, Sir, the fact remains that in some Subdivisions these Advisory Committees are functioning in a most whimsical manner.

শ্ৰীযতীন মালী ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) : মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা উত্থাপন কৰিছে সেই ক্ষেত্ৰত মই একমত নহয়। চৰকাৰ বিহীন ৰাজ্যত অনুষ্ঠান চলি আছে বুলি কোৱা হৈছে। প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদ প্ৰকাশ কৰা ধৰণে চলা নাই।

Shri Binai Khungur Basumatari : Sir, earlier when I asked the Minister why was I included in the Board if I am not called in the meetings the Minister said I should ask the Chairman and now Mr. Charan Narzary says the Boards function according to their whims and the Minister should answer to this.

শ্ৰীযতীন মালী ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) : মাননীয় সদস্য গৰাকীয়ে খং কৰিব নালাগে। এই সম্পৰ্কত বিভাগীয় মন্ত্ৰী দায়ী বুলি কব বিচাৰিছে, সেই ক্ষেত্ৰত একমত নহয়।

Shri A. F. G. Osmani : Mr. Speaker, Sir, does it not reflect on the functioning of the Education Dept. ? Whether the Minister

thinks it really something for consideration that in last 13 months the Boards or his Govt. could not appoint a single teacher thereby making an unprecedented instance in the State and the students are going without teacher for more than 13 months. This is the reflection on the type of Education Advisory Committees they have constituted ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী) : মই থূলমূল ভাৱে কব বিচাৰিছো যে টকাৰ বিনিময়ত শিক্ষক নিয়োগ কৰাৰ নীতি আমাৰ নাই। আগৰ শিক্ষক নিয়োগৰ ক্ষেত্ৰত যিটো নীতি নিয়ম কৰিছিল তাৰ কিছুমান নাই কৰা কৰি শিক্ষক নিয়োগৰ ক্ষেত্ৰত সম্পূৰ্ণ নীতিৰ ওপৰত অৱলম্বন কৰি আইন কানুন মানি শিক্ষক নিয়োগৰ ক্ষেত্ৰত ব্যৱস্থা লোৱা হৈছে। টকাৰ বিপৰীতে নিয়োগ নীতি কৰা নাই।

Starred Question No. 89 was not called for.

**বিষয় : প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ পদ।**

৯০। শ্ৰীমুক্তাৰ হুছেইনে সুধিছে :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৮৬ চনত কিমানটা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ বাবে জাননী দিয়া হৈছিল ?

খ) জাননী অনুসৰি উক্ত খালী পদ সমূহৰ কিমান জনক এতিয়ালৈকে নিযুক্তি দিয়া হৈছে ?

গ) খালী থকা পদসমূহ কেতিয়ালৈ পূৰ্ণ কৰা হব ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) প্ৰাথমিক শিক্ষা সঞ্চালকে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ বাবে বিজ্ঞাপন দিছিল। সেই জাননীত নিৰ্দ্দিষ্ট সংখ্যা দিয়া হোৱা নাছিল।

খ) এই সম্পৰ্কীয় তথ্যত মহকুমা বিদ্যালয় উপ পৰিদৰ্শক সকলৰ পৰা বিচৰা হৈছে। তথ্য পালে জনাব পৰা হব।

গ) পদসমূহ সোনকালে পূৰণ কৰিবৰ বাবে সংশ্লিষ্ট বিষয়াক নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীমুক্তাৰ হুছেইন : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ উত্তৰ জানিব বিচাৰিছো যে কিমানটা শিক্ষকৰ পদৰ বাবে জাননী দিয়া হৈছিল। কিমানজনক এতিয়ালৈকে নিযুক্তি দিয়া হৈছে। অধ্যক্ষ মহোদয়, শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত এটি অনিয়ম কৰি আছে, খালি হৈ থকা শিক্ষকৰ পদসমূহ এতিয়ালৈকে পূৰণ কৰা নাই। এতিয়া কথা হ'ল কোন তাৰিখৰ ভিতৰত, কিমান দিনৰ ভিতৰত এই শিক্ষকৰ পদসমূহ পূৰণ হব তাৰ এটি নিৰ্দিষ্ট দিন আমাক দিব লাগে।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোত মই কব বিচাৰিছো যে প্ৰাথমিক বিদ্যালয়ৰ বহু শিক্ষকৰ পদ বহু দিনৰে পৰা খালি হৈ আছে। আমাৰ বহুত সমস্যাই দেখা দিছিল। কাৰণ বহুতো বি, টি, চি, নৰ্মাল পাচ কৰাৰ প্ৰাৰ্থী বৰপেটা, ধেমাজীত নিয়োগ নোপোৱাকে আছে। তাৰোপৰি অৱসৰপ্ৰাপ্ত শিক্ষকৰ সন্তানৰ অগ্ৰাধিকাৰৰ কথাটো উংথাপন হৈছিল। তাৰোপৰি লিভ-ভেকেনচিত কাম কৰি থকা শিক্ষকক খালি পদ থকা সত্বেও নিয়োগ কৰা হোৱা নাছিল। ঠিক একেদৰে আন্দোলনৰ সময়ত শ্বহীদ পৰিয়ালক চৰকাৰে নীতিগত ভাৱে একোজন নিয়োগ কৰা ব্যৱস্থা মানি লৈছিল। তাৰোপৰি জনজাতীয় আৰু অনুসূচিত লোকৰ সাংবিধানিকভাৱে নিয়োগৰ যিটো ব্যৱস্থা আছিল তাক আওকাণ কৰা হৈছিল। গতিকে এই গোটেই সমস্যাটো সন্মুখত ৰাখি নিয়োগ সম্পৰ্কত এক নিদিষ্ট 'নৰমচ' তৈয়াৰ কৰি বিভিন্ন জিলা কৰ্ত্তৃপক্ষলৈ পঠিয়াইছিল। সেই সম্পৰ্কত শিক্ষকৰ যোগ্যতাৰ ওপৰত শিক্ষকৰ তালিকা প্ৰস্তুত কৰাৰ বিষয়ে ঘোষণা কৰিছে। শিক্ষক নিয়োগৰ ক্ষেত্ৰত নিৰ্দিষ্ট নিয়ম কৰি থোৱা হৈছে। ৰাজ্যখনত সংস্থানৰ বিকল্প ব্যৱস্থা যোৱা ৩৮ টা বছৰত হোৱা নাছিল। বাস্তবিকতে লাখ লাখ আবেদনকাৰীয়ে এই পদসমূহত আবেদন কৰি আহিছে। ৰাজ্যখনৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত আবেদনকাৰীৰ সাক্ষাতক লৈ আগবাঢ়ি যাওঁতে সময়ৰ প্ৰয়োজন হব ৰাজ্যখনৰ অৰ্থ-নৈতিক দুৰ্গত অৱস্থাত সংস্থানৰ মনোবৃত্তি লৈ এই পদসমূহত আবেদন কৰিছিল। কিন্তু পদ অত্যন্ত কম। বছৰ বছৰ ধৰি শিক্ষকৰ পদসমূহ পূৰণ কৰা হোৱা নাই আজি অভিযোগ আনিছে। আজি আমি নিৰ্দিষ্ট পদৰ বিপৰীতে

আবেদন বিচাৰিছো আৰু তালিকা প্ৰস্তুত কৰিব বিচাৰিছো। ভৱিষ্যতে এই তালিকাৰ পৰা পদসমূহ পূৰণ কৰিব পৰা হব। অতিৰিক্ত সঞ্চালকে যোৱা ২২।২।৮৭ তাৰিখে জাননী দিছে। এল, পি, আৰু এম, ভি স্কুলৰ খালি পদসমূহৰ সোনকালে নিযুক্তি দিব লাগে। গতিকে পদসমূহ সোনকালে পূৰণ হব।

Shri Charan Narzary : Sir, we appreciate the difficulties faced by the Government. That is all right ; but the argument put forward by the Hon. Education Minister does not justify the undue delay in the matter of appointment of teachers. Hundreds of schools are running without proper teaching staff. The Elementary Education Advisory Board should be asked to expedite the matter for appointing teachers. What has happened, sir, is that the written test could not be held by the Government. Later on oral interviews were taken long back in 1986. I have got to ventilate my grievances in this matter, Sir. Now result sheets are lying in the pockets of some of the members of the Selection Committee and that is true so far as my Sub-division is concerned. ( voices– It is true everywhere ) That I do not know, but it is so in my Sub-division. The D. I. of schools told me when I enquired that he had written several times to the concerned members to submit the result sheets so that tabulation could be made. For want of the result-sheets tabulation could not be done by the Government. In one meeting I asked what had happened about submission of result-sheets and I was told that result-sheets were being kept by (interruption).

Mr. Speaker : But what is your question ?

Shri Charan Narzary : I was told that the result sheets were being kept by some members. The Chairman claimed that the result-sheets were being kept in safe custody'. That was what they said. (laughter heard from Opposition Bench side) Now if this sort of practice is continued, how will it be possible for the Govt. to give appointment of teachers. Now, whether the Government

is aware of these facts and admitting these facts. whether the Government will look into it immediately for quick remedy ?

শ্রীবৃন্দাবন গোস্বামী (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এটি স্পষ্ট কথা কৈছে কাৰোবাৰ কিবা দোষৰ কাৰণে যদি নিয়োগৰ দেৰি হৈছে সেইটো নিশ্চয় চাব লাগিব। কোনোবা সদস্যই যদি দায়িত্ব পালনত কিবা অবহেলা কৰিছে আৰু তাৰ কাৰণে যদি নিয়োগৰ দেৰি হৈছে সেইটো বিচাৰ্য্য বিষয়। এই বিষয়ে মই ইতিমধ্যে মাননীয় সদস্যক কৈছো যে ধন বিনিয়োগৰ ফলত মাননীয় সদস্য বিৰোধী পক্ষৰ সদস্য সকলে কোৱাৰ দৰে যদি নিয়োগৰ ব্যৱস্থা হৈছে তেনেকুৱা নিৰ্দিষ্ট অভিযোগ দিলে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম।

**বিষয় : স্থায়ী প্ৰেক্ষাগৃহ।**

Shri Kiron Kumar Gogoi asked :

*৯১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ডিব্ৰুগড় বিশ্ববিদ্যালয়ত স্থায়ী প্ৰেক্ষাগৃহ 'AUDITORIUM' আছেনে ?

খ) যদি নাই চলিত বিত্তীয় বছৰতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এটি স্থায়ী প্ৰেক্ষাগৃহ নিৰ্মান কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লবনে ?

শ্রীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে।

ক) নাই।

খ) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই ৰাজ্য চৰকাৰৰ যোগেদি বিশ্ব-বিদ্যালয় অনুদান আয়োগলৈ অনুদানৰ বাবে আবেদন কৰিছে। এতিয়াও অনুদান মঞ্জুৰী হোৱা নাই।

শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজিলৈকে এটা প্ৰেক্ষাগৃহ নথকাটো বৰ দুৰ্ভাগ্যৰ কথা। বৰ্তমান যিটো ঘৰত প্ৰেক্ষাগৃহ হিচাবে চলাই আছে সেইটো চাহ বাগিচাৰ পাতঘৰৰ নিচিনা। গতিকে মন্ত্ৰী মহোদয়ে গুৰুতৰ সহকাৰে এই বিত্তিয় বছৰতে এটি প্ৰেক্ষাগৃহৰ অনুদান দিয়াৰ আশ্বাস দিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) : ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অকল প্ৰেক্ষাগৃহই নহয় ছাত্ৰ-ছাত্ৰী সকলৰ শ্ৰেণীৰ কোঠাবিলাকো ঠিক নহয় তাৰ কাৰণেও অভিযোগ কৰি আছে। মই উত্তৰত কৈছোঁৱেই যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বিশ্ববিদ্যালয় অনুদান আয়োগলৈ যোগাযোগ কৰিছে আমি ৰাজ্য চৰকাৰেও তেওঁলোকৰ লগত যোগাযোগ কৰিম।

Starred Question No. 92 was not called for.

**বিষয় ; প্ৰাথমিক বিদ্যালয়।**

*৯৩। শ্ৰীশ্বহীদুল ইছলামে সুধিছে :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ধিং সমষ্টিত চৰকাৰী মঞ্জুৰী নোপোৱা প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা কিমান ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) এই সম্পৰ্কে স্থানীয় বিষয়াৰ পৰা তথ্য বিচাৰি পঠোৱা হৈছে। তথ্য পালে জনাব পৰা হব।

শ্ৰীশ্বহীদুল ইচলাম : মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ধিং সমষ্টিটো অসমৰ ভিতৰতে শিক্ষাত পিছপৰা সমষ্টি। তাত বিদ্যালয় সমূহত মঞ্জুৰী পোৱা নাই মই জানিব বিচাৰিছো ইয়াৰ ওৱেইজ দিব নে সংখ্যাৰ ভিত্তিত স্কুল বিলাকক মঞ্জুৰী দিব ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) : ধিং সমষ্টিলৈ মই মাননীয় সদস্য গৰাকীৰ লগত নিজে গৈছো। অকল ধিং সমষ্টিতে নহয় ৰাজ্যৰ সকলোবিলাক অঞ্চলৰে শিক্ষানুষ্ঠান বিলাকৰ অৱস্থা জৰাজীৰ্ণ। পৰ্য্যায়ক্ৰমে স্কুল সমূহক উন্নয়নৰ আচনি লোৱা হৈছে। তেখেতৰ সমষ্টিৰ স্কুলবিলাকো নিশ্চয় এই আচনিৰ পৰা বাদ পৰি নাযায়। কিন্তু কিমান স্কুলত মঞ্জুৰী পাইছে তথ্য পালেহে জনাব পৰা যাব।

Shri Altaf Hussain Mazumdar : On a point of order, sir, Hon. Minister is supposed to give specific reply to the specific question.

Nowadays we have seen in most of the specific questions, replies given are evasive and there is a tendency on the part of the Government to reply that information is being collected. Government should come forward with proper answers.

মাননীয় অধ্যক্ষ : সময় বিছাৰিলে আমি সময় দিবই লাগিব এইটো নিয়ম। আমি বৰ্ত্তমান যিটো পদ্ধতি আৰম্ভ কৰিছো অহা অধিবেশনৰ পৰা নিশ্চয় এইবিলাক ঠিক হৈ যাব।

বিষয় : ধুবুৰীৰ প্ৰাথমিক শিক্ষা বোৰ্ড।

*৯৪। শ্ৰীইউছুফ আলী আহমেদে সুধিছে :

ক) ধুবুৰী মহকুমাৰ Elementary Board খন কিমানজন সদস্যলৈ গঠিত কৰা হৈছে ?

খ) এই সমিতিত বিলাসীপাৰা পশ্চিম সমষ্টিৰ পৰা কোনো মানুহক সদস্য কৰা হৈছেনে ?

গ) যদি লোৱা হোৱা নাই তেন্তে কিয় লোৱা নাই ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ৯ জন সদস্যকলৈ ধুবুৰী মহকুমাৰ প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদখন গঠন কৰা হৈছে।

খ) এই সম্পৰ্কত কোনো তথ্য নাই।

গ) সমষ্টি ভিত্তিত প্ৰতিনিধিৰে মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদবোৰ গঠণ কৰা হোৱা নাই।

শ্ৰীইউছুফ আলী : মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যি সকলক সদস্য কৰা হৈছে তেওঁলোকৰ নাম ঠিকনা আদি তথ্য নিশ্চয় আছে। গতিকে ধুবুৰী মহকুমা শিক্ষা উপদেষ্টা বোৰ্ডখনত যি সকল সদস্য আছে তেওঁলোকৰ নাম ঠিকনা শিক্ষাগত অৰ্হতা আৰু কোন কোন ঠাইৰ পৰা দিছে জনাবনে ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী) : ধুবুৰী মহকুমাৰ যিখন উপদেষ্টা

পৰিষদ সেইখন পঢ়ি দিলেই নিশ্চয় মাননীয় সদস্য গৰাকীয়ে কাৰ নাম আছে বা ঠিকনাৰ নিশ্চয় উত্তৰ পাব- শ্ৰীডালিম ৰয়, জিনকাটা শ্ৰীদ্বিপেন অধিকাৰী বিষয় শিক্ষক হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, শ্ৰীঅশ্বিনী কুমাৰ ৰয়, ৰয়পুৰ পোঃ গোলকগঞ্জ শ্ৰীৰাছেদ আলী শেখ ৰাহজমী পোঃ চংকাচৰা, শ্ৰীইউচুফ আলী আহমেদ পোঃ চাপৰ, শ্ৰীপূনানন্দ ৰয়, চাপৰ, শ্ৰীহেমন্ত বৰকলিতা, ধুবুৰী, জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু ডি আই।

শ্ৰীইউছুফ আলী : শ্ৰীইউছুফ আলী আহমেদ এওঁ কি ব্যৱসায় কৰে আৰু চাপৰত আছেনে নাই মন্ত্ৰী মহোদয়ে জনাবনে ? (সদনত গন্দগোল একো শুনা নাযায়)

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী) : সদস্যজনে যদি আৰু কিবা জানিব বিছাৰিছে তেনেহলে লিখিতভাবে কলে আমি জনায় দিম। (পুনৰ গন্দগোল)

শ্ৰীকুল বাহাদুৰ ছেত্ৰী : এই ইউছুফ আলী এম এল এ নে কি সেইটো জনালেই হয় ?

(অধ্যক্ষই বেলেগ প্ৰশ্নলৈ যায়)

বিষয় : গ্ৰাম্য পুথিভঁৰাল স্থাপন।

*৯৫। শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমৰ কিমানবোৰ গাওঁ পঞ্চায়তত ১৯৮৬-৮৭ চনত চৰকাৰে গ্ৰাম্য পুথিভঁৰাল স্থাপন কৰিবৰ বাবে আঁচনি গ্ৰহণ কৰিছিল ?

খ) গোলাঘাটৰ পংকাৰ সপ্ত শ্বহীদৰ নামত এটি পুথিভঁৰাল স্থাপন কৰিবলৈ লোৱাটো সচাঁনে ?

গ) যদি সঁচা চৰকাৰে ইয়াক অনুমোদন জনালেনে, যদি জনালে ইয়াৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৮৬-৮৭ চনৰ ভিতৰত ভৈয়ামৰ ২০০ খন গাওঁ পঞ্চায়তৰ

অধীনত ২০০ টা গ্ৰাম্য পুথিভৰাঁল স্থাপনৰ আচনি লোৱা হৈছে। লগতে পাৰ্বত্য জিলাৰ হাফলং আৰু ডিফুত প্ৰত্যেকতে ২ টাকৈ ব্লক পৰ্য্যায়ত মুঠ ৪ টা গ্ৰাম্য পুথিভৰাঁল স্থাপনৰ ব্যৱস্থা লোৱা হৈছে।

খ) হয় সচাঁ।

গ) হয় অনুমোদন জনোৱা হৈছে।

গ্ৰাম্য পুথিভৰাঁল আচঁনিত অন্তৰ্ভুক্ত কোনো পুথি ভৰাঁল ভৱন অন্যৰূপে নিৰ্ম্মাণৰ ব্যৱস্থা লোৱা হোৱা নাই আৰু তাৰ বাবে টকাও ধাৰ্য্য কৰা হোৱা নাই।

( No Supplementary Question )

বিষয় :- দিকৰাই স্কুলত শিক্ষক নিযুক্তি।

*৯৬ শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে : শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) দিকচাই উচ্চ মাধ্যমিক স্কুলত বিজ্ঞান স্নাতক কেইজন আছে ?

(খ) শোণিতপুৰ স্কুল সমূহৰ পৰিদৰ্শক' জনে পৰিচালনা সমিতিৰ পৰামৰ্শমতে নিয়োগ কৰা এজন বিজ্ঞান 'ভংক' স্নাতক শিক্ষকক আতৰাই এজন কলা বিভাগৰ স্নাতক শিক্ষকক নিয়োগ কৰাটো সঁচানে ?

(গ) যদি সঁচা হয় কি ভিত্তিত বিজ্ঞান স্নাতক জনক এৰুৱাই কলা বিভাগৰ স্নাতক জনক নিয়োগ কৰা হৈছে ?

(ঘ) এই বিষয়ত বিজ্ঞাপন দিয়া হৈছিল নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) শোণিতপুৰ জিলাত দিকচাই উচ্চ মাধ্যমিক নামৰ স্কুল নাই। কিন্তু দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৮ম মানৰ পৰা ১০ম মানলৈ বৰ্ত্তমান ২ জন বিজ্ঞান স্নাতক শিক্ষক আছে।

(খ) সঁচা। আগতে বিজ্ঞান স্নাতক শিক্ষক ৩ জন আছিল। তাৰে এজন প্ৰশিক্ষণলৈ যোৱাত সেই পদত অস্থায়ীভাবে এজন বিজ্ঞান স্নাতকক লোৱা হৈছিল। পাচত সেই বিজ্ঞান স্নাতক শিক্ষক জনক এৰুৱাই এজন কলা স্নাতক শিক্ষকক অস্থায়ীভাৱে নিযুক্তি দিয়া হয়।

(গ) যিহেতু বিদ্যালয়ত ২ জন বিজ্ঞান স্নাতক আছেই সেই পৰি-প্ৰেক্ষিতত শৈক্ষিক প্ৰয়োজনীয়তাৰ ভিত্তিত প্ৰশিক্ষনলৈ যোৱা শিক্ষক জনৰ প্ৰশিক্ষনৰ কালছোৱাত কলা স্নাতক শিক্ষক এজনক অস্থায়ীভাৱে নিযুক্তি দিয়া হ'ল।

(ঘ) নাই হোৱা।

শ্ৰীগোলোক ৰাজবংশী :—মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীনৰেন নাথ নামৰ অংক সহ বিজ্ঞান স্নাতক শিক্ষক জন যেতিয়া বি, টি প্ৰশিক্ষনলৈ যায় তেখেতৰ ঠাইত শ্ৰীঅজিত শইকীয়া বুলি এজন কলাৰ স্নাতকক নিযুক্তি দিয়া হৈছিল। মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি অংক পঢ়াবলৈ কলা স্নাতক এজনক কিয় নিযুক্তি দিয়া হ'ল ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই অলপ আগতে এটা কথা কৈছিলোঁ যে যিজন বিজ্ঞান স্নাতক আছে তেখেতক অস্থায়ী ভাৱে প্ৰশিক্ষনলৈ পঠোৱা বাবে অস্থায়ী ভাৱে এই পদ টো পূৰণ কৰা হৈছে। এই বিদ্যালয় খনত ৫ জন শিক্ষকৰ ৩ জনেই বিজ্ঞান স্নাতক। কলা স্নাতকৰ স্কুল খনত অভাৱৰ কাৰনেই ব্যৱস্থা কৰা হৈছে। এই অৱস্থাটো অকল এইখন বিদ্যালয়তে নহয় অসমৰ প্ৰায় সকলো স্কুলতে হৈছে। গতিকে নৰ্মচ মতে বিজ্ঞান শিক্ষকৰ পদত বিজ্ঞান স্নাতককে দিব লাগিছিল যদিও পাঠদানৰ সুবিধাৰ কাৰনেই কলা স্নাতক জনক অস্থায়ীভাৱে নিয়োগ কৰা হৈছে। গতিকে ইয়াৰ পৰা নতুন কোনো সমস্যাৰ সৃষ্টি নহব বুলি ভাবিছোঁ। আৰু ইতিমধ্যেই তাত বিজ্ঞান স্নাতক আছেই।

শ্ৰীগোলোক ৰাজবংশী : অধ্যক্ষ মহোদয়, যিজন শিক্ষক প্ৰশিক্ষনত গল তেওঁ আছিল বি, এচ, চি অংক সহ কিন্তু বাকী যি কিজন আছে বিজ্ঞান স্নাতক তেওঁলোকৰ অংক নাই, গতিকে এই স্কুলখনত এতিয়া অংক কোনে শিকাব ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, কলা শাখাত পাঠদানৰ অসুবিধা হোৱাৰ কাৰনেই এই ব্যৱস্থা কৰা হৈছিল। অকল দিকৰাইতে নহয় ৰাজ্য খনৰ প্ৰায়বোৰ স্কুলতে নিৰ্দ্দিষ্ট নৰ্মচত শিক্ষক নিযুক্ত নোহোৱা কাৰনেই এই অসুবিধাৰ সৃষ্টি হৈছে।

আৰু প্ৰশ্ন এই সন্দৰ্ভত আছে গতিকে ইয়াৰ নৰ্মচ আদি কথা আমি সদনত আলোচনা কৰাৰ সুবিধা পাম।

**Re : Cases pending before the High Court.**

Shri Sheikh Abdul Hamid M. L. A. asked :

*97. Will the Minister Law and Justice be pleased to state :

(a) The number of cases lying pending before the disposal of Guwahati High Court ?

(b) The steps taken by the Government to expedite the settlement of the cases ?

Shri Surendra Nath Medhi (Minister of Law, Judicial etc.) replied :

(a) The total number of cases pending before the principal seat of the Hon'ble Gauhati High Court for disposal is 10,220.

(b) The Govt. have no control over the Hon'ble High Court to ask it to expedite the settlement of the cases.

Shri Surendra Nath Medhi, (Minister, Law) . Sir, before I answer my question, I would correct the answer as it is not inteligible, 'the number of cases lying before the Gauhati High Court'.

Shri Sheikh Abdul Hamid : Sir, at present 10,220 cases pending before the High Court. My submission is that whether the Government can minimise the parties of the cases with recomendations to the proper authorities ? Secondly, whether Government has made any recommendation to the appropriate authority for creation of more High Courts in the other North Eastern States of India in the region ?

Shri Surendra Nath Medhi, ( Minister, Law ) : Sir, I have already stated that the questions are relevent. Sir, the High Courts are the creation of the Consritution. Government has no control over it.

**বিষয় : বিভিন্ন বিভাগত ধাৰ্য্য কৰা টকাৰ খৰচ।**

*৯৮ শ্ৰীচিলভিউচ কন্দপানে সুধিছে :

মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চৰকাৰে বিভিন্ন বিভাগৰ বাবে ১৯৮৬-৮৭ চনৰ ধাৰ্য্য টকা সম্পূৰ্ণভাবে খৰচ কৰিব পাৰিছেনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বিত্তীয় বছৰৰ শেষ হ'লেহে সম্পূৰ্ণ খৰচৰ হিচাব উলিয়াব পৰা হ'ব।

( No Supplementary Question )

বিষয় : অসম চুক্তি।

*৯৯। কুমাৰ দীপক দাসে সুধিছে :

মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চুক্তিৰ কাৰ্য্যকৰণৰ বাবে এতিয়ালৈ কি কি ব্যৱস্থা লোৱা হ'ল ?

(খ) কেন্দ্ৰীয় চৰকাৰে দাবী কৰা মতে অসম চুক্তিৰ সকলো দফা কাৰ্য্যকৰী কৰা হোৱা কথাটো সঁচা নেকি ?

(গ) চুক্তি কাৰ্য্যকৰী কৰা সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে কি কি কথা অসম চৰকাৰক জনাইছে ? ( বিশদভাৱে জনাব )

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ সৈতে ৰাজ্য চৰকাৰে অসম চুক্তি কাৰ্য্যকৰী কৰা সম্পৰ্কত শেহতীয়া যোগাযোগ কি আৰু কেনে ধৰণৰ তাক বিশদভাৱে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম চুক্তি ৰূপায়নৰ বাবে যাবতীয় সকলো ব্যৱস্থা হাতত লোৱা হৈছে। যোৱা জানুৱাৰী মাহলৈকে যুগুতোৱা অসম চুক্তি ৰূপায়নৰ অগ্ৰগতিৰ খতিয়ানৰ প্ৰতিলিপি এটি অনুবদ্ধ পত্ৰসহ সদনৰ মেজত ৰখা হৈছে।

(খ) কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট কিছুমান দফাৰ ৰূপায়ন সম্পুৰ্ণ হোৱা নাই।

(গ) অসম চুক্তি কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে অহৰহ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছে। এই সন্দৰ্ভত সদনৰ

(ঘ) মেজত ৰখা অসম চুক্তি ৰূপায়ণৰ অগ্ৰগতিৰ খতিয়ানৰ অনুবদ্ধ পত্ৰ সমূহত বিৱৰণ দিয়া আছে। (Please see at Annexure I)

Shri Binai Khungur Basumatary : Sir, a point of order,—this question should not be allowed. Because, this came before the House already.

## UNDISPOSED STARRED QUESTION

Dated 9th March, 1987

(To which oral answers were not called for want of time. However, written answers deemed to have been laid on the table as follows) :

### বিষয়ঃ বৰপথাৰ ছোৱালী হাইস্কুলত নিযুক্তি

*১০০ শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ

শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সৰুপথাৰ বিধান সভাৰ সমষ্টিৰ বৰপথাৰ ছোৱালী হাইস্কুলৰ দুগৰাকী শিক্ষয়িত্ৰীৰ নিযুক্তি নীতি বিৰোধী হোৱা বুলি কৰা অভিযোগৰ বিষয়ে চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত এই নিযুক্তি বাতিল কৰাৰ বাবে ব্যৱস্থা লোৱা হব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) এই সম্পৰ্কে পোৱা প্ৰতিবেদন বিবেচনাধীন হৈ আছে।

## UNSTARRED QUESTION AND ANSWERS

(To which written answers laid on the table of the House)

**Subject : South Salmara Sub-division**

107. Shri Dewan Joynal Abedin, M L A asked :

Will the Chief Minister be pleased to state :

(a) Whether a Commission of enquiry has been set up by the

Govt. to enquire into and settle disputes regarding the location of the newly created South Salmora (Civil) Sub-division ?

(b) If so, the Commission of enquiry conducted any enquiry and submitted its reports to the Government ?

(c) If so, the reports and whether the Govt. has accepted the reports ?

(d) Whether it is a fact that the Govt. is already going ahead with the construction of a Circuit House and other sub-divisional buildings at a place called Hatsingimari even before the enquiry conducted by the said Commission.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চৰকাৰে দক্ষিণ শালমাৰা মানকাছাৰ মহকুমাৰ সদৰ স্থান নিৰ্দ্ধাৰণৰ বিষয়ে সৃষ্টি হোৱা বিবাদৰ নিস্পত্তিৰ বাবে নামনি অসমৰ আয়ুক্তক চেয়াৰমেন হিচাপে লৈ এখন চাৰিজনীয়া কমিটি গঠন কৰি দিছে।

(খ) এই কমিটিৰ এখন বৈঠক যোৱা ১৬।২।৮৭ তাৰিখে বহে আৰু বিষয়টো এতিয়াও কমিটিৰ পৰ্য্যালোচনা অৱস্থাত আছে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) চৰকাৰে এতিয়ালৈকে হাটশিঙ্গিমাৰীত কোনো স্থায়ী প্ৰশাসনীয় নাইবা চৰকাৰী বাস ভৱন নিৰ্ম্মানৰ কাম হাতত লোৱা নাই। মাথো মহকুমাধিপতিৰ কাৰ্য্যালয় চলাই যাবৰ বাবে দুটা অস্থায়ী গৃহ নিৰ্ম্মাণ কৰা হৈছে।

বিষয় : সোনাই সমষ্টিত হাইস্কুল।

১০৮। শ্ৰীআব্দুল যব লস্কৰে সুধিছে :

Will the Minister Education be pleased to state :

(a) Total number of High Schools within Sonai Constituency under Silchar Sub-division along with the name of Schools and teachers ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এই সম্পৰ্কীয় তথ্য স্থানীয় বিষয়াৰ পৰা বিচাৰি পঠোৱা হৈছে। পালে দিয়া হব।

বিষয় ঃ উচ্চ ইংৰাজী বিদ্যালয়ত খালী থকা পদ পূৰণ।

১০৯। শ্ৰীকুসুম্বৰ টাই বাবে 'গগৈ' সুধিছে ঃ

শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) প্ৰায় ও 'তিনি' বছৰ ধৰি ৰাজ্যৰ বহু উচ্চ ইংৰাজী বিদ্যালয়ত শিক্ষকৰ পদ খালী হৈ থকাটো চৰকাৰে জানেনে আৰু যদি জানে তেনে নিযুক্তিৰ বাবে কি ব্যৱস্থা কৰিছে জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) উচ্চ ইংৰাজী বিদ্যালয় সমূহত শিক্ষকৰ পদ খালী থকাটো সঁচা। খালী পদসমূহত নিযুক্তি দিবলৈ ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ অসম চুক্তি

১১০। { বিধায়ক ঃ শ্ৰীআঁব্দুল জলিল আৰু
বিধায়ক ঃ শ্ৰীচিলবিউচ কন্দ্ৰপান য়ে সুধিছে ঃ

মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চুক্তি ৰূপায়ন কৰোতে যোৱা ১৯৮৬ চনৰ বছৰটোত কিমান বিদেশী নাগৰিকক চিনাক্তকৰণ আৰু বহিস্কৰণ কৰা হ'ল ?

(খ) কিমান কেচ (Case) ট্ৰিবিউনালত বিবেচনাধীন হৈ আছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধীকৰণৰ দ্বাৰা চিনাক্তকৰণ) আইনৰ অধীনত ঃ

বিদেশী বুলি চিনাক্ত কৰা লোকৰ সংখ্যা ১৪৬ জন।

বহিষ্কৰণ কৰা লোকৰ সংখ্যা ২৩ জন।

বিদেশী ন্যায়াধীকৰণ (Foreigners Tribunals)

সমূহৰ দ্বাৰা ১৯৬৬-৭১ চনৰ ২৪ মাৰ্চৰ ভিতৰত অহা
বুলি চিনাক্ত কৰা লোকৰ মুঠ সংখ্যা ৫০৯ জন।

(খ) অবৈধ প্ৰবজনকাৰী (ন্যায়াধীকৰণৰ দ্বাৰা চিনাক্তকৰণ)
আইনৰ অধীনত ৪১১৩ টা
বিদেশী ন্যায়াধীকৰণ সমূহৰ অধীনত ৭৩৬২ টা

**Subject : Age limit of Teachers of Madrassa or Sanskrit Tol.**

111. Shri Sheikh Saman Ali, M.L.A. asked :
will the Minister Education be pleased to state :

(a) whether the senior Madrassas and Sanskrit Tols fall under the category of Special Schools ?

(b) If so the retirement of Age of the Teachers of those institutions ?

(c) Is it a fact that the Teachers of the tols are in service even after crossing of the age of sixty years ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) সাধাৰণতে বে-চৰকাৰী অনুষ্ঠানৰ কৰ্ম্মচাৰী সকলে ৬০ বছৰত অৱসৰ গ্ৰহণ কৰে। উক্ত দুই শ্ৰেণীৰ বিদ্যালয়ৰ শিক্ষক সকল চৰকাৰী কৰ্ম্মচাৰী নহয় গতিকে তেওঁলোকেও সাধাৰণতে ৬০ বছৰত অৱসৰ লয়।

(গ) এই সকল শিক্ষকৰ ক্ষেত্ৰত সেৱাৰ বিধি' Service Rule 'সাজু নোহোৱা আৰু যথোচিত পৰিমাণৰ অৰ্হতাপূৰ্ণ শিক্ষকৰ অভাৱ হেতুকে ৬০ বছৰতকৈ বেচি বয়সৰ শিক্ষক টোলত ৰখাত চৰকাৰে আপত্তি কৰা নাই।

**Re : Post of L.D.A. In Assam Secretariat**

112. Shri Binai Khungur Basumatari, M.L.A. asked :
Will the Chief Minister be pleased to state :

(a) Whether it is a fact that the Personnel Department has advartised calling applications for the post of LDAs in the Assam Secretariat ?

(b) If so, the total number of vacancies ?

(c) Is it a fact that the number of vacancies have been reviewed ?

(d) Is it true, that the knowledge of Assamese is a pre–requisite for these posts ?

(e) If so, what will be the fate of willing applicants from the Hill areas, Cachar district and those who have studied in Bodo medium schools ?

(f) Whether, the number of vacancies for Scheduled Castes and Tribes have been earmarked ?

(g) Whether the backlog in the reserved posts will be considered while the appointments are made ?

(h) In what stage is the recruitment process now ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মাননীয় মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) বৰ্ত্তমান খালি পদৰ সংখ্যা প্ৰায় ২০০ (দুশ) ।

(গ) খালি পদৰ সংখ্যা সময়ে সময়ে পৰিবৰ্ত্তন হৈ থাকে, কিয়নো এইটো নতুন পদৰ সৃষ্টি আৰু পদোন্নতি আদিৰ লগত ওতঃপ্ৰোত ভাবে জড়িত ।

(ঘ) আৰু (ঙ) ১৯৭০ চনৰ চৰকাৰী ভাষা নিয়মাৱলী মতে সচিবালয়ত কাম কৰিব খোজা সহায়ক পদৰ প্ৰাৰ্থীসকলৰ অসমীয়া ভাষাৰ জ্ঞানৰ আৱশ্যক ।

(চ) হয়, অসম অনুসূচীত জনজাতি আৰু অনুসূচীত জাতি ১৯৭৮ চনৰ আইন আৰু ১৯৮৩ চনৰ বিধি (সেৱা আৰু পদ খালিৰ সংৰক্ষণ) অনুসৰি খালি পদ তেওঁলোকৰ বাবে সংৰক্ষণ কৰা হয় ।

(ছ) হয়, যদিহে আৱশ্যকীয় সংখ্যক উপযুক্ত প্ৰাৰ্থী নিৰ্ব্বাচিত হয় ।

(জ) লিখিত পৰীক্ষা সম্পন্ন হৈছে আৰু ইয়াৰ ফলাফলৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হৈছে ।

**Subject : Function of Minority Development Board.**

113. Shri Altaf Hussain Mazumdar, M.L.A. asked

Will the Chief Minister be pleased to state :

(a) The purpose and functions of the Minority Development Board ?

(b) Whether the Minority Board has taken up any scheme for the Welfare and Development of the Minorities ?

(c) Whether any Budget has been provided for the Minority Development Board and if so the total amount ?

(d) The staffing pattern of this Minority Board ?

Shri Profulla Kumar Mahanta, (Chief Minister, Assam) replied :

(a) The Assam Minorities Development Board was set up to promote the Socio-Economic conditions of the Minorities and to advise the Government on the implementation of the 15-Point guidelines suggested by Late Prime Minister for the welfare of the Minorities.

(b) At present the Board is mainly reviewing and advising Government. Taking up of specific schemes is under consideration.

(c) Yes. Rs. 1,00,000/-(one Lakh) has been alloted up to 31.3.87 as grants-in-aid.

(d) The staffing pattern consists of one Director of ACS Sr. Grade, one Steno Grade-III, one L.D.A. and Two peons for the present.

**Re : Absence of Additional Director, Publicity for duty.**

114. Shri Shio Shambhu Ojha, MLA asked :

Will the Chief Minister be pleased to state :

a) Whether is it a fact that an Additional Director, Publicity were absent for the last 13 months ?

b) If so, his Headquarter and who has been attending his duties ?

c) Whether the said post has since been abolished or not ?

(d) If yes how he is functioning ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) নহয়

খ) প্ৰশ্ন নুঠে ।

গ) প্ৰশ্ন নুঠে ।

ঘ) প্ৰশ্ন নুঠে ।

**Sub : Imposition of Tax.**

115. Shri Karnendu Bhattacharjee, asked :

Will the Minister, Municipal Administration be pleased to state ?

a) The reasons for imposing a high rate of betterment tax by the Municipality on domestic water supply at Silchar and whether the matter is within the knowledge of the Government ?

b) Whether the Government is also aware of the strong public reaction imposition high rate of taxes ?

c) If so, what measures the Govt. propose to do in this regards ?

Shri Sahidul Alam Chowdhury (Minister, Municipal Administration) replied :

a) Betterment tax is imposed in lieu of facilities rendered by way of supplying piped water by the Municipal Board with approval of Government.

b) Yes.

c) The Municipal Board is competent to impose such levy under the provisions of Assam Municipal Act and Govt. does not consider the levy rates unreasonable.

**বিষয় ঃ অনুদান বিতৰণ ।**

১১৬ । শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মাধ্যমিক শিক্ষা শিতানৰ ১৯৮৫-৮৬ বছৰত বিতৰণ কৰিবলগীয়া

এককালিন অনুদান বিতৰণ নোহোৱাকৈ পৰি থকাটো সত্যনে ?

(খ) যদি সত্য, কি কাৰণত বিতৰণ কৰা হোৱা নাই আৰু অনতি-পলমে বিতৰণৰ ব্যৱস্থা চৰকাৰে লবনে ?

(গ) সঞ্চালক আৰু মন্দস সমূহত এককালিন অনুদানৰ বৰ্ত্তমানলৈকে বিতৰণ নোহোৱাকৈ পৰি থকা টকাৰ পৰিমান কিমান ?

('তাৰ এখন তালিকা দিয়ে যেন)'

(ঘ) চলিত বিত্তীয় বছৰৰ ভিতৰতে বিতৰণৰ কাম সম্পূৰ্ণ হবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) অনুদান বিতৰণৰ বাবে বিদ্যালয়ৰ তালিকা প্ৰস্তুত কৰা হৈছে। আৰু তালিকা চূড়ান্ত হলেই বিতৰণৰ ব্যৱস্থা লোৱা হব।

(গ) ১৯৮৫-৮৬ চনৰ পৰা বৰ্ত্তমানলৈকে বিতৰণ নোহোৱাকৈ থকা টকা তলত দিয়া ধৰণৰ—

(ঘ) চলিত বিত্তীয় বছৰৰ ভিতৰত কামটো সম্পূৰ্ণ কৰাব বাবে চেষ্টা কৰা হৈছে।

| | | | | |
|---|---|---|---|---|
| পৰিদৰ্শকালয়ত | ১৯৮৫-৮৬ | মুঠ | ২৯.৫০ | লাখ |
| সঞ্চালকালয়ত | ১৯৮৫-৮৬ | মুঠ | ৪২.১০ | ,, |
| | ১৯৮৫-৮৭ | মুঠ | ৫৮.৬০ | ,, |

**পৰিপূৰক টোকা**

১। ১৯৮৫-৮৬ চনত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবে থকা বিভিন্ন অনুদানবোৰ আছিল গৃহ নিৰ্ম্মাণ, বিজ্ঞান, ছাত্ৰীৰ জিৰণী কোঠা, পুথি যোগানৰ ক্ষেত্ৰত। ভৈয়াম জনজাতি অঞ্চলৰ অনুদানবোৰ আছিল— গৃহ নিৰ্ম্মাণ, ছাত্ৰীৰ জিৰণি কোঠা, পুথি যোগান, কোচিং ক্লাচ আৰু অনু-সুচিত জনজাতিৰ অনুদানবোৰ আছিল— গৃহ নিৰ্ম্মাণ, বিজ্ঞান, পুথি, সাজ-পোছাক, শিক্ষা মূলক ভ্ৰমণ, খোৱা পানী ও শৌচাগাৰ, নিয়মীয়া উপস্থিতি ইত্যাদি।

২। বিতৰণ নোহোৱাকৈ থকা টকাৰ বিতং হিচাব লগত গাঁঠি দিয়া তালি-কাত দেখুওৱা হৈছে—

১। পৰিদৰ্শকালয়

১৯৮৫-৮৬

'ক'

| পৰিদৰ্শক | গৃহ নিৰ্ম্মাণ ১০'০০ লাখ | বিজ্ঞানৰ অনুদান ১৫'০০ লাখ | ছোৱালী জিৰণী কোঠা ৪'৫০ |
|---|---|---|---|
| কামৰূপ | ১'৯০ | ২'০০ | ০'৬০ |
| বৰপেটা | ০'৬০ | ১'০০ | ০'৩০ |
| গোৱালপাৰা | ০'৪০ | ০'৮০ | ০'৩০ |
| ধুবুৰী | ০'৫০ | ০'৮০ | ০'৩০ |
| কোকৰাঝাৰ | ০'৪০ | ০'৮০ | ০'৩০ |
| শোনিতপুৰ | ০'৬০ | ১'০০ | ০'৩০ |
| দৰং | ০'৬০ | ০'৯০ | ০'৩০ |
| লক্ষীমপুৰ | ০'৫০ | ০'৮০ | ০'৩০ |
| ডিব্ৰুগড় | ১'০০ | ১'৩০ | ০'৩০ |
| যোৰহাট | ০'৮০ | ১'১০ | ০'৩০ |
| শিৱসাগৰ | ০'৪০ | ০'৮০ | ০'৩০ |
| নগাঁও | ১'২০ | ১'৮০ | ০'৩০ |
| কাছাৰ | ০'৮০ | ১'১০ | ০'৩০ |
| কৰিমগঞ্জ | ০'৩০ | ০'৮০ | ০'৩০ |
| | ১০'০০ | ১৫'০০ | ৪'৫০'০০০ |

২। সঞ্চালকালয়-১৯৮৫-৮৬

'খ'

| | |
|---|---|
| হাইস্কুল, গৃহ নিৰ্ম্মাণ/উচ্চতৰ মাধ্যমিক | ১'০০ লাখ টকা |
| উঃ মাঃ বিদ্যালয়ৰ গৃহ নিৰ্ম্মাণ | ৮'১০ " " |
| ভৈয়াম জনজাতি | ১৫'০০ " " |
| অনুসূচিত জনজাতি | ১৮'০০ " " |

১৯৮৬-৮৭

'গ'

| | |
|---|---|
| উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণ | ৫·০০ লাখ টকা |
| হাইস্কুলৰ গৃহ নিৰ্ম্মাণ | ৫·০০ ,, ,, |
| উ : মা: স্কুলৰ বিজ্ঞান | ৪·৬০ ,, ,, |
| হাইস্কুলৰ পুথি | ২·০০ ,, ,, |
| চাহ বাগিছা অঞ্চলৰ | ১·০০ ,, ,, |
| চৰ অঞ্চলৰ হাইস্কুলৰ গৃহ নিৰ্ম্মাণ | ১·০০ ,, ,, |
| ভৈয়াম জনজাতি | ১৮·০০ ,, ,, |
| অনুসূচিত জনজাতি | ২২·০০ ,, ,, |

**বিষয় : তেল শোধনাগাৰ স্থাপন।**

১১৭। শ্ৰীৰামেন্দ্ৰ দে জিজ্ঞাসা করেছেন

মাননীয় মুখ্যমন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ?

(ক) আসাম রাজ্যের অর্থনৈতিক ও কৰ্ম্মসংস্থানের প্রশ্নে আসাম ৰাজ্যে তেল শোধনাগার স্থাপনের কথা আসাম চুক্তিতে উল্লেখিত ছিল ?

উল্লেখিত তেল শোধনাগারের কাজ সরকার কতটুকুতরাম্বিত করেছেন ?

(খ) কেন্দ্ৰীয় সরকার এ ব্যাপারে কতটুকু বাস্তব পদক্ষেপ গ্রহণ করেছেন ?

(গ) প্রস্তাবিত তেল শোধনাগার ব্যক্তিগত মালিকায় পরিচালিত হবে বলে রাজ্য সরকার কেনে প্রস্তাব কেন্দ্ৰীয় সরকারের নিকট করেছেন কি ?

(ঘ) এ ব্যাপারে কেন্দ্ৰীয় সরকারের মনোভাব কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) তেলশোধনাগাৰ স্থাপনৰ বাবে প্ৰয়োজনীয় সম্ভৱনীয়তা প্ৰতিবেদন তৈয়াৰ (Feasibility Report) কৰিবৰ বাবে অসম চৰকাৰে ইঞ্জিনীয়াচ ইণ্ডিয়া লিমিটেডক পৰামৰ্শদাতা (Consultant) হিচাবে নিয়োগ কৰিছে আৰু তেওঁলোকে মে' মাহৰ ভিতৰতে সেই প্ৰতিবেদন দাখিল কৰিব।

(খ) ব্যক্তিগত খণ্ডত শোধনাগাৰ স্থাপনৰ বাবে প্ৰয়োজনীয় সকলোধৰণৰ

সাহাৰ্য্য বিশেষকৈ আনুষ্ঠানিক আৰু বেংকৰ বিত্ত সাহাৰ্য্য (Institutional and Bank Finance) দিবৰ বাবে কেন্দ্ৰীয় চৰকাৰ সন্মত আছে।

(গ) কৰা হোৱা নাই।

(ঘ) কেন্দ্ৰীয় চৰকাৰে নতুন শোধনাগাৰটো ব্যক্তিগত বা যুটীয়া খণ্ডত কৰিব পাৰে বুলি মত প্ৰকাশ কৰিছে।

**Sub : Teachers of Kharupetia H.S. School.**

118. Shri Abdul Jabbar M.L.A. Asked,

Will the Minister, Education be pleased to state ?

(a) How many posts of subject teachers in H. S. Section of Kharupetia H.S. School are lying vacant ?

(b) For how long they are lying vacant ? (kindly furnish the period subject-wise)

(c) Why those posts could not be filled up ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) তিনিটা।

(খ) ১। ইংৰাজীৰ এটা পদ যোৱা এবছৰ তিনিমাহ।

২। অংকৰ এটা পদ যোৱা এবছৰ আঠমাহ।

৩। ৰাসায়ণ বিজ্ঞানৰ এটা পদ এবছৰ পাচ মাহ।

(গ) অৰ্হতা সম্পন্ন প্ৰাৰ্থী নোপোৱাৰ বাবেই পূৰণ কৰিব পৰা হোৱা নাই।

**বিষয় : চিন্তা মনি গড়**

১১৯। শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে :

মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) আমগুৰি সমষ্টিৰ উত্তৰ ভাগত থকা ঐতিহাসিক চিন্তামনি গড়টোৰ বিষয়ে চৰকাৰ অবগতনে ?

খ) যদি অবগত বৰ্ত্তমানে গড়টোৰ অৱস্থা কেনে ?

গ) চৰকাৰে ইয়াৰ ৰক্ষণা-বেক্ষণৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয় ।

খ) গড়টোৰ অৱস্থা জৰা-জীৰ্ন হৈছে ।

গ) গড় বোৰৰ সংৰক্ষণৰ বাবে চৰকাৰে এখন আচঁনি কৰিছে আৰু চিন্তামনি গড় পৰ্যায়ক্ৰমে লোৱা হব ।

**বিষয় : অনুপ্ৰবেশকাৰীৰ বিৰুদ্ধে গোচৰ ।**

১২ শ্ৰীমজিৰুদ্দিন আহমেদে সুধিছে :

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৬৬ চনৰ পৰা ১৯৭১ চনলৈকে বাংলাদেশী অনুপ্ৰবেশকাৰী কিমান ব্যক্তিৰ বিৰুদ্ধে গোৱালপাৰা Tribunal ত যোৱা এৰছৰে গোচৰৰ বিচাৰ হ'ল ?

খ) আদালতৰ ৰায়মতে কিমানজন ব্যক্তিক উক্ত সময় সীমাৰ ভিতৰত অহা বুলি প্ৰমাণিত হ'ল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) যে উত্তৰ দিছে :

ক) গোৱালপাৰাত বিদেশী ন্যায়াধীকৰণ নাই, কিন্তু এই জিলা ধুবুৰী ন্যায়াধীকৰণৰ অন্তৰ্গত । যোৱা এৰছৰত এই জিলাৰ মুঠ ১১৮ টা গোচৰ বিচাৰ কৰা হয় ।

খ) ধুবুৰী বিদেশী ন্যায়াধীকৰণৰ ৰায়মতে ১২৬ জন ব্যক্তি গোৱালপাৰা জিলাত উক্ত সময় সীমাৰ ভিতৰত অহা বুলি প্ৰমাণিত হয় ।

**বিষয় : বুনিয়াদী পাঠৰ লিখক ।**

121. Shri Girindra Kumar Barua, asked :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) স্নাতক মহলাৰ বুনিয়াদী পাঠ 'দুয়োখন বিশ্ববিদ্যালয়ৰে' কিতাপৰ লিখক সকল কোন কোন ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

**গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুনিয়াদী পাঠৰ লিখক সকল :**

১নং খন্দ ভাৰতৰ সাংস্কৃতিক পৰম্পৰা—

ডঃ আনন্দ চৰণ ভাগৱতী— 'অসমীয়া অনুবাদ'

২নং গোট খন্দ ভাৰতত স্বাধীনতা সংগ্ৰাম—

অধ্যক্ষ সদানন্দ চলিহা— 'অসমীয়া অনুবাদ নিজৰে'

৩নং গোট খন্দ বিজ্ঞান আৰু সমাজ—

১ ডঃ ভূবন মোহন দাস 'অসমীয়া অনুবাদ নিজৰে'

২ ডঃ কিশোৰী মোহন দাস
৩। ডঃ শৰৎ কুমাৰ বৰুৱা
— অসমীয়া অনুবাদ অধ্যাপক সত্যেন্দ্ৰ প্ৰসাদ বৰুৱা।

৪ ডঃ হীৰালাল দুৱৰা
৫। ডঃ মঃ তাহেৰ
— অসমীয়া অনুবাদ নিজৰে।

৪নং গোট খন্দ ভাৰতীয় নাগৰিকত্বৰ আদৰ্শ আৰু জাতীয়া সংহতি

শ্ৰীদীনেশ চন্দ্ৰ বৰুৱা 'অসমীয়া অনুবাদ ডঃ বীৰেন্দ্ৰ নাথ দত্ত'

**ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুনিয়াদী পাঠৰ শিক্ষক সকল :**

১। ডঃ আৰ চি দাস

২ এম এন দাস

৩. কুটুবুদ্দিন আহমেদ

৪। ডিম্বেশ্বৰ চলিহা

৫। ডঃ প্ৰহ্লাদ বৰুৱা।

**বিষয় : পলিটেক্নিকত চিকিৎসক নিয়োগ।**

১২২। শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা, বিধায়কে সুধিছে :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) পলিটেকনিক সমূহত স্থায়ীভাৱে চিকিৎসক নিয়োগ কৰা হয় নেকি ?

খ) যদি নিয়োগ কৰা হয়, চিকিৎসকে চৰকাৰী বাসভৱনত থকাৰ সুবিধা পায় নেকি ?

গ) যদিহে চৰকাৰী বাসভৱনত থকাৰ সুবিধা দিয়া হয়, তেন্তে অসমৰ কোন কোন পলিটেক্‌নিকত বৰ্ত্তমান চিকিৎসকৰ বাবে চৰকাৰী বাসভৱন দিয়া হৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) কিছুমানত হয় ।

খ) পায় ।

গ) প্ৰিন্স অৱ ওৱেলচ্‌ আৰু অসম ইঞ্জিনিয়াৰিং ইন্‌ষ্টিটিউটত ।

**বিষয় : বিহপুৰীয়াত নতুন মহকুমা ।**

১২৩। শ্ৰীকেশৰাম বৰাই সুধিছে :

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) লক্ষীমপুৰ জিলাৰ অন্তৰ্গত বিহপুৰীয়াত এটি নতুন মহকুমা গঠন কৰাৰ বিষয়ে চৰকাৰে কিবা সিদ্ধান্ত লৈছেনে ?

খ) যদি লৈছে, এইটো কেতিয়ালৈ কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰা হ'ব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) লক্ষীমপুৰ জিলাৰ বিহপুৰীয়াত এটা মহকুমা গঠন কৰাৰ প্ৰস্তাৱ পোৱা হৈছে আৰু প্ৰস্তাৱটো বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

খ) প্ৰশ্ন নুঠে ।

**বিষয় : লোক পিয়ল ।**

১২৪। শ্ৰীআব্দুল জলিল ৰাগিৰিয়ে সুধিছে :

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত লোক পিয়ল কেতিয়া হ'ব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) অসমত লোক পিয়ল কেতিয়া হব সেই সম্পৰ্কে একো সিদ্ধান্ত হোৱা নাই।

**বিষয় : ইংৰাজী মাধ্যমৰ স্কুল।**

১২৫। শ্ৰীৰ'ত্নেশ্বৰ চৰকাৰে সুধিছে।

শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমতব্যাপক ভাৱে ইংৰাজী মাধ্যমৰ বিদ্যালয় খুলি থকা সম্পৰ্কে চৰকাৰে জ্ঞাতনে ?

খ) এই বিদ্যালয় সমূহ হোৱাৰ ফলত অসমীয়া মাধ্যমৰ বিদ্যালয় বিলাকৰ কিবা অসুবিধা হৈছেনে ?

গ) শিক্ষা বিভাগে ইংৰাজী মিডিয়ামৰ বিদ্যালয়বোৰ বন্ধ কৰি দিয়াৰ বা চৰকাৰৰ অধীনত অনাৰ কোনো কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) এনে স্কুল খোলা বিষয়ে চৰকাৰ জ্ঞাত।

খ) এনে স্কুল হোৱাৰ ফলত অসমীয়া মাধ্যমৰ বিদ্যালয়ত নাম ভৰ্ত্তিৰ ক্ষেত্ৰত প্ৰভাৱ পেলাইছে।

গ) এতিয়ালৈকে এনে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।

**বিষয় : শিক্ষাবিদক লৈ কমিটি গঠন।**

১২৬। শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) শিক্ষা মন্ত্ৰী মহোদয়ে প্ৰত্যেক বিধায়কৰ পৰা পাচজনকৈ শিক্ষাবিদৰ নাম খুজি পঠোৱাটো সঁচানে ?

খ) যদি সঁচা, বিধায়কৰ পৰা শিক্ষাবিদৰ নাম পোৱাৰ পিচত উক্ত শিক্ষাবিদ সকলৰ দ্বাৰা কোনো কমিটি আদি গঠন কৰা হ'ল নেকি ?

গ) এইটো কথা সচানে শিক্ষা মন্ত্ৰী মহোদয়ে বিধায়ক সকলৰ পৰা গৃহ নিৰ্মানৰ বাবে লোৱা প্ৰাথমিক বিদ্যালয়ৰ নামৰ তালিকা খুজি পঠাইছিল ?

ঘ) যদি সঁচা, বিদ্যালয় সমূহৰ নামৰ তালিকা পোৱাৰ পিচত গৃহ নিৰ্মানৰ বাবে তালিকা ভূক্ত বিদ্যালয় সমূহলৈ সাহাৰ্য্য আগবঢ়োৱা হৈছেনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়।

খ) নাই হোৱা।

গ) সঁচা।

ঘ) ব্যৱস্থা লোৱা হৈছে।

বিষয় : গ্ৰন্থ গাৰিকৰ বেতন।

Shri Gunin Hazarika asked :

১২৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ নিৰ্দ্ধাৰিত বেতন চৰকাৰে নীতিগত ভাবে মানি লোৱাৰ পিচতো অসমৰ মহাবিদ্যালয় সমূহৰ গ্ৰন্থাগাৰিক সকলৰ বেতন আজিকোপতি কাৰ্য্যকৰী নোহোৱাৰ কাৰণ কি ?

খ) ভাৰত চৰকাৰৰ শিক্ষা দপ্তৰৰ উপ সচিবে দিয়া No. FG. 20011/8/85 U. I. New Delhi the 7th October 1985 পত্ৰ অনুসৰি মঞ্জুৰীৰ আৱশ্যকীয় তথ্যপাতি বিচৰা স্বত্বেও শিক্ষা সচিবালয়ে এই গুৰুত্বপূৰ্ণ চিঠি খনৰ কোনো ব্যৱস্থা নোলোৱাটো সঁচানে ?

গ) যদি সঁচা চৰকাৰে এই বিষয়ে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে।

ক) চৰকাৰে এতিয়ালৈকে নীতিগত ভাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দ্ধাৰিত বেতন গ্ৰন্থগাৰিসকলক দিব লাগে বুলি সিদ্ধান্ত লোৱা নাই।

খ) সঁচা নহয়।

গ) ওপৰৰ প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিত প্ৰশ্ন নুঠে।

## বিষয়: ভুৱনেশ্বৰী মন্দিৰ

শ্ৰীগুনীন হাজৰিকাই সুধিছে:

১২৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) তীৰ্থযাত্ৰী পৰ্যটক শিক্ষাৰ্থী সকলক আকৰ্ষণ কৰাকৈ প্ৰাকৃতিক দৃশ্যৰে মনোৰম ভুৱনেশ্বৰী মন্দিৰৰ কাষৰ দ্বাৰভাঙ্গাৰ মহাৰাজৰ পৰিত্যক্ত ঘৰটি যাদুঘৰ কৰিবলৈ লোৱা ব্যৱস্থা বৰ্ত্তমান কেনে পৰ্য্যায়ত আছে?

(খ) ৰাজ্যিক সংগ্ৰহালয় সঞ্চালকালয়ে তাত এতিয়ালৈকে কিমান টকা ব্যয় কৰিলে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ঘৰটো আৰক্ষী বিভাগৰ দখলত থকা হেতুকে সংগ্ৰহালয় স্থাপনৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিব পৰা নাই।

(খ) ব্যয় কৰা টকাৰ পৰিমান এনে ধৰণৰ:

| | |
|---|---|
| ১) দ্বাৰভাঙ্গা মহাৰাজাৰ ঘৰ মেৰামতি কৰা বাবদ মুঠ | ২৯,৩৮০, |
| ২) শিলৰ মূৰ্ত্তি সংগ্ৰহ কৰাৰ বাবদ | ১০,০০০, |
| মুঠ— | ৩৯,৩৮০, |

## বিষয়: কীৰ্ত্তি চিহ্ন সংৰক্ষণ

শ্ৰীকমলা কলিতাই সুধিছে:

১২৯। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে জনাবনে:

(ক) অসমৰ কীৰ্তি-চিহ্ন সমূহ সংৰক্ষণৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

(খ) ছয়গাওঁ চম্পক নগৰৰ 'চান্দ সদাগৰৰ' মেৰঘৰৰ সংৰক্ষণৰ ব্যৱস্থা লৈছে নে?

(গ) যদি লোৱা নাই চান্দ সদাগৰৰ মেৰঘৰৰ সংৰক্ষণ কৰিবলৈ চৰকাৰে ব্যৱস্থা লবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসমৰ কীৰ্ত্তি-চিন সমূহ চৰকাৰে পৰ্য্যায়ক্ৰমে সংৰক্ষণ কৰি আহিছে। প্ৰাচীন কীৰ্তি-চিন সমূহৰ প্ৰাচীন ৰূপ যিমান দূৰ পাৰি অপৰিৱৰ্তিত ৰাখি এইবোৰৰ মেৰামতি আৰু পাৰিবাশিক সৌন্দৰ্য্য-বৰ্দ্ধনৰ কাম চৰকাৰে কৰি আহিছে।

(খ) হয় লৈছে।

(গ) প্ৰশ্ন নুঠে।

বিষয়—প্ৰাথমিক বিদ্যালয়ৰ ঘৰ নিৰ্মাণ।

শ্ৰীমুক্তাৰ হুছেইনে সুধিছে :

১৩০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৬-৮৭ চনৰ বিত্তীয় বছৰত ৮ম, বিত্তীয় আয়োগৰ টকাৰে অসমৰ কেইখন প্ৰাথমিক বিদ্যালয় পকী ঘৰ সজাৰলৈ সিদ্ধান্ত লৈছে ?

(খ) এই বছৰ বৰপেটা জিলাৰ কিমানটা প্ৰাথমিক বিদ্যালয়ৰ পকীঘৰ সজাৰ সিদ্ধান্ত লোৱা হৈছে ? 'বিধান সভা সমষ্টি ভিত্তিক পৰিসংখ্যা দিব'

(গ) উক্ত বিদ্যালয় সমূহ সজাৰ দায়িত্ব কোন বিভাগক দিয়া হৈছে ?

(ঘ) উক্ত বিভাগে বিদ্যালয় সমূহ সজাৰ কাম কেতিয়াকৈ সম্পূৰ্ণ হব ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৭৯২ খন স্কুল ঘৰ। ৮ম বিত্তীয় আয়োগৰ ৮০৬·৩৮ লাখ টকা আৰু ৰাজ্য চৰকাৰৰ ১২১০ লাখ টকাৰে মুঠতে এই বছৰ ৩৩০২ খন প্ৰাথমিক স্কুল ঘৰ সাজিবলৈ সিদ্ধান্ত লোৱা হৈছে।

(খ) ২০০ খন। বিধান সভা সমষ্টি ভিত্তিত পৰিসংখ্যা তলত দিয়া ধৰণৰ।

| | | |
|---|---|---|
| ১। | বৰপেটা | ৩৬ খন |
| ২। | ভৱানীপুৰ | ৩৮ ,, |
| ৩। | পাটাছাৰকুছি | ৩৮ ,, |
| ৪। | সৰভোগ | ১৪ ,, |

| | | |
|---|---|---|
| ৫। | চেঙা | ১২ খন |
| ৬। | সরুক্ষেত্ৰী | ৩৮ „ |
| ৭। | বাঘবৰ | ১২ „ |
| ৮। | জনীয়া | ১২ „ |
| | | ২০০ খন |

(গ) দায়িত্বৰ মূলত স্কুলৰ পৰিচালনা সমিতিৰ। এনে প্ৰতি বিদ্যালয়ৰ বাবে এখন ৫ জনীয়া তদাৰক কমিটিও কাম চোৱা চিতাৰ বাবে থাকিব।

(ঘ) নিৰ্দ্দিষ্টকৈ এতিয়াই ক'ব পৰা হোৱা নাই।

বিষয়: ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম।

শ্ৰীকিৰন কুমাৰ গগৈয়ে সুধিছে:

১৩১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় বিশ্ববিদ্যালয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত পেট্ৰোলিয়ামৰ বিষয়টি ডিপ্লমা নে ডিগ্ৰী পৰ্য্যায়ত অধ্যয়নৰ ব্যৱস্থা আছে ?

(খ) যদি ডিপ্লমা ব্যৱস্থাহে আছে, তেন্তে বিষয়টিৰ উপযোগিতা আৰু অসমৰ বৃহৎ স্বাৰ্থলৈ লক্ষ্য ৰাখি ডিগ্ৰী পৰ্য্যায়ত অধ্যয়নৰ ব্যৱস্থা কৰাৰ কথা চৰকাৰে বিবেচনা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ডিপ্লমা পৰ্য্যায়ৰ।

(খ) বিষয়টো বিবেচনাধীন হৈ আছে।

বিষয়: শিক্ষকৰ পুনৰ নিযুক্তি।

শ্ৰীমকবুল হুছেইনে সুধিছে:

১৩২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) স্থায়ী পদত এডহক ভিত্তিত নিযুক্তি পাই কাম কৰি থকা শিক্ষক সকলক উক্ত চাকৰিত বাহাল ৰাখিবলৈ চৰকাৰে নিৰ্দ্দেশ দিছে নেকি ?

(খ) যদি দিছে, তেন্তে যি সকল তেনে শিক্ষকক উক্ত নিৰ্দ্দেশ পোৱাৰ আগতেই বিভাগীয় কর্তৃপক্ষই চাকৰিৰ পৰা অব্যাহতি 'Release' দিছে, সেই শিক্ষকক পুনৰ কামত যোগদান দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

(গ) যদি কৰে কোকৰাঝাৰ জিলাৰ 'DEEO' ক তেনেকৈ অব্যাহতি দিয়া শিক্ষকক পুনৰ কামত যোগদান দিয়াৰ বাবে নিৰ্দ্দেশ দিয়া হবনে ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) নাই দিয়া ।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

বিষয় : সাপটগ্ৰাম পৌৰ সভা

শ্ৰীইউছুফ আলী আহমেদে সুধিছে :

১৩৩। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সাপটগ্ৰাম পৌৰ সভাখন ধুবুৰী আৰু কোকৰাঝাৰ জিলাত আছে বুলি চৰকাৰে জানেনে ?

(খ) ১ নং ওৱাৰ্ডটো গোসাই গাওঁ থানা তথা কোকৰাঝাৰ জিলাৰ অন্তভুক্ত হোৱাত চৰকাৰী প্ৰশাসনৰ অসুবিধা হৈছে বুলি ভাবেনে ?

(গ) যদি ভাবিছে তেন্তে গোটেই চহৰটো ৰাইজৰ চাহিদা অনুসাৰে ধুবুৰী জিলাৰ অন্তভুক্ত কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) মহোদয়ে উত্তৰ দিছে :

(ক) এই বিষয়ে চৰকাৰ অৱগত ।

(খ) সাপটগ্ৰাম টাউন কমিটিৰ ১ নং ওৱাৰ্ডটো কোকৰাঝাৰ জিলাৰ গোসাইগাওঁ মহকুমাত অন্তৰ্ভুক্ত থকাত কোনো প্ৰশাসনীয় অসু-বিধা হোৱাৰ তথ্য চৰকাৰৰ গোচৰত অহা নাই ।

(গ) যদিও চৰকাৰৰ গুচৰত কোনো প্ৰশাসনীয় অসুবিধাৰ গোচৰ নাই তথাপি এই অঞ্চলটো ধুবুৰী বা কোকৰাঝাৰ জিলাৰ লগতে চামিল কৰাৰ বাবে পোৱা আবেদন সমূহ পৰীক্ষা কৰি চাবৰ কাৰণে নামনি অসমৰ আয়ুক্তক সভাপতি হিচাবে লৈ এখন কমিটি গঠন কৰা হৈছে। বৰ্ত্তমানে বিষয়টো উক্ত কমিটিৰ পৰীক্ষাধীন হৈ আছে।

## বিষয় : কলেজ শিক্ষকৰ চাকৰি

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে :

১৩৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৭৯ চনত যিবোৰ কলেজ ঘাটি মঞ্জুৰী 'deficit' কৰা হ'ল তাৰ শিক্ষক সকলৰ চাকৰি Regularised কৰাৰ বাবে চৰকাৰে চিন্তা কৰিছে নেকি ?

(খ) এই কলেজ শিক্ষক সকলৰ Provident Fund আৰু Gratuity Grant দিয়াৰ ক্ষেত্ৰত কিবা চিন্তা কৰিছে নেকি ?

(গ) যদি কৰা নাই চৰকাৰে অতি সোনকালে ইয়াৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় কৰিছে।

(খ) শিক্ষকৰ চাকৰি নিয়মীয়া কৰিব পাৰিলেহে Provident Fund খোলাৰ ব্যৱস্থা কৰিব পৰা যায়। Gratuity দিয়াৰ সন্দৰ্ভত এতিয়াও একো সিদ্ধান্ত চৰকাৰে লোৱা নাই।

(গ) খ প্ৰশ্নৰ পৰিপ্ৰেক্ষিত প্ৰশ্ন নুঠে।

## বিষয় : কহলি আয়োগৰ প্ৰতিবেদন

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে :

১৩৫ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৭৪ চনত গঠন কৰা কহলি আয়োগৰ প্ৰতিবেদন কি আছিল ?

(খ) জিলা আৰু মহকুমা গঠনৰ ক্ষেত্ৰত এই প্ৰতিবেদন কিমান দূৰ মনা হৈছে ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্যমন্ত্ৰী) মহোদয়ে উত্তৰ দিছে :

(ক) ১৯৭৪ চনত গঠন কৰা কহলি আয়োগৰ প্ৰতিবেদনত, প্ৰশাসনৰ সুবিধাৰ্থে ৰাজ্যৰ জিলা আৰু মহমা সমূহ পুনৰ গঠন কৰি নতুন জিলা আৰু মহকুমা গঠনৰ বাবে সুপাৰিশ কৰা আছিল।

(খ) ১৯৭৪ চনত গঠন কৰি দিয়া কহলি আয়োগৰ প্ৰতিবেদনখন ১৯৭৬ চনত শ্ৰী এচ এম এল ভাটনগৰকৈ গঠিত ৱৰ্কিং কমিটি আৰু মন্ত্ৰী মণ্ডলৰ ১৯৭৭ চনত এটি উপকমিটিয়ে পৰীক্ষা কৰি কিছু সংশোধনী আগবঢ়াই।

২২-১২-৭৭ তাৰিখে বহা মন্ত্ৰীমণ্ডলৰ এখন সভাই কহলি কমিটি, ৱৰ্কিং কমিটি আৰু মন্ত্ৰী মণ্ডলৰ উপ-কমিটিৰ প্ৰতিবেদন বিবেচনা কৰি ৰাজ্যত ১২ টা মহকুমা গঠনৰ সিদ্ধান্ত লয়। এই সভাতে চৰকাৰৰ আৰ্থিক অৱস্থা আৰু লাগতিয়াল কৰ্মচাৰী আদি পোৱাৰ সাপেক্ষে মহকুমা কেইখনক জিলালৈ ৰূপান্তৰিত কৰাৰ বাবেও বিহিত ব্যৱস্থা লবলৈ সিদ্ধান্ত লোৱা হয়।

২২-১২-৭৮ তাৰিখৰ মন্ত্ৰী মণ্ডলৰ সিদ্ধান্ত অনুসৰি ১৯৭৯ ফেব্ৰুৱাৰী মাহত সদিয়া, মাজুলি আৰু জোনাই মহকুমা গঠন কৰা হয়।

৪-৬-৮৩, ২১-৬-৮৩ আৰু ২৩-৭-৮৩ তাৰিখৰ মন্ত্ৰী মণ্ডলৰ সভাত কিছু সংশোধনীৰে তলত দিয়া মহকুমা আৰু জিলা গঠনৰ সিদ্ধান্ত লোৱা হয়।

<u>মহকুমা</u>

(১) ওডালগুৰি (২) বিশ্বনাথ চাৰি আলি (৩) চৰাইদেউ (৪) গোসাই গাওঁ (৫) উত্তৰ শালমাৰা (৬) দক্ষিণ শালমাৰা মানকাচাৰ (৭) হোজাই (৮) বঙিয়া।

<u>জিলা</u>

(১) শিৱসাগৰ (২) দৰং (৩) বৰপেটা (৪) কৰিমগঞ্জ (৫) কোকৰাঝাৰ (৬) গোৱালপাৰা।

এই মহকুমা আৰু জিলা সমূহে ক্ৰমান্বয়ে ১৫-৮-৮৩ আৰু ১-৭-৮৩ চনৰ পৰা কাৰ্য্য নিৰ্বাহ কৰি আছে।

২৩-১-৮৪ তাৰিখে বহা মন্ত্ৰী মণ্ডলৰ সভাৰ সিদ্ধান্ত মৰ্ম্মে ২৮-২-৮৪ তাৰিখৰ পৰা প্ৰাগজ্যোতিষপুৰ জিলাই কাৰ্য্যনিৰ্ব্বাহ কৰি আছে।

মন্ত্ৰী মণ্ডলৰ ১৭-৭-৮৫ তাৰিখৰ সিদ্ধান্ত অনুসৰি নলবাৰী জিলাই ১৪-৮-৮৫ তাৰিখৰ পৰা কাৰ্য্য নিৰ্বাহ কৰি আছে।

**বিষয়: সাহিত্য সভালৈ চৰকাৰী অনুদান**

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে:

১৩৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসম সাহিত্য সভাক ১৯৮৩-৮৬ চনলৈকে কিমান চৰকাৰী অনুদান আগবঢ়ালে? ('কোন বছৰত কিমান দিজে দেখুৱাই দেন')

(খ) অসম সাহিত্য সভাই অনুদান বৃদ্ধিৰ বাবে কৰা দাবী অনুসৰি চৰকাৰে এই জাতীয় অনুষ্ঠানলৈ আগবঢ়োৱাৰ অনুদান বৃদ্ধি কৰাৰ চেষ্টা কৰিছে নেকি?

(গ) যদি কৰিছে চৰকাৰে ১৯৮৭-৮৮ বিত্তীয় বছৰত উক্ত অনুদান বৃদ্ধিৰ ব্যৱস্থা কৰিবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক)

| বছৰ | স্বাভাৱিক শিতান | পৰিকল্পনা শিতান |
|---|---|---|
| ১৯৮৩-৮৪ | অনুদান দিয়া হোৱা নাছিল | অনুদান দিয়া হোৱা নাছিল। |
| ১৯৮৪-৮৫ | ঐ | ঐ |
| ১৯৮৫-৮৬ | ১,৭৫,০০০/-:-৭০,০০০/- দিয়া হৈছে মূল সাহিত্য সভালৈ। | ১,০০,০০০/-মূল সভালৈ আৰু ১২,০০০/- +৩০,০০০/-অভ্যৰ্থনা সমিতিক দিয়া হৈছে। |

(খ) পুঁজি সাপেক্ষে বিষয়টো বিবেচনা কৰা হব।

(গ) 'খ' প্ৰশ্নৰ উত্তৰৰ সন্দৰ্ভত প্ৰশ্ন নুঠে।

পৰিপূৰক টোকা

১। চলিত বছৰত '১৯৮৬-৮৭' বৰ্ত্তমানলৈকে সাহিত্য সভাক তলত দিয়া ধৰণে শিক্ষা বিভাগৰ পৰা অনুদান দিয়া হৈছে—

'ক' ১,৭০,০০০/—('এক লাখ ৭০ হাজাৰ') টকা।

২। মূল সাহিত্য সভাৰ বাদেও তলত দিয়া ধৰণে অন্যান্য শাখা সাহিত্য সভাক টকা দিয়া হৈছে।

'ক' স্মৃতি গ্ৰন্থৰ বাবে ১২,০০০/— (বাৰ হেজাৰ) পাঠশালা সাহিত্য সভাক।

'খ' কামৰূপ সাহিত্য পৰিষদ— ১২,০০০/— ('বাৰ হেজাৰ') বামুন্দী।

৩। ৰাজ্যিক লটাৰীৰ তৰফৰ পৰা মূল সাহিত্য সভাক ২ (দুই)' লাখ টকা চলিত বছৰত দিয়া হৈছে।

৪। তথ্য চিত্ৰৰ বাবে শিক্ষা বিভাগৰ পৰা পাঠশালা সাহিত্য সভালৈ দিয়া হৈছে—১,৩০,০০০/ — (এক লাখ ত্ৰিশ হাজাৰ)' টকা।

**Re. : Representation from ACTA.**

Shri Sheikh Abdul Hamid asked :

137. Will the Minister of Education be pleased to State :

(a) Whether the Government received any representation from Assam College Teachers' Association for Medical and House rent allowances ?

(b) If so, the steps been taken by the Government ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) যে উত্তৰ দিছে—

(ক) হয়।

(খ) ৰাজ্য চৰকাৰৰ কৰ্ম্মচাৰী সকলৰ দৰে মহাবিদ্যালয়ৰ শিক্ষক সকলকো ঘৰভাৰা আৰু চিকিৎসা বানচ দিবলৈ সিদ্ধান্ত লোৱা হৈছে।

Shri Dewan Joynal Abedin asked :

138. Will the Minister, Education be pleased to state ?

(a) Whether Dispur Vidyalaya High School is a Government Institution ?

(b) Whether the Government is aware of the fact that Classes in the School are hold in dilapidated leaky sheds ?

(c) How much land does the school possess ?

(d) Whether the Government has any proposal to acquire more land for the school and improve the school building ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) হয়।

(খ) হয়।

(গ) ২ (দুই) বিঘা ১৮ (ওঠৰ) লেচা।

(ঘ) ১৯৮৫-৮৬ চনত ১১,৫৮০ টকা ফাৰ্নিচাৰ গ্ৰাণ্ট হিচাবে মঞ্জুৰী পাইছে।

(ঙ) হয়।

**Re : Disposal of cases by Tribunal Court.**

Shri Abdul Rob Loskar asked :

139. Will the Chief Minister be pleased to state :

(a) Total number of cases disposed of by the Tribunal Court of Cachar, Silchar after the installation of A.G.P. Government in Assam ?

(b) Total number of Foreigners determined by the Tribunal Court, Silchar ?

(c) Total number of Foreigners case pending in the said Tribunal Court ?

Shri Prafulla Kumar Mahanta (Chief Minister, Assam) replied :

(a) Since the installation of A.G.P. Government, the number of cases disposed of by the Tribunals Court Silchar of cases disposed of by the Tribunals Court Silchar are as follows :—

(1) Foreigners Tribunal—25

[2] I. M. ( D ) Tribunal—12

(b) During this period, total number of Foreigners determined by the Tribunal Court Silchar are as follows :—

[1] Foreigners Tribunal—22

(2) I. M. ( D ) Tribunal—10

(c) Total number of Foreigners cases pending in the Tribunal Court Silchar are as follows :—

(1) Foreigners Tribunal—341

[2] I.M. [ D] Tribunal —118

**Re :— Court of Additional & Sessions Judge.**

Shri Abdul Rob Laskar asked :

140. Will the Minister, Law be pleased to state :

(a) How many Additional District & Sessions Judges Courts in the State are lying vacant at present ?

(b) Whether the Govt. is aware that the Court of the Additional District and Sessions Judge, Cachar, Silchar is lying vacant ?

(c) If so, since when ?

(d) Since when the Additional District & Sessions Judge, Cachar, Silchar has been created ?

(e) Since the creation of the said post how many months or years it was lying vacant ?

Shri S.N. Medhi, ( Minister, Law ) replied :

(a) Two Courts of Additional District & Sessions Judges, one at Silchar and the other at Dhubri, are lying vacant.

(b) Yes.

(c) The Court of Additional District & Sessions Judge, Silchar, is lying vacant with effect from 9.8.86

(d) The Court of Additional District & Sessions Judge at Silchar was created in January, 1980.

(e) Six months.

SUB. L. P. SCHOOLS IN SONAI CONSTITUENCY.

Shri Abdul Rob. Laskar asked :

141. Will the Minister, Education, be pleased to state :

(a) Total number of recognised L. P. Schools within Sonai Assembly Constituency under Silchar Sub-division with the name of schools and name of the teachers ?

(b) Total number of M. E. Schools within the said Constituency with the name of schools and teachers ?

Shri Brindaban Goswami (Minister of Education) replied :

(ক) | স্থানীয় বিষয়াৰ পৰা যাৱতীয় তথ্যপাতি বিচাৰি পঠিওৱা
(খ) | হৈছে। তথ্য পালেই জনাব পৰা হব।

বিষয় : নাহৰ কটিয়াৰ পৰিবেশ

শ্ৰীকৃষ্ণসুন্দৰ টাইৰাই (গগৈ) য়ে সুধিছে :

১৪২। বিজ্ঞান, প্ৰযুক্তি আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অইল ইণ্ডিয়া লিমিটেডে ব্যাপক হাৰত চলোৱা খনন কাৰ্য্য তথা ইয়াৰ পেলনীয়া দ্ৰব্যই নাহৰকটীয়া সমষ্টিত যে ব্যাপক ভাবে পৰিবেশ বেয়া কৰিছে— সেই বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি জানে ইয়াৰ কিবা বিকল্প ব্যৱস্থা চৰকাৰে হাতত লৈছেনে ?

শ্ৰীবৃন্দাবন গোস্বামীয়ে উত্তৰ দিছে :

(ক) অইল ইণ্ডিয়া লিমিটেডে নাহৰকটীয়া সমষ্টিত চলোৱা খনন কাৰ্য্য তথা ইয়াৰ পেলনীয়া দ্ৰব্যৰ দ্বাৰা পৰিবেশ দূষিত কৰাৰ কথা চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

(খ) অইল ইণ্ডিয়া লিমিটেডৰ সকলোবোৰ প্ৰতিষ্ঠানতে প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে আইন সন্মত ব্যৱস্থা লবলৈ "অসম পানী আৰু বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰন পৰিষদৰ" তৰফৰ পৰা সকলো সময়তে নিৰ্দেশ দি থকা হৈছে। তদুপৰি এই প্ৰতিষ্ঠানটোৱে প্ৰাকৃতিক তেল খনন কাৰ্য্যৰ দ্বাৰা

দুষিত কৰা ঠাইবোৰ ( নদ-নদী, পানী আৰু মাটি ) পৰিষদৰ তৰফৰ পৰা নিয়মিয়াকৈ পৰিদৰ্শন কৰা হয়। সমসাময়িক ভাৱে দুষিত পানী, মাটি আদিৰ নমুনা সংগ্ৰহ কৰি পৰিষদৰ বিশ্লেষণাগাৰত বিশ্লেষণ কৰি দুষিত কৰনৰ মাত্ৰাৰ বুজ লোৱা হয়। পৰিদৰ্শনৰ প্ৰতিবেদন আৰু নমুনা পৰীক্ষাৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি যিবোৰ ঠাইত প্ৰদূষণৰ মাত্ৰা অধিক (নিৰ্দ্ধাৰিত সীমাতকৈ) সেইবোৰ ঠাইত দুষিত কৰণ নিয়ন্ত্ৰন কৰিবলৈ অইল ইণ্ডিয়া লিমিটেডক লিখিতভাবে সকিয়াই থকা হৈছে।

**বিষয়ঃ এজনীয়া প্ৰাথমিক বিদ্যালয়।**

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে ঃ

১৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

১। চৰকাৰে কৰা ঘোষণা অনুযায়ী এজনীয়া (১) শিক্ষকৰ প্ৰাথমিক বিদ্যালয় সমূহ দুজনীয়া (২) কৰাৰ ব্যৱস্থা কেতিয়া কাৰ্য্যকৰ হব জনাবনে ?

শ্ৰীবৃন্দাৱন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

১। এজনীয়া শিক্ষকৰ প্ৰাথমিক বিত্যালয় সমূহ দুজনীয় কৰাৰ ব্যৱস্থা পৰ্য্যায়-ক্ৰমে গ্ৰহন কৰা হৈছে।

**বিষয়ঃ পৰিচয় পত্ৰ**

আব্দুল জলিলে সুধিছে ঃ

১৪৪। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ভাৰত বাংলাদেশৰ অসম সীমান্তত বসবাস কৰা ভাৰতীয় নাগৰিকক পৰিচয় পত্ৰ দিয়া হব নেকি ?

(খ) যদি হয়, সীমান্তৰ পৰা কিমান দুৰ অঞ্চললৈ এই পৰিচয় পত্ৰ দিয়া হব ?

(গ) কি পদ্ধতিত দিয়া হব ?

(ঘ) পৰিচয় পত্ৰত ফটো থাকিব নেকি ?

(ঙ) পৰিচয় পত্ৰ লোৱাৰ ব্যয় কোনে বহন কৰিব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ভাৰত বাংলাদেশৰ অসম সীমান্তত বসবাস কৰা ভাৰতীয় নাগৰিকক পৰিচয় পত্ৰ দিয়াৰ সিদ্ধান্ত নীতিগত ভাবে গ্ৰহন কৰা হৈছে।

(খ) সদ্যহতে সীমান্তৰ পৰা এক কিলোমিটাৰৰ ভিতৰত থকা ভাৰতীয় নাগৰিকক এই পৰিচয় পত্ৰ দিয়াৰ কথা বিবেচনা কৰা হৈছে।

(গ), (ঘ) আৰু (ঙ) বিবেচনাধীন হৈ আছে।

### Re : Term of Silchar Municipality.

Shri Altaf Hussain Mazumdar asked :

145. Will the Minister, Municipal Administration be pleased to state :

(a) When the term of the last elected body of Silchar Municipality expired ?

(b) Whether the Government is aware of the public demand for holding the Municipal Election ?

(c) If so, whether the Government propose to hold the election of Silchar Municipality and if so, when ?

Shri Sahidul Alam Choudhury (Minister, Municipal Administration) replied :

(a) on 28.11.83

(b) No.

(c) The matter is under examination of Government.

### Re : Filling up Subject Teachers Posts

Shri Altaf Hussain Mazumder asked :

146. Will the Minister, Education be pleased to state ?

(a) Whether all subjects teachers posts have been filled up in the following Higher Secondary Schools of Cachar namely :

(i) Raja G.C. Memorial Higher Secondary School.

(ii) Sirajul Ali Higher Secondary School.

(iii) Zil Keder Ali Higher Secondary School.

(b) When the Government proposes to fill up the vacant posts ?

শ্রীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে :

আৱশ্যকীয় তথ্য বিছাৰি পথোৱা হৈছে। তথ্য পালে জনোৱা হব।

**Re : L. P. Schools of Borkhola**

Shri Altaf Hussain Mazumdar asked :

147. Will the Minister, Education be pleased to State :—

(a) The names of the L. P. Schools of Borkhola Constituency (Cachar) with address ?

(b) The names of the venture L. P. Schools of Borkhola Constituency with names address and date of commencement ?

(c) Is it a fact that the Government is going to take ovor Venture L.P. Schools and if so, the total number to be taken over and likely period by which these will be taken over ?

(d) What will be the principle of taking over ?

শ্রীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) বৰখোলা বিধান সভা সমষ্টিৰ প্ৰাথমিক বিদ্যালয়ৰ তালিকা এখন সদনৰ মেজত দাখিল কৰা হ'ল। (Pl. see at annexure II)

(খ) বৰখোলা বিধান সভা সমষ্টিৰ বেচৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ তালিকা এখন সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) হয়, কিন্তু মুঠ সংখ্যা আৰু সময় সম্পৰ্কে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(ঘ) ১৯৭৭ চনৰ প্ৰাদেশিকীকৰণ নীতিৰ ভিত্তিত পুঁজি সাপেক্ষে প্ৰাথমিক বিদ্যালয় প্ৰাদেশিকীকৰণ কৰা হয়।

**Re : School Buildings in Borkhola**

Shri Altaf Hussain Mazumdar asked :

148. Will the Minister, Education be pleased to state .—

[a] The names of schools without having own buildings in Borkhola [Cachar] Constituency of the following categories ?

(I) L. P. Schools.

(II) M. V. Schools.

(III) M. E. Schools.

শ্ৰীযতীন মালী (বাণিজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) স্থানীয় বিষয়াৰ পৰা এই সম্পৰ্কত তথ্য বিচৰা হৈছে। তথ্য পালে জনাব পৰা হব।

**Re : Ad-hoc Committees to Municipalities.**

Shri Shio Shambhu Ojha asked :

149. Will the Minister, Municipal Administration be pleased to State :—

(a) The number of Municipalities where Ad-hoc Committees have been constituted ?

(b) The criteria for selecting the Chairman and other Members of the Municipalities ?

Shri Sahidul Alam Choudhury (Minister of Municipal Administration) replied :

(a) 53 (fifty three) including Guwahati Municipal Corporation.

(b) No specific criteria is laid down in Section 299 (I)

(b) of Assam Municipal Act for such selection.

**Re : Distribution of Text Books.**

Shri Shio Shambhu Ojha asked :

150. Will the Minister, Education be pleased to state :

(a) Whether text books were distributed to all the students of Primary Schools in Assam free of cost as announced by the Government.

(b) If so, the number of students benefitted and the number of text books distributed so far ?

(c) Is it a fact that most of the schools had to conduct the 1st terminal examination without text books ?

শ্ৰীবৃন্দাবন গোস্বামী (মাননীয় শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়াকৈ পাঠ্যপুথি বিতৰণ কৰা হৈছে।

(খ) সঠিক সংখ্যাৰ বাবে তথ্য বিচাৰি পঠিওৱা হৈছে। তথ্য পালেহে জনাব পৰা হব।

(গ) তেনে অভিযোগ পোৱা হোৱা নাই।

**Re : Members of A.P.S.C.**

Shri Shio Shambhu Ojha asked :

151. Will the Chief Minister be pleased to State ?

(a) Whether it is a fact that some additional member have been appointed to the A.P.S.C. ?

(b) If so, who are they ?

(c) The reasons for their appointments and the critaria thereof ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) এখেতসকল হল—

(১) শ্ৰীকমলেশ্বৰ বৰা, আই, এ, এচ, অসম চৰকাৰৰ শিক্ষা বিভাগৰ প্ৰাক্তন আয়ুক্ত আৰু সচিব।

(২) শ্ৰীললিত কুমাৰ হাজৰিকা, আই, এফ, এচ, অসমৰ বন বিভাগৰ প্ৰাক্তন মুখ্য সংৰক্ষক।

(৩) শ্ৰীযতীন কুমাৰ থাওচেন, উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ পৰিষদৰ প্ৰধান সচিব।

(গ) লোক সেৱা আয়োগলৈ পঠোৱা চাকৰিত নিয়োগ সম্পৰ্কীয় আৰু অন্যান্য প্ৰস্তাৱ সমূহ যাতে সোনকালে নিস্পত্তি হয়।

**Re : Election of the Guwahati Municipal Corporation.**

Shri Shio Shambhu Ojha asked :

152. Will the Minister, Municipal Administration be pleased to state :—

(a) Is it a fact that in-spite of repeated announcement made by the Government elections to the Guwahati Municipal Corporataion has not been held ?

(b) If so the reason thereof ?

(c) Whether Government will be pleased to hold the Guwahati Municipal Corporation Election by April, 1987 ?

Shri Sahidul Alam Choudhury (Minister of Municipal Aiministration ) replied :

(a) Yes.

(b) Because of the time factor involved in updating, finalisation and publication of the electoral roll for Guwahati Municipal Corporation and other statutory requirements.

(c) Government has directed Guwahati Municipal Corporation to arrange holding of elections of as soon as possible.

**Subject : Vacancies of graduate posts in schools.**

Sri Ramendra Dey asked :

153. * Will the Minister Education be pleased to state :

(a) The number of graduate posts lying vacant at present in different high and Higher Secondary Schools of Assam ?

(b) When these post Will be filled up ?

(c] The norms of appointments ?

(d] In Cachar District what is the number of vacant posts instead of number of postsup-graded ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) কৰিমগঞ্জ জিলাক বাদ দি বৰ্ত্তমান ৩১৫ টা স্নাতক পদ বিভিন্ন উচ্চ আৰু উচ্চতৰ মাধ্যমিক স্কুলত খালী হৈ আছে, কৰিমগঞ্জ জিলাৰ তথ্য বিচৰা হৈছে।

(খ) পূৰণ কৰাৰ বাবে ইতিমধ্যে ব্যৱস্থা হাতত লোৱা হৈছে।

(গ) প্ৰচলিত নীতি অনুযায়ী নিযুক্তি দিয়া হব।

(ঘ) তথ্য বিচৰা হৈছে।

**Re : Assam Accord.**

Shri Ranendra De asked :

154. Will the Chief Minister be Pleased to state ;—

[a] As per Assam Accord, what are the major schemes taken by the State Government as well by the Central Government for the Socio Economic Development of Assam ?

(b) How many closed Industries have been reopened as per provisions of the Assam Accord.

Shri Prafulla Kumar Mahanta, ( Chief Minister ) replied :

[a] The Planning Commission was requested to guide and advise the State Government in the matter of implementation of the Commitment contained in Clause 7 of Assam Accord, and also to set up a Task Force/Working Group to make an indepth study and to make concerte recommendation of Schemes and Projects to be financed outside the State Plan. It is learnt that Government of India have set up a Technical working Group for the purpose.

(b) The Assam Co-operative Jute Mills Ltd., at Silghat which was lying closed for about 2 years has been reopened with effect from 1.1.86 as per provision of Assam Accord.

## Re : Pay of School Mother

Shri Abdul Jabbar asked :

155. Will the Minister Education be pleased to state :

(a) The present scale of pay of a Primary school matter ?

(b) Whether each Primary School will be provided with a School mother and if so when ?

(c) The service condition of a school mother ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান স্কুল মাতৃসকলে মাহে তিনি শ টকাকৈ দৰমহা (Fixed Pay) পাই আছে।

(খ) প্ৰত্যেক প্ৰাথমিক স্কুলতে স্কুল মাতৃৰ পদ দিয়াটো বৰ্ত্তমানে বিবেচনা কৰা হোৱা নাই।

(গ) স্কুল মাতৃ সকলৰ কোনো Service Condition নাই।

## ANNOUNCEMENT FROM THE CHAIR

Mr. Speaker : Now, the report of the Business Advisory Committee.

Mr. Speaker : Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee on 6th March, 1987 in my Chamber at Dispur to Discuss about the remaning inadequate time of debate on Governor's address on account of devoting considerable time of the House at the time of adopting the motion for the introduction of Gauhati Municipal Corporation (Amendmeat) Bill, 1987 on 5th March, 1987.

In order to provide adequate time to the Hon'ble members to participate on the Debates on the Governor's Address on the Business Advisory Committee recommended that instead of

concluding the debates on the Governor's address on 9th March, 1987 as originally approved by the House, the discussion on the same will be extended by one day and 10th March, 1987 will be devoted for the purpose of including the debates on Governor's address. As a result of the proposed change, General discussion on the Budget will be held for 3 days only viz. on 11th, 12th and 13th March, 1987 instead of 4 days, as 10th March which was originally fixed for general discussion on the Budget is now recommended for debate on Governor's address.

The Committee further recommended that the presentation of the List of Supplementary Demands for Grants and Supplementary Appropriation for the year 1986-87 which was fixed on 16th March, 1987 is recommended for presentation on 21st March, 1987 which is a racess day on account of Saturday so that 16th March, 1987 can be observed as a racess day on account of 'Dol Jatra'. Consequently discussion and voting on Supplementary Demands for Grants for 1986-87, introduction consideration and passing of the Assam Appropriation Bill, 1987 relating to the List of Supplementary Demands and Supplementary Appropriation will be taken up on 25.3.87 instead of 23.3.87 as originally fixed. A revised Calendar for the meetings of the current session is being circulated in the House.

I hope this has the approval of the House.

Speaker: Now item No. 2. Shri Abdul Jalil R agibi

শ্ৰীআব্দুল জলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় কৃষি মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো এটা গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি। যোৱা ২৩ জানুৱাৰীৰ অসমবাণী কাকতত 'বীজ নিগমত দুৰ্নীতিৰ বীজ' শীৰ্ষক এটা বাতৰি পৰিবেশন কৰা হৈছে। ইতিমধ্যে এই সদনত আলুৰ কেলেংকাৰীৰ ওপৰত যথেষ্ট আলোচনা কৰা হৈছে। মই এতিয়া আলুৰ কথা

বিশেষকৈ ৰবলৈ নেযাও। অসম বীজ নিগমে বানপীড়িত ৰাইজক বীজ বিতৰনৰ কাৰণে যিমান আলুক্রয় কৰিছিল তাত ৭০ লাখ টকা লোকচান কৰিবলগীয়া হৈছে। অধ্যক্ষ মহোদয়, বাতৰি কাকত খনত অসম বীজ নিগম সম্পৰ্কত বিস্তাৰিত প্ৰতিবেদন দাখিল কৰিছে। বীজ নিগমে বান পীড়িত লোকক ৰবি শস্য কৰিবলৈ সহায় কৰিবৰ কাৰণে যিখিনি বস্তু কিনিছিল কাবতখনত তাৰ এখন তালিকা দিছে। বজাৰৰ প্ৰচলিত দামতকৈ বীজ নিগমে দুগুন দাম দি বস্তু বোৰ কিনিছে। উদাহৰণ হিচাবে— বজাৰত তেতিয়া সৰিয়হৰ দাম আছিল প্রতি কুইন্টলত ৬০০ টকা কিন্তু বীজ নিগমে কিনিছে— ৮০০ টকাকৈ প্ৰতি কুইন্টলত। সেইদৰে মটৰ মাহ কিনিছে— ৭৫০ টকাকৈ কিন্তু বজাৰৰ দাম আছিল— ৪০০ টকা। মচুৰ কিনিছে—৭৭০ টকাকৈ কিন্তু বজাৰত তেতিয়া দাম আছিল— ৫৫০ টকা। কাবতখনত গোটেইবোৰ বস্তুৰ তালিকা দিছে। প্ৰায়বোৰ বস্তুৰেই অসম বীজ নিগমে বজাৰৰ দামতকৈ প্ৰায় দুগুন দামত কিনিছে। এই গোটেইখিনি বস্তুৰ কাৰণে ৯ কোটি ১৮ লাখ ৫৮ হেজাৰ টকা বীজ নিগমে খৰচ কৰিছে— অথচ ইয়াৰ প্ৰায় আধা দামতেই বস্তুখিনি কিনিব পৰা গলহেতেন।

অধ্যক্ষ মহোদয়, এই বীজ নিগম গঠন কৰা হৈছিলে অসমৰ দুখীয়া কৃষক সকলক উন্নত মানৰ বীজ যোগান ধৰিবলৈ আৰু সস্তা দৰত। কিন্তু সাধাৰণ লোকৰ কথা বাদেই দিলো– এই বীজ নিগমে বানপীড়িত লোকক চৰকাৰে সাহাৰ্য্য দিয়াৰ ক্ষেত্ৰতো ৫ কোটি টকা আত্মসাৎ কৰিছে। এই নিগমে ৰাইজক সহায় কৰক চাৰি বিপদতহে পেলাইছে বুলিকব পাৰি। বহু ক্ষেত্ৰত বীজ নিগমে দিয়া বীজ নগজে বুলি অভিযোগ উঠিছে। এই নিগমে যোগান ধৰা নাইনিতালৰ আলুও এইবাৰ নগজিল।

অধ্যক্ষ মহোদয়, এই বীজ নিগমৰ বিষয়া সকলে বীজ নিগমৰ ৰাইজক যোগান ধৰিবলৈ কিনা বস্তু বজাৰত চুৰকৈ বেচাৰো অভিযোগ উঠিছে। এই গোটেইখিনি ভালদৰে তদন্ত কৰি এই কেলেংকাৰীৰ লগত জৰিত থকা লোকসকলক উপযুক্ত শাস্তি বিহাৰ ব্যৱস্থা হাতত লব লাগে।

আৰু ইয়াৰ ওপৰত যি তদন্ত কৰা হব সেই তদন্তৰ এটা ৰিপোৰ্ট এই সদনৰ মজিয়াত দাখিল কৰিব লাগে।

শ্ৰীনীলমনি দাস (মন্ত্ৰী): শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, অসম বীজ নিগম সম্পৰ্কে ইতিমধ্যে আপোনাৰ দৃষ্টি গোচৰ হৈছে। যোৱা বিধানসভাৰ এদিনৰ কাৰ্য্য বিৱৰণীৰ পৰা এটা প্ৰশ্ন কৰা হৈছে। অসমৰ বীজ নিগমে সাধাৰণতে খেতিয়কৰ মাজত উচ্চ মান দণ্ডৰ বীজ যোগান ধৰে। প্ৰকৃত পক্ষে কবলৈ গলে এটা কথা কব পাৰি যে অসমত এতিয়ালৈকে খেতিৰ বীজ উৎপন্ন নহয় সেয়ে আন আন ঠাইৰ পৰা বীজ আমদানি কৰিব লাগে আৰু তাৰ বাবে যথেষ্ট পইচা খৰচ হয়। যিখিনি বীজ অসমৰ ভিতৰত উৎপন্ন নহয় সেইখিনি ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সংস্থা সমূহৰ পৰা সংগ্ৰহ কৰা হয়। যেনে ভাৰতীয় বীজ নিগম, তৰাই বীজ নিগম, মহাৰাষ্ট্ৰ বীজ নিগম আৰু কেতিয়াবা চাহিদা পূৰণ কৰিবলৈ পঞ্জাব, হাৰিয়ানা বীজ নিগমৰ পৰাও প্ৰমাণিত বীজ সংগ্ৰহ কৰা হয় আৰু ৰেহাই মূল্যত খেতিয়কৰ মাজত কৃষি বিভাগৰ আঁচনি মতে বিতৰণ কৰা হয়।

যোৱা ১৯৮৬ চনৰ চেপ্তেম্বৰ মাহত হোৱা প্ৰলয়ঙ্কৰী বানত বিস্তৃত অঞ্চলৰ খেতিৰ ক্ষতি পূৰণ কৰিবৰ অৰ্থে পিচত ৰবি শস্যৰ বীজ কৃষকক যোগান ধৰিবলৈ আচনি লোৱা হয়। এই আচনি অনুসৰি ঘেহু, আলু, সৰিয়হ, মটৰ মাহ, নহৰু, বড়োপানৰ বীজ চিনাক্ত কৰা বান পিড়িত কৃষকৰ মাজত বিতৰণ আৰু অসম বীজ নিগমৰ জৰিয়তে নিবিদা আহ্বান কৰা হৈছিল। নিবিদাৰ ওপৰত ভিত্তি কৰি ক্ৰয় কমিটিয়ে বীজবোৰৰ বিক্ৰী মূল্য নিৰুপন কৰিছিল। তাক বীজ নিগমৰ জৰিয়তে বিতৰণ কৰা হয়।

মাননীয় সদস্য জনে কিছু ঠাইত বীজ নগজা বুলি অভিযোগ কৰিছে। তেনে ক্ষেত্ৰত অভিযোগ পোৱা গৈছিল। বৰপেটাত মটৰ মাহৰ বীজ শতকৰা ২০ ভাগ বীজ অংকুৰিত হৈছিল। বাকী ৮০ ভাগ নোহোৱা বুলি কব পাৰি। এই অভিযোগ সম্পৰ্কত ১৬-১০-৮৬ তাৰিখে বিভাগীয় বিষয়াক পৰীক্ষা কৰিবলৈ পঠোৱা হৈছিল। ইয়াৰ ৮৪ ভাগ শস্য আছিল আৰু পিচত গোটেই বীজখিনি পুনৰ পৰীক্ষা কৰিবলৈ অসম বীজ নিগমক ২৪-১০-৮৬ তাৰিখে দিয়া হয়। অসম বীজ নিগমৰ জৰিয়তে ১৮-১০-৮৬

তাৰিখে পিচত পৰীক্ষা কৰা হয়। আকৌ শতকৰা ৮৬ ভাগ অংকুৰিত শস্য পোৱা গ'ল। গতিকে প্ৰমাণিত বীজ অন্তভুক্ত শস্যৰ যিবিলাক নিয়ম নীতি আছে সেই নিয়ম নীতিৰ ষ্টেণ্ডাৰ্দ আছে আৰু সেই ষ্টেণ্ডাৰ্দ-খিনি পৰীক্ষা কৰি লোৱাৰ পিচতহে বীজ ক্ৰয় কৰা হৈছে। বীজ নিগমৰ যিখিনি বীজ ক্ৰয় কৰা হৈছিল আৰু যি অভিযোগ আহিছে সেই অভিযোগ সম্পৰ্কে ইতিমধ্যে ব্যৱস্থা গ্ৰহন কৰা হৈছে। আপোনালোকে ইতিমধ্যে বাতৰি কাকতত দেখিবলৈ পাইছে বীজ নিগমৰ কেইজনো লোকক অপসাৰিত কৰা হৈছিল। গতিকে মই ভাবো বীজ নিগমৰ ক্ষেত্ৰত যিখিনি বেমেজালি আছে তাক কঠোৰ ব্যৱস্থা লোৱা হৈছে আৰু ভৱিষ্যতেও এনেকুৱা কঠোৰ ব্যৱস্থা লোৱা হব। কৃষিৰ ক্ষেত্ৰত বীজৰ এটা ডাঙৰ ভূমিকা আছে। সেই বীজৰ ক্ষেত্ৰত ভৱিষ্যতেও যাতে এনেকুৱা নহয় তাৰ বাবে বিহিত ব্যৱস্থা লবলৈ মই প্ৰতিশ্ৰুতি দিব পাৰো।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাত বানপানী হোৱা নাছিল। বাইজৰ কাৰণে বীজবোৰ অনা হৈছে। বৰপেটাৰ ফালে—

Shri Deba Kumar Bora : Sir, under the Call Attention Motion only one such matter can be raised and that after the statement is made by the hon'ble Minister there is no scope for debate.

Shri Joynath Sarma : Sir, Rule 54 [2] of the Rules of Procedure says that there will be no debate on the subject raised under the Call Attention Motion.

Mr. Speaker : Now, we pass on to item No. 3. Hon'ble Member, Shri Ardhendu Kumar Dey will raised another Matter.

Shri Ardhendu Kumar Dey : Mr. Speaker Sir, when the A.G.P. Government came to power they said that they will make Assam Industrially developed state. But now what we see. We are getting many alarming news about the failure of some industrial units in the State. Sir, here is a news published in the Assam Tribune dated 1st February, 1987 under the caption "A.T.C. has incurred loss of Rs. 17 crores." Sir, those we are interested in tea industry they know who is Mr. H. P. Barooah. He is a

renowed tea planter and he is very efficient and sincere tea planter and he was the Chairman of the A. T. C. only five months before the publication of this news item. But why such an efficient tea planter has become failure ? He has told his difficulties to the news reporter. He told that he felt there should be some changes in the bureaucratic procedure and in governmental organisations the Board of Directors must be allowed to function keeping in view the interest of the industrial unit and it should not function as a bureaucratic unit. He has also told what are the difficulties faced in running the industrial unit. There are some difficulties raised by the bureaucrats. He said the files do not move in the Government department and this is where we are caught up and the malodies lies. He further said unless this melody is set right and we all concerned act with determination and strong will no Government institution can do no good. Cancer cannot be cured by health tonic, he said. Sir, since the AGP Government has announced that they want to make Assam industrially developed state, may I hope that this State Government will take all possible steps to make all the industrial units viable. Unless and until these lacunae are removed and the difficulties as pointed by Shri H. P. Barooah are removed, the industrial units of the State cannot survive. With this, I conclude, Sir.

শ্ৰীদ্বিগেন চন্দ্ৰ বৰা ঃ ( উদ্যোগ মন্ত্ৰী ) ষ্টেটমেণ্ট পঢ়ি দিয়ে।

যোৱা ফেব্ৰুৱাৰী মাহৰ ৯ তাৰিখে চেণ্টিনেল কাকতত প্ৰকাশিত অসম চাহ নিগম কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীকীৰ্ত্তি নাথ দাসে কৰা দুৰ্নীতিৰ অভিযোগ সচাঁ নহয়।

নিগমৰ আৰ্থিক লোকচান হোৱাৰ ঘাই কাৰণ সমূহ তলত উল্লেখ কৰা হ'ল।

অসম চাহ নিগমে আৰম্ভনিতে আৰ্থিক লাভ কৰিবলৈ সক্ষম হৈছিল যদিও ৭ খন অতি ৰুগীয়া আৰু মৃত প্ৰায় বাগিছা চলাব লগীয়া হোৱাত নিগমৰ আৰ্থিক অৱনতি ঘটিবলৈ ধৰে।

নিগমৰ সৰহভাগ বাগিছাই আগৰ মালিক সকলে লাভবান নোহোৱাৰ বাবেই প্ৰায় জৰাজীৰ্ণ অৱস্থাত বিক্ৰী কৰিছিল। প্ৰায় বিলাক বাগিছাতেই প্ৰয়োজনতকৈ অধিক কৰ্মীক সংস্থান দিয়া আছে। কলঘৰ (Factory) বিলাকতো আধুনিক যন্ত্ৰ পাতিৰ অভাব। আৰম্ভনিতে চাহৰ বজাৰ অতি লাভবান হোৱা বাবে অসম চাহ নিগমে লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু চাহৰ বজাৰ পৰি অহাৰ লগে লগে নিগমৰ আৰ্থিক অৱস্থা বেয়া হবলৈ ধৰে। ইয়াৰ উপৰিও ৰুগীয়া আৰু মৃতপ্ৰায় বাগিছা কেইখন চলাই থাকিব লগীয়া হোৱাত আৰ্থিক ভাবে চাহ নিগম অতি জুকলা হৈ পৰে।

আৰ্থিক অৱস্থাৰ অৱনতি ঘটাৰ লগে লগে বেংকত যথেষ্ট পৰিমাণে ধাৰ বাঢ়িবলৈ ধৰে আৰু নিগমে বহুতো প্ৰকাৰ সুত পৰিশোধ কৰিব লগা হোৱাত প্ৰয়োজনীয় অৰ্থ (Working capital) যোগাৰ কৰাত বহুতো অসুবিধাৰ সৃষ্টি হয়। ইয়াৰ ফলত ৰাসায়নিক সাৰকে আদি কৰি অতি আৱশ্যকীয় সামগ্ৰী সমূহ আৰু যাবতীয় আহিলাপাতি আদি যোগান ধৰাত নিগমৰ বহু আহুকাল হয়। পৰিনতি স্বৰূপে চাহ নিগমৰ বাগিছা সমূহৰ চাহৰ উৎপাদন আশানুৰূপ নহয় আৰু উৎপাদিত সামগ্ৰীবো মান উন্নত কৰাত বাধা জন্মে।

ইয়াৰ উপৰিও ব্যক্তিগত খণ্ডৰ চাহ বাগিছা সমূহৰ পৰিচালক সকলে পোৱাৰ দৰে সা-সুবিধা আৰু দৰমহা আদি দিব নোৱাৰাৰ কাৰণেও অতি উচ্চ অৰ্হতা সম্পন্ন পৰিচালক আদি চাহ বাগিছা বিলাকৰ বাবে লব নোৱাৰাটো নিগমৰ বহু অসুবিধা হয়। এই অসুবিধা বিলাকৰ লগে লগে কৰ্মী সকলৰ দৰমহা বৃদ্ধি আৰু লাগতীয়াল সামগ্ৰীৰ মূল্য বৃদ্ধিৰ কাৰণেও নিগমৰ আৰ্থিক অৱস্থাৰ যথেষ্ট অৱনতি ঘটে। তথাপিও নিগমে বিশেষকৈ উচ্চ পৰ্য্যায় (Financial personnel) বিষয়া নিয়োগ কৰি চাহ বাগিছা বিলাক চলাবলৈ যত্ন কৰি আহিছে যদিও তেনে ধৰণৰ অৰ্হতা সম্পন্ন

ব্যক্তিসকল এই নিগমতেই নহয় চৰকাৰৰ আন আন নিগমতো অভাব পৰিলক্ষিত হৈছে।

১৯৮৩ চনৰ পৰা নিগমৰ চাহবাগিছা বিলাকত উৎপাদন বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে আৰু ১৯৮৩ আৰু ১৯৮৪ চনত মুঠ ১ কোটিৰো বেছি টকা, নিগমে লাভ কৰিবলৈ সমৰ্থ হৈছে। কিন্তু দুৰ্ভাগ্য বশতঃ চাহৰ বজাৰ আকৌ বেয়া হোৱাৰ কাৰণে আৰু বিশেষকৈ ১৯৮৬ চনত হোৱা অতি খৰাং বতৰৰ বাবে উৎপাদন হ্ৰাস পোৱাত নিগমে আকৌ লোকচান ভৰিবলগীয়া হয় আৰু ১৯৮৬ চনৰ অনুমানিক হিচাপকে ধৰি নিগমৰ এতিয়ালৈকে মুঠ প্ৰায় ১৬,৯৬, ৭৩, ৪৭২˙৫৬ টকা লোকচান হয়।

অসম চাহ নিগমক পুনৰ লাভবান অৱস্থালৈ ঘুৰাই আনিবলৈ আৰু প্ৰতিষ্ঠানটোক সুচাৰুৰূপে চলাবলৈ অসম চৰকাৰ আৰু নিগম কতৃ-পক্ষই ইতিমধ্যে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহন কৰিছে। নিগমৰ অধীনত থকা বাগিছাবিলাকৰ উৎপাদন বৃদ্ধি আৰু লগতে চাহৰ মান উন্নত কৰাৰ অৰ্থে প্ৰয়োজনীয় আচনি যুগুত কৰি 'NABARD' ৰ পৰা উন্নয়ন মূলক কামৰ (Development work) ঋণ লোৱাৰ ব্যৱস্থা কৰা হৈছে লগতে যোৱা ছেপ্তেম্বৰ মাহত বিশিষ্ট চাহ খেতিয়ক শ্ৰীমহেন্দ্ৰ বৰুৱাক সভাপতি হিচাপেলৈ নিগমৰ পৰিচালক মণ্ডলীৰো পুনৰ গঠন কৰা হৈছে।

ষ্টেটমেণ্ট সম্পৰ্কত এইটো ওলোৱাৰ পিচত আমাৰ এ পি চিৰ লগত, সকলোবোৰ বিষয়াৰ লগত যোগাযোগ কৰিবলৈ নিদি অকল উদ্যোগ বিভাগৰ সচিবৰ লগত আৰু টি কৰপৰেশ্যনৰ লগত যোগা-যোগ কৰিবলৈ দিয়া হৈছে, কাৰণ সকলো কাম অকল সচিবৰ লগত যোগা-যোগ ৰাখি কৰিলেই হব। এই ব্যৱস্থা আমি লৈছোঁ।

Mr. Speaker : Now item No. 4. Budget papers will be distributed among the members.

(Distribution of Budget papers continues)

মিঃ স্পীকাৰ : এতিয়া মাননীয় মুখ্য মন্ত্ৰীয়ে ১৯৮৭-৮৮ চনৰ বাবে বাৰ্ষিক প্ৰবি-বৰণী ডাঙি ধৰিব।

শ্ৰীপ্ৰফুল্ল মহন্ত ( মুখ্য মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া ১৯৮৭-৮৮ চনৰ বাৰ্ষিক বাজেট দাঙি ধৰিব বিচাৰিছো। ——— ( অসমীয়াত বাজেট ভাষণ পাঠ )

অধ্যক্ষ মহোদয়,

মই ১৯৮৭-৮৮ চনৰ বছটোৰ বাবে অসম চৰকাৰৰ বাজেট সদনৰ আগত দাঙি ধৰিব খুজিছো ।

২ । আমাৰ ওপৰত ৰাইজে স্থাপন কৰা যি আস্থা আৰু বিশ্বাসৰ বলত এবছৰৰো বেছি দিন আগতে আমি ৰাজ্যখনৰ প্ৰশাসনৰ দায়িত্ব হাতত লৈছিলো, তাৰ বাবে পোন প্ৰথমে মই ৰাইজলৈ হিৰাভৰা ধন্যবাদ যাঁচিব খুজিছো । সেই আস্থা আৰু বিশ্বাসৰ মান ৰাখিবলৈ আমি ঐকান্তিক ভাবে যত্ন কৰি আহিছো আৰু আগলৈও কৰি থাকিম ।

৩ । অসম চুক্তিৰ সম্পূৰ্ণ ৰূপায়ণত অৱশ্যেই আমি উচ্চতম অগ্ৰাধিকাৰ দিছো । এই বিষয়ত ৰাজ্য চৰকাৰে আন্তৰিকতাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কেন্দ্ৰ চৰকাৰৰ ভাগত পৰা খিনিৰ সম্পূৰ্ণ ৰূপায়ণৰ বাবে কেন্দ্ৰ চৰকাৰকো সকিয়াই আছে । এই চুক্তিৰ সম্পূৰ্ণ ৰূপায়ণৰ বাবে আমি অহৰহ সচেষ্ট থাকিম ।

৪ । ওৰ পৰিবলৈ ধৰা চলিত বছৰটো আমাৰ ৰাজ্যখনৰ বাবে অৰ্থনৈতিক দিশত ভালেখিনি আহুকালৰ বছৰ আছিল । বছৰৰ আৰম্ভণিতে ৰাজ্যখন অভূতপূৰ্ব খৰাং বতৰৰ কবলত পৰিছিল । খৰাং বতৰৰ কবলৰ পৰা নিস্তাৰ পাওঁতে নৌপাওঁতেই ভয়াবহ ধৰণৰ বানপানীয়ে আহি ৰাজ্যখনৰ ব্যাপক ক্ষতিসাধন কৰেহি । ৰাজ্য চৰকাৰে নিজৰ সামৰ্থ্য অনুসাৰে এই বিপৰ্য্যয়ৰ সন্মুখীন হবলৈ যৎপৰোনাস্তি চেষ্টা চলায় ।

৫ । সদাহতে বাজেট প্ৰস্তাৱলৈ যোৱাৰ আগতে ৰাজ্যখনৰ সাধাৰণ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে মই চমুকৈ এটি আভাষ দাঙি ধৰিব খুজিছো ।

৬ । দ্ৰুত হিচাপ মতে ১৯৮৫-৮৬ চনৰ চলিত মূল্যৰ ভেটিত ৰাজ্যৰ ঘৰুৱা উৎপাদন ১৯৮৪-৮৫ চনৰ ৪০৭০'৬ কোটি টকাৰ পৰা ১৩.৯ শতাংশ হাৰত ১৯৮৫-৮৬ চনত ৪৬৩৮ কোটি টকালৈ বৃদ্ধি পায় । ১৯৭০-৭১ চনৰ স্থিৰ মূল্যৰ ভেটিত ১৯৮৪-৮৫

ৰাজ্যিক আয়

চনৰ ১৩০৬.৭ কোটি টকাৰ পৰা ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮৫-৮৬ চনত ১৩৯৪.৯ কোটি টকা লৈ অৰ্থাৎ ৬.৭ শতাংশ হাৰত বাঢ়ে। একেখিনি সময়তে চলিত মূল্যত জনমুৰি ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮৪-৮৫ চনৰ ১৮২০.৬ টকাৰ পৰা ১০.৭ শতাংশ হাৰত বাঢ়ি ১৯৮৫-৮৬ চনত ২০১৬.৫ টকা হয়গৈ। ১৯৭০-৭১ চনৰ স্থিৰ মূল্যৰ ভেটিত জনমুৰি ৰাজ্যিক ঘৰুৱা আয় ১৯৮৪-৮৫ চনৰ ৫৮৪.৪ টকাৰ পৰা ১৯৮৫-৮৬ চনত ৬০৩.৯ টকালৈ বাঢ়িছিল আৰু বৃদ্ধিৰ হাৰ আছিল ৩.৩ শতাংশ।

মূল্য পৰিস্থিতি

৭। ১৯৮৬-৮৭ চনত মূল্যমানৰ আচৰণে যথেষ্ট উদ্বেগৰ সৃষ্টি কৰি আছিল যদিও মূল্য পৰিস্থিতি আগৰ দৰে ভয়াবহ হৈ পৰা নাছিল। ১৯৮৬ চনৰ প্ৰথম দহ মাহত পাইকাৰী মূল্যৰ গড় সূচী আগৰ বছৰৰ একেখিনি সময়ৰ তুলনাত ৫.৯ শতাংশ বৃদ্ধি পাইছিল। তাৰ বিপৰীতে ১৯৮৫ চনৰ গড়সূচী ১৯৮৪ চনৰ তুলনাত ১২.৭ শতাংশ হাৰত বাঢ়িছিল। আৰু ১৯৮৩ চনৰ তুলনাত ১৯৮৪ চনৰ বৃদ্ধিৰ হাৰ আছিল ১৭.৬ শতাংশ। ১৯৮৬ চনৰ প্ৰথম দহ মাহত পাইকাৰী মূল্যসূচীৰ উৰ্দ্ধগামিতা অধিক প্ৰকট হৈছিল খাদ্য-সামগ্ৰীৰ বেলিকা। অসম শ্ৰমিক শ্ৰেণীৰ বাবে গ্ৰাহক মূল্যৰ গড়সূচী (ভিত্তি ১৯৪৯ = ১০০) ১৯৮৬ চনৰ প্ৰথম দহ মাহত আগৰ বছৰৰ একেখিনি সময়ৰ তুলনাত ৭.৫ শতাংশ হাৰত বৃদ্ধি পাইছিল। ইয়াৰ বিপৰীতে ১৯৮৫ চনৰ বাৰ্ষিক গড়সূচী ১৯৮৪ চনৰ তুলনাত ৬.৫ শতাংশ হাৰতে বাঢ়িছিল। গ্ৰাহকক সকাহ দিয়াৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰে প্ৰায় ৯ কোটি টকাৰ সাহাৰ্য্যৰে ৰাজহুৱা বিতৰণ ব্যৱস্থাত আৰু ষ্টেটফেড খুচুৰা বিক্ৰী কেন্দ্ৰৰ জৰিয়তে ৰেহাই মূল্যত চাউল আৰু মচুৰ ডাইল যোগানৰ আঁচনি এখন লৈছিল। এই আঁচনি ১৯৮৬ চনৰ ২৮ জুলাইৰ পৰা ১৫ ডিচেম্বৰলৈ কাৰ্য্যকৰী হৈ আছিল।

কৃষি

৮। খেতিয়কলৈ উন্নত কাৰিকৰী জ্ঞানৰ ব্যৱস্থা কৰা আৰু অধিকতৰ উৎপাদন আৰু উৎপাদিকাৰ বাবে তেওঁলোকক অন্যান্য

বিভিন্ন ধৰণে সহায় কৰাৰ ওপৰতে কৃষি বিভাগৰ কাম-কাজৰ বেলিকা গুৰুত্ব দি অহা হৈছে। ১৯৭৭ চনত বিশ্ব বেংকৰ সহায়ত প্ৰথমবাৰৰ বাবে আৰম্ভ কৰা সম্প্ৰসাৰণৰ ট্ৰেইনিং এণ্ড ভিজিট ব্যৱস্থাটো লাভদায়ক হোৱাৰ বাবে চলাই থকা হৈছে। ৰাষ্ট্ৰীয় কৃষি সম্প্ৰসাৰণ প্ৰকল্প—৩ নামেৰে এটা দ্বিতীয় পৰ্য্যায়ৰ প্ৰকল্পৰ সম্পৰ্কে বিশ্ব বেংকৰ লগত কথা-বতৰা পাতি অলপতে চূড়ান্ত কৰা হৈছে আৰু অদূৰ ভৱিষ্যতে এই প্ৰকল্পৰ বাবে বিশ্ব বেংকে মঞ্জুৰী দিয়াৰ আশা আছে। উক্ত প্ৰকল্পত সম্প্ৰসাৰণ ব্যৱস্থাটো শক্তিশালী কৰা হ'ব। বিশেষ চাউল উৎপাদন আঁচনি ৰূপায়ণৰ তৃতীয় বছৰত সোমাইছেহি আৰু ভাল ফল দিছে। এই আঁচনিৰ প্ৰতি খেতিয়কৰ সহাঁৰিও সন্তোষজনক আৰু এই আঁচনিৰ খণ্ড সমূহত শালি ধানৰ উৎপাদন হেক্টৰে প্ৰতি ১৩৯৫ কিলোগ্ৰামলৈ বৃদ্ধি পাইছে।

১৯৮৬ চনৰ ২ছৰটোত ৰাজ্যখনৰ খেতি পথাৰ প্ৰথমতে খৰাং বতৰ আৰু পিছত বানপানীৰ দ্বাৰা বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। মাহ, সৰিয়হ, ঘেঁহু আদিৰ দৰে ৰবি শস্যৰ সঁচৰ যোগানৰ জৰিয়তে বানপীড়িত খেতিয়কক সহায় কৰিবলৈ এখন ব্যাপক আঁচনি হাতত লোৱা হৈছে আৰু চলিত বতৰত এই সামগ্ৰীসমূহৰ উৎপাদন বঢ়াৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰীয় অৰ্থনীতিত তেল বীজ আৰু মাহৰ গুৰুত্বলৈ চাই চলিত বছৰৰ ৰবি আঁচনিৰ ত্ৰুটিবোৰ অহা বছৰত অধিকতৰ আগবাঢ়িবলৈ আৰু মাহ তথা তেল বীজৰ খেতি বহলাবলৈ প্ৰস্তাৱ কৰা হৈছে।

৯। ১৯৮৬ চনৰ ১৭ ডিচেম্বৰ তাৰিখে ৰাজ্য চৰকাৰে এক

উদ্যোগ

নতুন উদ্যোগ নীতি ঘোষণা কৰে। ৰাজ্যখনৰ সুষম আৰু দ্ৰুত ঔদ্যোগিক উন্নয়ন আৰু পৰ্য্যাপ্ত পৰিমাণে নিয়োগৰ সুবিধা সৃষ্টিয়েই এই নীতিৰ উদ্দেশ্য। নতুন নীতিৰ অংশ হিচাপে এলানি উদগনিমূলক ব্যৱস্থাও ঘোষণা কৰা হৈছে আৰু এই ব্যৱস্থাসমূহে ৰাজ্যখনত উদ্যোগ স্থাপন কৰিবলৈ উদ্যোগী সকলক উৎসাহিত কৰিব। এই নীতি ৰূপায়ণৰ অৰ্থে বৃহৎ আৰু মজলীয়া উদ্যোগৰ

বাবে অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেডত আৰু ক্ষুদ্ৰ বা অতি ক্ষুদ্ৰ খণ্ডৰ উদ্যোগৰ বাবে উদ্যোগ সঞ্চালকালয় আৰু জিলা উদ্যোগ কেন্দ্ৰ সমূহত একে ঠাইতে সকলো সুবিধা পাব পৰাকৈ "উদ্যোগ সহায়ক" নামৰ ব্যৱস্থা গঢ়ি তোলা হৈছে।

মধ্যমীয়া আৰু বৃহৎ উদ্যোগ স্থাপনৰ বাবে থলুৱা উদ্যোগীক সহায় কৰিবলৈ অসম ঔদ্যোগিক উন্নয়ন নিগমে চলিত বিত্তীয় বছৰৰ পৰা সাহাৰ্য্যপ্ৰাপ্ত খণ্ডৰ আঁচনি সমূহ কাৰ্যকৰী কৰিবলৈ লৈছে। এই খণ্ডৰ জৰিয়তে প্ৰত্যেক্ষভাৱে প্ৰায় ৪০০০ লোকৰ নিয়োগৰ বাট মুকলি হব আৰু পৰোক্ষ ভাৱেও কেবা হেজাৰো লোক উপকৃত হব। অসম ঔদ্যোগিক উন্নয়ন নিগমৰ জৰিয়তে চলোৱা ভাৰতীয় ঔদ্যোগিক উন্নয়ন বেংকৰ পুনৰ বিত্ত যোগান আঁচনিৰ অধীনত প্ৰত্যেক্ষভাৱে প্ৰায় ৬ হেজাৰ লোকৰ বাবে নিয়োগৰ বাট মুকলি কৰাৰ উপৰিও আন বহুতকে পৰোক্ষ নিয়োগ দিব পৰা হব বুলি আশা কৰা হৈছে।

ক্ষুদ্ৰ উদ্যোগ খণ্ডত শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ আত্মনিয়োগৰ বাবে ক্ষুদ্ৰ উদ্যোগ গোটৰ বিকাশৰ প্ৰচেষ্টা ব্যাপক কৰি তোলা হৈছে। এই উদ্দেশ্যে ১০৮ টা প্ৰকল্পৰ খচৰা যুগুতাই ৰাজ্যৰ সকলো জিলা উদ্যোগ কেন্দ্ৰৰ মাজত বিলাই দিয়া হৈছে। চলিত বছৰৰ ভিতৰত ছটা নতুন জিলা উদ্যোগ কেন্দ্ৰ খোলা হৈছে আৰু অহা বছৰ আৰু এটা কেন্দ্ৰ পতাৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ ফলত জিলা উদ্যোগ কেন্দ্ৰই ৰাজ্যৰ সকলো জিলাকে সামৰি লব।

চলিত বছৰত ক্ষুদ্ৰ আৰু সৰু হস্ত শিল্প গোট তথা শিক্ষিত নিবনুৱা স্বনিয়োজন আঁচনিৰ অন্যান্য ঔদ্যোগিক গোট স্থাপনৰ জৰিয়তে প্ৰায় ২০,০০০ নিবনুৱা ডেকা-গাভৰুক নিয়োগৰ সুবিধা দিয়াৰ বিপৰীতে ১৯৮৭ চনৰ বছৰটোত এই সমূহ আঁচনিৰে ৩০,০০০ নিবনুৱা যুৱক-যুৱতীক সংস্থানৰ সুযোগ দিয়াৰ প্ৰস্তাৱ কৰা হৈছে। চলিত বছৰৰ ১২০০ ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ লক্ষ্যৰ বিপৰীতে

অহা বছৰত ৬৫০০ টা গোট স্থাপনৰ লক্ষ্য লোৱা হৈছে। হস্ত শিল্পৰ খণ্ডতো চলিত বছৰৰ ৫৫০ ৰ বিপৰীতে অহা বছৰত ১৫০০ গোট স্থাপনৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। আত্মনিয়োজনৰ বাবে যুৱক-যুৱতীৰ প্ৰশিক্ষণৰ ওপৰতো সমানে গুৰুত্ব দিয়া হৈছে। চলিত বছৰৰ ৪০০ জনৰ প্ৰশিক্ষণৰ লক্ষ্যৰ বিপৰীতে অহা বছৰ প্ৰতি উন্নয়ন খণ্ডত সামৰি ১৫০ টা ঔদ্যোগিক অভিযান শিবিৰ পাতি ৪৫০০ জনক প্ৰশিক্ষণ দিবলৈ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ উপৰিও দুটা নতুন মাল নিয়ন্ত্ৰণ আৰু বেচা-কিনা কেন্দ্ৰ, উদ্যোগ গাম ১৫ খন আৰু বিকাশ কেন্দ্ৰত ৪ খন নতুন ছালি, ৬ টা নতুন বাণিজ্যিক কেন্দ্ৰ, কাঁহ-পিতল শিল্পক সহায় কৰিবলৈ এটা নতুন কেঁচা মালৰ ভাণ্ডাৰ আৰু এটা নতুন সমূহীয় সুবিধা তথা সেৱা কেন্দ্ৰ ১৯৮৭-৮৮ চনৰ বছৰটোতে স্থাপন কৰা হব।

১০। বেংকৰ সা-সুবিধা বিকাশৰ দিশত আমাৰ ৰাজ্যখন তুলনামূলক ভাবে অনগ্ৰসৰ হৈয়েই আছে। ১৯৮৬ চনৰ জুন মাহত ৰাজ্যখনত অনুসূচীত বেংকৰ কাৰ্যালয়ৰ সংখ্যা আছিল ৯৭৪ টা। যাইকৈ গাওঁ অঞ্চলত কাম-কাজ চলোৱা পাচোটা গাঁৱলীয়া বেংকৰ ৩২১ টা শাখা কাৰ্য্যালয়ো ইয়াৰ ভিতৰত ধৰা হৈছে। ১৯৮৫ চনৰ ডিচেম্বৰ মাহত ৰাষ্ট্ৰীয় পৰ্য্যায়ত গড়ে ১৩,০০০ জনসংখ্যাৰ বাবে এটাকৈ বেংকৰ কাৰ্য্যালয় থকাৰ বিপৰীতে অসমত আছিল গড় হিচাপত ২০,৬২২ জনৰ বাবে এটাকৈ কাৰ্য্যালয়। ৰাজ্যখনত বেংক সেৱাৰ ব্যৱস্থা ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সমানলৈ উন্নীত কৰিবলৈ সপ্তম পাচ বছৰীয়া পৰিকল্পনাৰ লগে লগে চলি থকা ৰিজাৰ্ভ বেংকৰ ১৯৮৫-৯০ শাখা অনুজ্ঞাদান নীতিৰ অধীনত ব্যৱস্থা লোৱা হৈছে। এই নীতিৰ অধীনত বেংক সমূহৰ মাজত ভগাই দিবলৈ বুলি ২৬৯ টা নতুন বিকাশ কেন্দ্ৰৰ তালিকা ইতিমধ্যে ৰিজাৰ্ভ বেংকলৈ অনুমোদন কৰি পঠিওৱা হৈছে। ৰিজাৰ্ভ বেংকে আগতে ৯৬ টা নতুন কেন্দ্ৰ ভগাই দিছে আৰু নিৰ্দ্ধাৰিত বেংকসমূহক

আনুষ্ঠানিক বিত্ত

প্ৰয়োজনীয় অনুজ্ঞা পত্ৰ দিবলৈ গুৱাহাটীত থকা নিজৰ আঞ্চলিক কাৰ্য্যালয়ক কৰ্তৃত্ব দিছে।

ঋণ বিনিয়োগৰ বেলিকাও আমাৰ ৰাজ্যত ঋণদানৰ গতি ভালেখিনি হতাশজনক। ১৯৮৬ চনৰ জুনমাহত বেংকসমূহৰ আমানত আৰু ঋণৰ মুঠ পৰিমাণ আছিল ক্ৰমে ৯৭৫.৫৬ কোটি টকা আৰু ৫১৭.৩৮ কোটি টকা। ১৯৮৬ চনৰ জুন মাহতেই অনুসূচীত বেংক সমূহৰ ঋণ আৰু আমানতৰ অনুপাতো ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৬৫.৫ শতাংশৰ বিপৰীতে অসমত ৫৩.০৩ শতাংশহে আছিলগৈ। ক্ষেত্ৰ পৰ্যায়ত ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ অৰ্থে ঋণ দানৰ পৰিমাণ বঢ়াবৰ বাবে বিত্তীয় অনুষ্ঠান সমূহৰ লগত ঘনিষ্ঠ বুজাবুজিৰ সম্পৰ্ক অক্ষুন্ন ৰখা হৈছে।

**বিজুলী**

১১। ১৯৭৯-৮০ চনৰ শেহত ৰাজ্যখনত বিজুলী উৎপাদনৰ প্ৰতিষ্ঠিত ক্ষমতা আছিল মাত্ৰ ১৪১.৫ মেগাৱাট। ১৯৮৫-৮৬ চনৰ শেহত এই পৰিমান ৪০৯.৪ মেগাৱাটলৈ বাঢ়ে। ১৯৮৬-৮৭ চনত উৎপাদন ক্ষমতা আৰু ৭৫ মেগাৱাট বঢ়োৱাৰ লক্ষ্য লোৱা হৈছিল। ১৯৮৬ চনৰ অক্টোবৰ মাহত বঙাইগাঁও তাপবিদ্যুৎ কেন্দ্ৰৰ ৬০ মেগাৱাট ক্ষমতাৰ চতুৰ্থটো গোট আৰু নবেম্বৰ মাহত লাকুৱা তাপ বিদ্যুৎ কেন্দ্ৰৰ সম্প্ৰসাৰণৰ ১৫ মেগাৱাট ক্ষমতাৰ চতুৰ্থটো গোটৰ উৎপাদন আৰম্ভ হোৱাৰ লগে লগে এই লক্ষ্য পূৰণ হয়। এইদৰে বৰ্ত্তমান ৰাজ্যখনত বিজুলী উৎপাদনৰ মুঠ প্ৰতিষ্ঠিত ক্ষমতা ৪৮৪.৪ মেগাৱাট হৈছেগৈ। আমাৰ ৰাজ্যত বৰ্ত্তমানে বিজুলী শক্তিৰ চাহিদা সৰ্বাধিক ২৯০ মেগাৱাটলৈকে হয়। এই চাহিদা কিছু পৰিমানে ৰাজ্যৰ নিজা বিজুলী উৎপাদন কেন্দ্ৰৰ জৰিয়তে আৰু আংশিক ভাবে মেঘালয়ৰ লগতে কপিলী আৰু

লোগটাকৰ দৰে আঞ্চলিক জলবিদ্যুৎ প্ৰকল্পৰ পৰা বিজুলী আনি পূৰোৱা হয়। ১৯৮৫-৮৬ চনত মুঠ ৮৪৫.৬১ নিযুত ইউনিট বিজুলী উৎপাদন কৰা হৈছিল। চলিত বছৰত ১০৯৮ নিযুত ইউনিট আৰু ১৯৮৭-৮৮ চনত ১২৪০ নিযুত ইউনিট বিজুলী উৎপাদনৰ লক্ষ্য লোৱা হৈছে।

গ্ৰাম্য বৈদ্যুতিকৰণৰ দিশত ৰাজ্যখনৰ মুঠ ২১,৯৯৫ খন গাঁৱৰ ভিতৰত ১৯৮৫-৮৬ চনৰ শেহলৈ মুঠতে ১৩,৬৩৮ খন গাঁও সামৰা হৈছে। ই হ'লগৈ গাঁৱৰ মুঠ সংখ্যাৰ প্ৰায় ৬২ শতাংশ। ১৯৮৬-৮৭ চনত ২.২১১ খন গাঁৱলৈ বিজুলী যোগানৰ লক্ষ্য লোৱা হয় আৰু ১৯৮৭ চনৰ জানুৱাৰীলৈকে তাৰে ৮৯৩ খন গাঁৱৰ বৈদ্যুতিকৰণ সম্পূৰ্ণ হৈছে। ১৯৮৭-৮৮ চনত একেদৰে ২,১৮৫ খন গাঁও সামৰি লবলৈ লক্ষ্য লোৱা হৈছে।

১৯৮৭-৮৮ চনৰ বাবে বিজুলী শক্তিৰ শিতানত অনুমুদিত পৰিকল্পনা ব্যয়ৰ পৰিমাণ হৈছে ১২৯.৮৭ কোটি টকা। ইয়াৰ বিপৰীতে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ নিজা সম্পদৰ হিচাপত ৭১.৪৪ কোটি টকাৰ ঘাটিহে ওলায়। এই ঘাটি অন্ততঃ আংশিক ভাৱে পূৰাবৰ বাবে ১৯৮৪ চনৰ ১ জুলাইৰ পৰা বিজুলী ব্যৱহাৰৰ মূল্যৰ বিবিধ সংশোধন কৰা হৈছে। আনুমানিক হিচাপমতে এই সংশোধনৰ ফলত ১৯৮৭-৮৮ চনত অতিৰিক্ত ভাবে ৫১.৪২ কোটি টকা পোৱা যাব আৰু ইয়াৰ ভবিষ্যতে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ সম্পদৰ ঘাটি ২০.০২ কোটি টকালৈ কমিব। পৰিষদে আনুষ্ঠানিক উৎসৰ পৰাও ৬৯.৬৮ কোটি টকা গোটাব আৰু ৰাজ্য চৰকাৰে ঋণ হিচাপে আগবঢ়াব ৮০.২১ কোটি টকা। সেই অনুসাৰে ২০.০২ কোটি টকাৰ ঘাটি পূৰোৱাৰ উপৰিও পৰিষদৰ মুঠ পৰিমাণ হবগৈ ১২৯.৮৭ কোটি টকা।

বন ১২। বন সংৰক্ষণৰ সাম্প্ৰতিক আন্তৰ্জাতিক ধাৰণাত কেৱল বাহৰ উৎস হিচাপে গুৰুত্ব দিয়াতকৈ পৰিবেশৰ ভাৰসাম্য আৰু উন্নত পাৰিপাৰ্শ্বিকতাৰ অটুট ৰখাৰ বাবেহে বন সংৰক্ষণত

গুৰুত্ব দিয়া হব। বন ভূমিৰ বিনাশ ৰোধ কৰাৰ প্ৰয়োজনৰ বিষয়ে এই পৃথিবীজোৰা সচেতনতাৰ লগত ৰক্ষিতা খুৱাই তাৎক্ষণিক ৰাজহ সংগ্ৰহৰ বিবেচনা আওকান কৰিও নিৰ্বিচাৰে গছ-গছনি কটাৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিছে। একেদৰেই বনাঞ্চল পুনৰ গঢ়ি তোলাৰ প্ৰচেষ্টাতো অধিকতৰ গুৰুত্ব দিয়া হৈছে আৰু চলিত বছৰত উৎপাদনশীল আৰু সামাজিক বনানীকৰণৰ আঁচনিৰে সাধাৰণ অঞ্চলত ১৭,৭৯০ হেক্টৰ আৰু পাৰ্বত্য অঞ্চলত ৩,৮৩০ হেক্টৰ অঞ্চল সামৰিব পৰা হব বুলি আশা কৰা হৈছে। আপুনা-আপুনি সৃষ্টি হোৱা গছ-গছনি কাটি তাৰ ঠাইত বাহিৰৰ জাতৰ গছ ৰোৱাৰ বৰ্ত্তমানৰ পদ্ধতিৰ পৰিবৰ্ত্তে ১৯৮৭-৮৮ চনৰ আঁচনিত যথা-সম্ভৱ স্থানীয় জাতৰ গছ-গছনিকে পুনৰ গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। বন্যপ্ৰাণীৰ কাৰ্য্যকৰী সুৰক্ষাৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। বিখ্যাত মানস অভয়াৰণ্যক এখন ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষণা কৰিবলৈও চৰকাৰে প্ৰস্তাৱ কৰিছে।

শিক্ষা

১৩। শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় নীতিৰ লগত সঙ্গতি ৰাখি প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰাত আমাৰ চৰকাৰে গুৰুত্ব দিব। সকলো স্তৰত শিক্ষাৰ মান উন্নত কৰা আৰু উচ্চ শিক্ষাৰ দিশত আমাৰ সফলতা সমূহ সুদৃঢ় কৰাৰ বাবে আমি যত্ন কৰি আহিছো আৰু সেই প্ৰচেষ্টা অব্যাহত থাকিব। সাংস্কৃতিক কাম-কাজ আৰু শাৰীৰিক শিক্ষাৰ ক্ষেত্ৰত যথাৰ্থ মনোযোগ দিয়াৰ প্ৰয়োজন স্বীকাৰ কৰি আমি চলিত বছৰত ক্ৰীড়া আৰু যুৱ কল্যাণৰ বাবে এটা আৰু সাংস্কৃতিক পৰিক্ৰমাৰ বাবে এটা মুঠ দুটা আছুতীয়া প্ৰশাসনীয় বিভাগ গঠন কৰিছো। সাধাৰণ শিক্ষাৰ শিতানত চলিত বছৰৰ ২৫৪ কোটি টকাৰ বিপৰীতে অহা বছৰৰ বাবে ২৮০ কোটি টকাৰ ব্যৱস্থা ৰখা হৈছে। একেদৰেই কাৰিকৰী শিক্ষাৰ বাবে চলিত বছৰৰ ৭.৩৫ কোটি টকাৰ বিপৰীতে অহা বছৰৰ কাৰণে ৮.১৭ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে।

স্বাস্থ্য

১৪। গ্ৰাম্য স্বাস্থ্য সেৱাত গুৰুত্ব দি থকা হৈছে আৰু অহা বছৰতো গ্ৰাম্য স্বাস্থ্য সেৱাৰ দিশত স্বাস্থ্য বিভাগৰ বিশেষ মনোযোগ অব্যাহত থাকিব। চলিত বছৰত এতিয়ালৈকে ৩২৯ টা উপকেন্দ্ৰ, ৫৯ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ৮টা সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ বাবে বিষয়া কৰ্মচাৰীৰ পদৰবাবে মঞ্জুৰী দিয়া হৈছে। জয়সাগৰ, উত্তৰ লক্ষিমপুৰ আৰু কোকৰাঝাৰত ২০০ খন বিচনাৰ আৰু হাইলাকান্দি, তিনিচুকীয়া আৰু গোঁসাইগাঁৱত ১০০খন বিচনাৰ মকুহমা চিকিৎসালয় নিৰ্মাণৰ কাম আগবাঢ়িছে।

পাৰ্ব্বত্য অঞ্চল

১৫। পাৰ্বত্য জিলা দুখনৰ অৰ্থনীতি মুলতঃ কৃষি প্ৰধান আৰু তাত ঝুম খেতিয়ে এতিয়াও যথেষ্ট প্ৰাধান্য বিস্তাৰ কৰি আছে। পাৰ্ব্বত্য অঞ্চলৰ জনজাতীয় বাইজক স্থায়ী বসতিৰ ফালে উৎসাহিত কৰাৰ প্ৰচেষ্টা ব্যাপক কৰি তোলাৰ ব্যৱস্থা কৰা হৈছে। সপ্তম পৰিকল্পনাৰ কালত কৃষি আঁচনিৰ ফলপ্ৰসু ৰূপায়নৰ বাবে প্ৰয়োজনীয় যথোচিত সম্প্ৰসাৰণ সেৱা আগবঢ়াবলৈ, খেতিয়কৰ স্বাৰ্থৰ সুৰক্ষাৰ বাবে আদাৰ লেখীয়া ব্যৱসায়িক শস্যৰ সংগ্ৰহ আৰু ব্যৱসায়, অধিক লাভজনক ভাৱে পশু পালন কৰিবলৈ গাঁওৰ বাইজৰ প্ৰশিক্ষণ অধিকতৰ অঞ্চল বনানিকৰনেৰে সামৰিবলৈ আৰু নষ্ট হোৱা বনভূমি পুনৰ গঢ়ি তুলিবলৈ, অধিকতৰ সংখ্যক সমূহীয়া উন্নয়ন খণ্ড মুকলি কৰা, পথ যোগাযোগৰ উন্নয়ন, ৰিমিয়মান জলসিঞ্চন প্ৰকল্প সম্পূৰ্ণ কৰা আদিৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে। পাৰ্বত্য জিলা দুখনত খোৱা পানী, চিকিৎসা সেৱা আৰু শিক্ষাৰ সা সুবিধাৰ সম্প্ৰসাৰণত উচ্চ অগ্ৰাধিকাৰ দি থকা হব। ১৯৮৬-৮৭ চনৰ পাৰ্ব্বত্য অঞ্চলৰ বাৰ্ষিক পৰিকল্পনাৰ মুঠ আবন্টন ৬০.৯০ কোটি টকাত ধাৰ্য্য কৰা হৈছিল। তাৰে ৩৫ কোটি টকা আছিল ৰাজ্যিক পৰিকল্পনাৰ আৰু বাকী ২৫.৯০ কোটি টকা সংযোগী পৰিকল্পনাৰ অধীনত বিশেষ কেন্দ্ৰীয় সাহায্যৰ ৰূপত পোৱা হয়। পাৰ্বত্য অঞ্চলৰ বাৰ্ষিক পৰিকল্পনাৰ বেলিকা পৰিকল্পনাৰ আয়োগে ৰাজ্যিক পৰিকল্পনাৰ অধিনত চলিত বছৰৰ ৩৫ কোটি টকাৰ পৰিবৰ্ত্তে ১৯৮৭-৮৮ চনৰ বাবে ৪১ কোটি টকাৰ আবন্টন অনুমোদন কৰিছে

আৰু এই বৃদ্ধিৰ হাৰ ১৭ শতাংশ। ইয়াৰ উপৰিও সংযোগী পৰিকল্পনাত ২৫.৯০ কোটি টকা ধৰা হৈছে।

**অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (ভৈয়াম) কল্যাণ**

১৬। ভৈয়ামৰ অনুসূচীত জনজাতি আৰু অনুসূচীত শ্ৰেণীৰ কল্যাণৰ বাবে চৰকাৰে বিশেষ মনোযোগ দি আছিছে। ৰাজ্যিক পৰিকল্পনা আবণ্টনৰ পৰা আচুতীয়াকৈ লোৱা পুঁজিৰে তেওঁলোকৰ বিকাশৰ বাবে বিশেষ আঁচনি হাতত লোৱা হৈছে। চলিত বছৰৰ ৫৬.২৬ কোটি টকাৰ পৰিবৰ্তে ১৯৮৭-৮৮ চনত জনজাতীয় উপ-পৰিকল্পনাৰ অধীনত ৰাজ্যিক পৰিকল্পনা আবণ্টনৰ পৰা ৬২.৭৫ কোটি টকা আচুতীয়াকৈ লোৱা হব। অনুসূচীত জাতিৰ বিশেষ সংযোগী পৰিকল্পনাৰ ক্ষেত্ৰতো চলিত বছৰৰ ১৩.৯৫ কোটি টকাৰ বিপৰীতে ৰাজ্যিক পৰিকল্পনা আবণ্টনৰ পৰা ৩১.৫০ কোটি টকা আচুতীয়াকৈ ৰখা হব। আচুতীয়াকৈ ৰখা ধনখিনি সংহত জনজাতীয় উন্নয়ন প্ৰকল্পৰ বাবে জনজাতীয় উপ-পৰিকল্পনাৰ অধীনত প্ৰকল্পৰ হিচাপত আৰু অনুসূচীত জাতিৰ বিকাশৰ বাবে বিশেষ সংযোগী পৰিকল্পনাৰ অধিনত মহকুমাই প্ৰতি আবণ্টন কৰি দিয়াৰ ব্যৱস্থা কৰা হব। জনজাতীয় উপ-পৰিকল্পনা আৰু বিশেষ সংযোগী পৰিকল্পনাৰ আঁচনিসমূহে সংযোজিত কেন্দ্ৰীয় সাহায্যৰো পৃষ্ঠপোষকতা পাব। আঁচনি সমূহৰ ৰূপায়ণৰ গতিৰ ওপৰত চকু ৰখাতো বিশেষ গুৰুত্ব দিয়া।

**চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱাৰ কল্যাণ**

১৭। চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱা তথা অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণৰ দিশত তেওঁলোকৰ শিক্ষাগত আৰু অৰ্থনৈতিক বিকাশ আৰু স্বাস্থ্য সেৱাৰ বাবে আগৰ দৰেই বিশেষ আঁচনি লোৱা হৈ থাকিব। চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱাৰ কাৰণে এনে ধৰণৰ আঁচনিৰ বাবদ অহা বছৰৰ বাবে আচুতীয়াকৈ ৰখা পৰিকল্পনা পুঁজিৰ মুঠ পৰিমাণ হৈছে ৫৩ লাখ টকা। যাৰ বাবে এই আঁচনিসমূহ কৰা হৈছে তেওঁলোকে যাতে তাৰ সুফল সমূহ পায় সেই বিষয়েও মনোযোগ দিয়া হব।

**সমাজ কল্যাণ**

১৮। অনাথ শিশু আৰু মহিলাকে ধৰি শিশু আৰু নাৰীৰ কল্যাণৰ বিষয়টোৱে চৰকাৰৰ গভীৰ মনোযোগ পাই থাকিব। সংহত শিশু বিকাশ সেৱাৰ কাৰ্য্যসূচীখন সম্প্ৰসাৰিত কৰা হ'ব। মহিলাৰ মাজত উপাৰ্জনশীল কাম-কাজ বহলাবৰ বাবে নাৰী বিকাশ নিগম স্থাপন কৰিবলৈ ৰাজ্য চৰকাৰে মনস্থ কৰিছে। অহা বছৰত শাৰীৰিক ভাবে বাধাগ্ৰস্ত সকলৰ কল্যাণৰ ক্ষেত্ৰতো চৰকাৰে অধিকতৰ মনোযোগ দিব।

**গ্ৰাম্য ভূমি-হীনলৈ ঘৰ সজা মাটি**

১৯। ন্যূনতম প্ৰয়োজন কাৰ্যসূচীৰ অধীনত গ্ৰামাঞ্চলত ঘৰ সজা মাটিৰ বাবে অহা বছৰত মুঠ আঠৈ কোটি টকাৰ ব্যৱস্থা ৰাখিবলৈ প্ৰস্তাৱ কৰিছে। এই ধন গাঁৱৰ ১০ হেজাৰ গৃহহীন পৰিয়ালৰ প্ৰত্যেকলৈকে ঘৰ সজা ঠাইৰ উন্নয়ন আৰু নিৰ্মাণ সাহাৰ্য্যৰ হিচাপত আঠৈ হেজাৰ টকাকৈ দিয়া হ'ব। উক্ত পৰিয়াল সমূহৰ ভিতৰত ২৩২০ টা পৰিয়াল হ'ব জনজাতীয় উপ-পৰিকল্পনাৰ অধীনৰ এলেকাৰ পৰা, ১,৯৬০ টা অনুসূচীত জাতিৰ আৰু ৪০০ টা পৰিয়াল হ'ব পাহাৰী জিলা দুখনৰ।

**নিয়োগ**

২০। কাৰ্য্যভাৰ লোৱাৰে পৰাই নিবনুৱা সমস্যাটোৱে বৰ্ত্তমান চৰকাৰৰ মনোযোগ পাই আহিছে। জনসংখ্যাৰ বৃদ্ধি আৰু শিক্ষাৰ সম্প্ৰসাৰণৰ অনুপাতে নিয়োগৰ সা-সুবিধা বঢ়া নাই আৰু বৰ্ত্তমানৰ উদ্যোগ সমূহতো উদ্বৃত্ত জনশক্তি, বোজা জাপি দিয়াৰ নীতি অনুসৰণ কৰি এই সমস্যাৰ জোৰা মাৰিব পৰা নহ'ব। সেই বাবেই চৰকাৰে আত্ম নিয়োজনৰ সুবিধা বঢ়োৱাত গুৰুত্ব দিবলৈ থিৰাং কৰিছে। আত্মনিয়োজনৰ নতুন বাট মোকলোৱাৰ বাবে বৰ্ত্তমানে থকা জিলা জনশক্তি পৰিষদসমূহ শক্তিশালী কৰা হৈছে। এই ক্ষেত্ৰত চৰকাৰে ঘোষণা কৰা নতুন ঔদ্যোগিক নীতিয়ে আত্ম-সংস্থাপনমূলক কাৰ্য্যসূচীৰ যোগেদি যথেষ্ট পৰিমাণৰ নিয়োগৰ সা-সুবিধা উলিয়াব পাৰিব বুলি আশা কৰা হৈছে। তদুপৰি, ১৯৮৩ চনৰ অসম নিবনুৱা সাহায্য আঁচনি অনুসৰি নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীভুক্ত স্নাতক নিবনুৱালৈ ৫০

টকাকৈ দিয়া মাহিলি ভাট্টা অহা বছৰতো দি থকা হব। ৰাজ্য খনৰ সংগঠিত খণ্ডত সৃষ্টি হোৱা মুঠ বিয়োগৰ সংখ্যা ১৯৮৫ চনৰ জুন মাহৰ শেষৰ ৯.৬৮ লাখৰ পৰা শতকৰা ২.৪ ভাগ হাৰত বাঢ়ি ১৯৮৬ চনৰ জুন মাহৰ শেষলৈ ৯.৯২ লাখ হয়গৈ। আনহাতে, সেই একেছোৱা সময়তে পঞ্জীভুক্ত নিবনুৱাৰ সংখ্যা ৫.৩৫ লাখৰ পৰা ২৯.৭ শতাংশ হাৰত ৬.৯৪ লাখলৈ বৃদ্ধি পায়। ১৯৮৬ চনৰ জুন মাহত মহিলা চাকৰি প্ৰাৰ্থীৰ সংখ্যা আছিল মুঠ ১.০৬ লাখ আৰু ইয়াৰে ৫৭,০০০ হেজাৰ আছিল অনুসূচীত জনজাতিৰ আৰু ৩৮,০০০ অনুসূচীত শ্ৰেণীৰ এই সময়ছোৱাত নিয়োগ বিনিময় কেন্দ্ৰৰ যোগে জাননী দিয়া খালি পদৰ সংখ্যা আছিল ৬'৪৪৮ আৰু ইয়াৰ বাবে নাম পঠোৱা ৫৬,৫৫৫ জন প্ৰাৰ্থীৰ ভিতৰত ২,৮৬৬ জনক নিযুক্তি দিয়া হয়।

পৰিয়াল পেন্সন

২১। চৰকাৰী কৰ্মচাৰী তথা পেন্সনাৰৰ যি সকল পেন্সনযোগ্য পৰিয়ালক ১৯৬৪ পৰিয়াল পেন্সন আঁচনিয়ে সামৰা নাছিল, সম্পদৰ ওপৰত থকা হেচা সত্বেও সামাজিক উপকাৰৰ ব্যৱস্থা হিচাপে ৰাজ্য চৰকাৰে সেই সকলো পৰিয়াললৈ পৰিয়াল পেন্সন দিবলৈ থিৰাং কৰিছে। এই ব্যৱস্থাৰ দ্বাৰা ১৯৬৪ চনৰ ১ জানুৱাৰীৰো আগতে অৱসৰ লোৱা বা চাকৰি কালতেই মৃত্যু হোৱা বহু সংখ্যক চৰকাৰী চাকৰিয়ালৰ পৰিয়াল উপকৃত হব। এই ব্যৱস্থাৰ অধীনত পেন্সন ১৯৭৮ চনৰ ১৯ জুলাই তাৰিখৰ পৰা প্ৰাপ্য হব আৰু অন্যান্য পেন্সন ভোগী পৰিয়ালে পেন্সনৰ লগত পোৱা ধৰণৰ নিয়মীয়া সা-সুবিধা সহ সেই তাৰিখত চলি থকা নিৰিখত দিয়া হব। চাকৰি কালৰ পুৰণি নথি পত্ৰ চোৱা চিতা কৰোতে হব পৰা বিলম্বৰ বাবে পেন্সন প্ৰাৰ্থীয়ে যাতে কষ্ট ভুগিব লগা নহয়, তাৰ বাবে তেনেবোৰ ক্ষেত্ৰত পৰিয়াল পেন্সন দিয়াৰ পদ্ধতিটো সহজ কৰিবলৈও প্ৰস্তাৱ কৰা হৈছে।

২২। যিসকল পুৰণি পেন্সন ভোগীয়ে পেন্সনৰ মূল্যৰ অনুপাতে

পেন্সনৰ বিনিময়

একেলগে আগতীয়াকৈ টকা পাবৰ বাবে পেন্সনৰ অংশ বিনিময় এৰি দিছিল, তেওঁলোকৰ বেলিকাও আগৰ হাৰতে পেন্সন দিয়াৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে। মন কৰিব লগীয়া যে পেন্সনৰ মূল্য একেলগে পোৱাৰ পিচত চলিত নিয়মমতে বিনিময় কৰা পেন্সনৰ মূল্যৰ অনুপাতে পেন্সন ভোগীজনৰ আগৰ পেন্সন কমি যায়। পেন্সনৰ পৰিমাণ এনেদৰে কমি যোৱাৰ বাবে বহুতো পুৰণি পেন্সন ভোগীয়ে কষ্ট ভোগ কৰিছে। নিয়মমতে বিনিময় কৰাৰ পিছত পেন্সনৰ সংকুচিত নিৰিখ সলাব পৰা ধৰণৰ নহয়। তথাপিও মানবীয় বিবেচনাৰে ১৯৮৭ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ পেন্সন বিনিময় কৰাৰে পৰা ১৪ বছৰ বা পেন্সন ভোগীৰ বয়স ৭২ বছৰৰ ভিতৰত যিটোৱে পিছত হয়, তেতিয়াৰে পৰা পেন্সনৰ বিনিময় কৰা অংশটো ঘূৰাই দিবলৈ চৰকাৰে থিৰাং কৰিছে।

বন্ধ কৰি ৰখা বেতন আৰু ভাট্টা মোকলাই দিয়া

২৩। উল্লেখ কৰিব পাৰি যে বেতন হাৰৰ সংশোধনৰ ফলত ১।১।৮১ৰ পৰা ২৮.২.৮২ তাৰিখলৈকে এইছোৱা সময়ৰ বাবে চৰকাৰী চাকৰিয়ালে বেতন আৰু ভাট্টাৰ হিচাপত পাব লগা অতিৰিক্ত পৰিমাণৰ ধনখিনি আগতে বাধ্যতামূলক ভাবে জমা ৰখা হৈছিল। ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ বেলিকা এনেদৰে জমা ৰখা ধনৰ গোটেইখিনি আৰু বাকী সকলৰ বেলিকা তাৰে ৫০ শতাংশ ইতিমধ্যে মোকলাই দিয়া হৈছে। ৪ৰ্থ শ্ৰেণীৰ বাহিৰে আন সকলৰ নামত জমা হৈ থকা বাকী ৫০ শতাংশও সম্পূৰ্ণ ভাবে চলিত বছৰতে মোকলাই দিবলৈ চৰকাৰে থিৰাং কৰিছে।

পৰিকল্পনা ব্যয়

২৪। পৰিকল্পনা আয়োগে ৰাজ্যখনৰ ১৯৮৭-৮৮ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে সাধাৰণ অঞ্চলত ৫৩৪ কোটি আৰু পাৰ্বত্য অঞ্চলত ৪১ কোটি মুঠ ৫৭৫ কোটি টকাৰ ব্যয় অনুমোদন কৰিছে। ই চলিত বছৰৰ ৫০০ কোটি টকাৰ হিচাপতকৈ ১৫ শতাংশ বেছি। ইয়াৰ উপৰিও পাৰ্বত্য অঞ্চলৰ ক্ষিপ্ৰতৰ বিকাশৰ বাবে ২৫.৯০ কোটি টকাৰ সংযোগী কেন্দ্ৰীয় সাহায্য

পাৰ্বত্য পৰিকল্পনাৰ নিৰ্দ্ধাৰিত ব্যয় পৰিপূৰক হিচাপে পোৱা যাব। জনজাতীয় উপ-পৰিকল্পনা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ বাবে অতিৰিক্ত কেন্দ্ৰীয় সাহায্যও অহা বছৰৰ আবণ্টন আৰু বৃদ্ধি কৰিব। এই সাহায্যৰ পৰিমাণ এতিয়াও নিৰ্দ্ধাৰণ কৰা হোৱা নাই আৰু তেনে নিৰ্দ্ধাৰণ সাপেক্ষে অহা বছৰৰ বাবে জনজাতীয় উপ-পৰিকল্পনাত ৬.৭৮ কোটি টকা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ বাবে ২.০১ কোটি টকাক চলিত বছৰৰ পৰিমাণকে ধৰি থোৱা হৈছে।৫৭৫ কোটি টকাৰ অনুমোদিত ব্যয়ৰ বাবে কেন্দ্ৰীয় সাহায্য নিৰ্দ্ধাৰণ কৰা হৈছে ৫৩০ কোটি টকাত। এই পৰিমাণ মুঠ ব্যয়ৰ ৯২ শতাংশ। অষ্টম বিত্তীয় আয়োগে অনুমোদন জনোৱা কেতবোৰ নিৰ্বাচিত খণ্ডত প্ৰশাসনৰ মান উন্নত কৰিবৰ বাবে ২০.০৭ কোটি টকাও অনুমোদিত পৰিকল্পনাৰ আবণ্টনত আছে। ইয়াৰ বাবে কেন্দ্ৰৰ পৰা ১৩.৭২ কোটি টকাৰ অতিৰিক্ত পৰিকল্পনা বহিৰ্ভূত অনুদান পোৱা যাব।

বিকেন্দ্ৰীকৃত পৰিকল্পনা

২৫। পৰিকল্পনা আয়োগৰ নিৰ্দ্দেশনা মতে ৰাজ্য চৰকাৰে ১৯৮৬ চনৰ ১ এপ্ৰিলৰ পৰা ৰাজ্যখনত বিকেন্দ্ৰীকৃত পৰিকল্পনা পদ্ধতিৰ প্ৰবৰ্ত্তন কৰিছে। বিকেন্দ্ৰীকৃত পৰিকল্পনৰ আঁচনিক অধীনত ১৯৮৭-৮৮ চনৰ বছৰটোৰ বাবে ভৈয়ামৰ মহকুমা সমূহক কাৰণে মহকুমা পৰিকল্পনা যুগুতোৱা হৈছে। এই উদ্দেশ্যে ভৈয়ামৰ ৩১ টা মহকুমাৰ বাবে মহকুমা পৰিকল্পনা আৰু উন্নয়ন পৰিষদ গঠন কৰা হৈছে। জিলাসমূহত পৰিকল্পনা গোট গঠনৰ বাবে ১৯৮৬-৮৭ চনৰ বছৰটোত জিলা মনিটৰিং চেলসমূহ যথোচিত ভাৱে শক্তিশালী কৰা হৈছে। এই উদ্দেশ্যে ৰাজ্যিক পৰিকল্পনা আৰু উন্নয়ন বিভাগটোত যথোচিত ভাৱে শক্তিশালী কৰা হয়।

ক্ষমতাৰ আৰোপ

২৬। পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ নিৰ্দ্দেশনা মতে বিত্ত বিভাগৰো প্ৰতিনিধি থকা বিভাগীয় কমিটীয়ে পৰীক্ষা কৰি অনুমোদন জনোৱা পৰিকল্পনা আঁচনিৰ বাবে ব্যয় মঞ্জুৰী দিবলৈ

প্ৰশাসনীয় বিভাগসমূহৰ আয়ুক্ত তথা সচিব সকলৰ হাতত চলিত বছৰত বিত্ত বিভাগে অতিৰিক্ত বিত্তীয় ক্ষমতা অৰ্পণ কৰিছিল। পৰিকল্পনাৰ আঁচনিসমূহৰ বেলিকা মঞ্জুৰী দিয়াৰ কাম তৰান্বিত কৰাই আছিল ইয়াৰ উদ্দেশ্য।

বিত্তীয় দৃশ্যপট

২৭। পৰ্য্যাপ্ত ধৰণৰ বিকাশ নিশ্চিত কৰিবৰ বাবে আৰু প্ৰয়োজনীয় গতিশীলতা আনিবৰ বাবে ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ গতিয়ে যথোপযুক্ত বুলি কব নোৱাৰি। ইয়াৰ ফলতে ৰাজ্য চৰকাৰৰ হাতত থকা সম্বল আৰু কান্ধত থকা দায়িত্বৰ মাজত ব্যৱধান বাঢ়ি গৈছে। এহাতে বৰ্ত্তমানৰ কৰ বিধিৰ অধীনত অতিৰিক্ত সম্পদ আহৰণৰ সুযোগ তেনেই সীমাবদ্ধ, আনহাতে মূলধনী সা-সম্পত্তিৰ পৰিচালনা, ঋণৰ সুত পৰিশোধ, সামাজিক সেৱা ব্যৱস্থা, আইন শৃংখলা কৰ্মচাৰীৰ প্ৰতি থকা কৰ্ত্তব্যৰ দিশত এৰাব নোৱাৰা দায় দায়িত্বৰ বোজা বছৰে বছৰে বহু পৰিমাণে বাঢ়ি আহিছে। এই পথুৰ ব্যয়ৰ বোজাই ৰাজহৰ পৰিমাণ চেৰাই যায়গৈ আৰু প্ৰায়ে বাজেটৰ ভাৰসাম্যত আউল লগায়। উদ্যোগীকৰণৰ দিশত তুলনামূলক অনগ্ৰসৰতা আৰু গাথনিমূলক সা-সুবিধাৰ দুৰ্বলতাৰ বাবে বাঢ়ি যোৱা ব্যয়ৰ লগত ফেৰ মাৰিব পৰাকৈ পৰ্য্যাপ্ত পৰিমাণৰ সম্পদ আহৰণৰ সম্ভাৱনাও তেনেই ক্ষীণ।

ভালেখিনি ব্যয়েৰে গঢ়ি তোলা মূলধনী সা-সম্পত্তিৰ যথোচিত পৰিচালনা কৰাটো দূৰদৰ্শিতামূলক কথা। কিন্তু সম্পদৰ সীমাবদ্ধতাই এই গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰাৰ বেলিকাও ৰাজ্য চৰকাৰক আহুকালত পেলায়। এনে ধৰণৰ পৰিচালনাৰ বাবে বিত্ত আয়োগৰ চুপাৰিচৰ ভেটিত প্ৰতি বছৰে পুঁজিৰ ব্যৱস্থা কৰিব লাগে। বিত্ত আয়োগে সৰ্বভাৰতীয় মানদণ্ডেৰেহে এনে ধৰণৰ ব্যয়ত অনুমতি দিয়ে। কিন্তু আমাৰ ৰাজ্যত চলি থকা উৰ্দ্ধ মূল্য গাথনিৰ বাবে সৰ্বভাৰতীয় নিৰিখ সমূহ সাধাৰণতে যথেষ্ট নহয়গৈ। অৱশ্যে সম্পত্তি সমূহৰ উপযুক্ত পৰিচালনাৰ স্বাৰ্থত বিত্ত আয়োগৰ চুপাৰিচতকৈ অধিক পৰিমাণৰ ধনৰ ব্যৱস্থা কৰিবলৈ সম্পদৰ সীমাবদ্ধতা সত্বেও ৰাজ্য চৰকাৰ বাধ্য হৈছে।

ঋণ পৰিশোধ আৰু সুতৰ বোজা আমাৰ বাঢ়ি অহা ব্যয়ৰ আন এটা কাৰণ। ১৯৮৫ চনৰ মাৰ্চৰ শেষৰ ১৭৪১.৪৬ কোটি টকাৰ বিপৰীতে ১৯৮৬ চনৰ মাৰ্চৰ শেষলৈ আমাৰ ৰাজহুৱা ঋণ ২০৭৮.৭৮ কোটি টকা হয়গৈ। ১৯৮৭ চনৰ মাৰ্চৰ শেহত ঋণৰ সামগ্ৰিক বোজাই ২৪৪১.৩৯ কোটি টকাৰ সীমা ছুবগৈ বুলি ধাৰণা কৰা হৈছে। চলিত বছৰতে ঋণ পৰিশোধ আৰু সুতৰ হিচাপত যথাক্ৰমে ১২৯.৬৬ কোটি আৰু ১৫৪.৫৩ কোটি টকা খৰচ হব বুলি আনুমানিক হিচাপত দেখা গৈছে। পৰিকল্পনাৰ কামৰ বাবে কেন্দ্ৰৰ পৰা পোৱা উচ্চতৰ ঋণ সাহায্যই এনে ধৰণৰ পৰিস্থিতি হোৱাৰ মাই কাৰণ। পৰিকল্পনাৰ বাবে কেন্দ্ৰীয় সাহায্যত সাধাৰণ অঞ্চলৰ ক্ষেত্ৰত ৭০ শতাংশ ঋণ আৰু ৩০ শতাংশ অনুদান তথা পাৰ্বত্য এলেকাৰ ক্ষেত্ৰত ১০ শতাংশ ঋণ আৰু ৯০ শতাংশ অনুদান থাকে। আমাৰ ৰাজ্যত পাহাৰী জিলা কেৱল দুখনহে থকাৰ বাবে সামগ্ৰিক ভাবে কেন্দ্ৰীয় সাহায্যত অনুদানতকৈ ঋণৰ প্ৰাধান্য বেছি। ইয়াৰ উপৰিও ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ বাবেও আনকি কেন্দ্ৰীয় সাহায্য আহে শতকৰা ১০০ ভাগেই ঋণ সাহায্যৰূপে।

প্ৰাকৃতিক দুৰ্যোগৰ বেলিকা সাহায্যৰ কামত হোৱা খৰছৰ বোজাইও ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিত গধুৰ হেঁচা পেলায়। সামান্য তীব্ৰতাৰ প্ৰাকৃতিক দুৰ্যোগ এটাইও যেতিয়া ৰাজ্যখনক জোকাৰেহি আৰু ৰাজ্যৰ বাজেটত সাহায্যৰ বাবে আছুতীয়াকৈ ৰখা পৰিমানতকৈ অধিক ধন সাহায্যৰ কামত খৰচ কৰিব লগীয়া হয়, তেতিয়া কেন্দ্ৰীয় দল এটা আহি ক্ষয়-ক্ষতিৰ চৰজমিন হিচাপ-নিকাচ কৰেহি আৰু প্ৰত্যেকটো বিষয়ত খৰচৰ উৰ্দ্ধ সীমা চুপাৰিচ কৰে। বাজেটত ধৰা আছুতীয়া পৰিমাণৰ ওপৰত হোৱা খৰচৰ শতকৰা ৭৫ ভাগ কেন্দ্ৰীয় চৰকাৰে বহন কৰে আৰু বাকী ২৫ ভাগ ৰাজ্য চৰকাৰে নিজা সম্পদৰ পৰা বহন কৰে। ব্যয়ৰ অনুমোদিত মুঠ সীমাৰ ভিতৰতো এটা বিষয়ৰ ধন কেন্দ্ৰীয় চৰকাৰে আন এটা বিষয়ত খৰচ কৰিবলৈ নিদিয়ে। আকৌ একেটা নিৰ্দিষ্ট বিষয়ত ৰাজ্য চৰকাৰে

নির্দ্ধাৰিত উচ্চ সীমাতকৈ অধিক খৰচ কৰিলে, সিও কেন্দ্ৰীয় সাহায্যৰ হিচাপত গ্ৰহণযোগ্য নহয়। গতিকে এনেধৰণৰ এৰাব নোৱাৰা খৰচ ৰাজ্য চৰকাৰে কেতিয়াবা নিজা সম্পদৰ পৰাই কৰিবলৈ বাধ্য হয়। প্ৰসঙ্গক্ৰমে, এই বছৰৰ বাবে কেন্দ্ৰীয় দলৰ চুপাৰিচৰ ভোটত কেন্দ্ৰীয় চৰকাৰে ৩৯.৩৪ কোটি টকাৰ খৰচৰ উচ্চ সীমাত অনুমোদন দিছে। ইয়াৰে ৩১.৮৩ কোটি টকা আন সাহায্যৰ বাবে, ৭.৪০ কোটি টকা খৰাং পীড়িত ৰাইজৰ সাহায্যৰ বাবে আৰু ১১ লাখ টকা অগ্নিকাণ্ডত হোৱা ক্ষয়-ক্ষতিৰ পূৰণৰ বাবে। কেন্দ্ৰীয় চৰকাৰে অনুমোদন কৰা এই আবণ্টণ আমাৰ প্ৰয়োজনতকৈ কম।

ৰাজ্য চৰকাৰৰ চাকৰিয়াল সকললৈ দিয়া মৰগীয়া বানচৰ বাবদো প্ৰতি বছৰে ৰাজকোষৰ পৰা বাৰুকৈয়ে ধন ব্যয় হয়। চলিত বছৰত ইতিমধ্যেই মৰগীয়া বানচৰ চাৰিটা কিস্তি মঞ্জুৰ কৰা হৈছে আৰু তাৰ বাবদ বছৰটোৰ ভিতৰতে ধনৰ প্ৰয়োজন হৈছে ১৩ কোটি টকাৰ। তদুপৰি কৰ্মচাৰীলৈ আগবঢ়োৱা বিশেষ সাহায্যৰ বাবদো ১০ কোটি টকা খৰচ হব। মৰগীয়া বানচ মোকলাই দিয়া, দৰমহা গাথনিৰ সালসলনি, বেতন ভাট্টা আৰু পেন্সনৰ সা-সুবিধা আদিৰ বেলিকা কেন্দ্ৰীয় চৰকাৰে নিজৰ চাকৰিয়ালৰ ক্ষেত্ৰত লোৱা সিদ্ধান্তই ৰাজ্যৰ আৰ্থিক অৱস্থাতো প্ৰভাৱ পেলাব খোজে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ দৰে সুবিধা ৰাজ্যৰ হাতত নাই। এনেবোৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সম্পদৰ সীমাবদ্ধতা ৰাজ্যসমূহতকৈ কম। কিয়নো ঘাটি বিত্তীয় ব্যৱস্থাৰ সহায় লৈ কেন্দ্ৰই নিজৰ সম্পদ মিলাই মেলি লব পাৰে। এনে সুবিধা ৰাজ্যৰ হাতত নাথাকে।

ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে বেহাই দামত চাউল আৰু মচুৰ দাইলৰ যোগান ধৰি গ্ৰাহকক সকাহ দিবলৈ বুলি হাতত লোৱা আঁচনি এখনৰ বিষয়ে মই আগতে উল্লেখ কৰি আহিছো। এই আঁচনিৰ বাবদ চৰকাৰী সাহায্যৰ ৰূপত ষ্টেটকেদক দিব লগা টকাৰ পৰিমাণ ৯ কোটি টকা। ৰাজ্য চৰকাৰৰ হৈ আগতে লোৱা

অনুৰূপ ব্যৱস্থাৰ বাবদ এই সংগঠনৰ কান্ধত পৰা ঋণৰ বোজাৰ কিছু অংশ পাতলাবলৈও চলিত বছৰত প্ৰায় ৬ কোটি টকাৰ সাহায্য দিয়া হয়।

ইয়াৰ উপৰিও এনে এক পৰিস্থিতিত বিত্তীয় অনুশাসন আৰু ফলপ্ৰসু ব্যয় নিয়ন্ত্ৰণৰ জৰুৰী প্ৰয়োজনৰ বিষয়ে যিমানেই কোৱা হয় সিমানেই কম হব। কিমান দূৰলৈকে দায়-দায়িত্ব লব পৰা যাব বা আন অৰ্থত কিমান দুৰলৈকে দায় দায়িত্ব সংকুচিত কৰিব পৰা যাব, সেই বিষয়ে আমি এক বাস্তব দৃষ্টিভঙ্গীৰে বিচাৰ কৰিব লাগিব। আগতেই উল্লেখ কৰাৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ দৰে ঘাটি বিত্তীয় ব্যৱস্থাৰ সুবিধা আমি লব নোৱাৰো। আমি আমাৰ নিজৰ সম্বলৰ সীমাৰ মাজতে থাকিব লাগিব। নহলে আমাৰ সন্মুখত অ'ভাৰ ড্ৰাফ্টৰ আশংকা ৰৈ যাব, যিটো বিধিসন্মত নহয়।

আমাৰ বিত্তীয় পৰিস্থিতিত উচিত পৰিমাণৰ গতিশীলতা আনিবলৈ হলে আৰু সম্পদৰ অব্যাহত আৰু সুস্থিৰ প্ৰবাহ এটা নিশ্চিত কৰিবলৈ হলে সুতৰ বোজাৰ পৰা মুক্ত পৰ্য্যাপ্ত পৰিমাণৰ পুঁজি আমাৰ হাতত থাকিব লাগিব। খাৰুৱা তেলৰ প্ৰতি মেট্ৰিক টনত আমি দাবী কৰা ৬৩৬ টকাৰ বিপৰীতে ১৯২ টকা বৰ্ত্তমান ধাৰ্য্য হৈ থকা ৰয়েল্টীৰ হাৰ বৃদ্ধিয়ে সম্পদৰ তেনে এক প্ৰবাহ নিশ্চিত কৰিব পাৰে। খাৰুৱা তেলৰ ৰয়েল্টী নিৰ্দ্ধাৰণৰ প্ৰশ্নটোৰ সকলোবোৰ দিশ চালিজাৰি চাবলৈ ৰাজ্য চৰকাৰে অলপতে কমিটী এখন গঠন কৰি দিছে।

কৰ সংগ্ৰহ

২৮। সম্পদৰ দিশত আমাৰ সফলতা শেষত যিমানেই নহওৰ্কগৈ, গোটেই দেশতে খৰচ-পাতিৰ উৰ্দ্ধমুখিতাৰ সাম্প্ৰতিক পৰিস্থিতিত ৰাজ্যখনৰ বৰ্ত্তমানে থকা সেৱা ব্যৱস্থা চলাই ৰখাৰ আৰু ৰাইজৰ অপূৰণ হৈ থকা আশা-অভিলাষ পূৰণৰ অৰ্থে উন্নয়নৰ কামত বিনিয়োগ বঢ়োৱাৰ প্ৰয়োজনে আমাক জৰুৰী ভাবে অতিৰিক্ত সম্পদৰ বাট বিচাৰিবলৈ বাধ্য কৰিছে। কিন্তু ৰাজ্যখনৰ অৰ্থনীতিৰ অনগ্ৰসৰতাৰ লগতে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সম্পদ বিতৰণৰ

ব্যৱস্থাত কেন্দ্ৰৰ প্ৰতি থকা অতিপাত পক্ষপাতিতাৰ বাস্তৱ অৱস্থালৈ লক্ষ্য কৰিলে আমাৰ হাতত অতিৰিক্ত সম্পদ আহৰণৰ সুযোগ নাই বুলিলেই হয়। ৰাজ্য সমূহৰ বেলিকা ৰাজহৰ কম বেছি কৰিব পৰা একমাত্ৰ উৎসটো হ'ল বিক্ৰী কৰ। পিছে এই কৰৰ নিৰিখ বঢ়ালে ব্যৱসায়ৰ ক্ষেত্ৰ পৰিবৰ্ত্তন ঘটাৰো সম্ভাৱনা থাকে আৰু তাৰ ফলত তেনে প্ৰচেষ্টা ফলপ্ৰসু নহবও পাৰে। বিক্ৰীকৰৰ নিৰিখ বঢ়াবলৈ যাওঁতে আমি এই কথাও পাহৰি থাকিব নোৱাৰো যে আমাৰে চুবুৰীয়া অৰুণাচল প্ৰদেশ আৰু মিজোৰামত সাধাৰণ বিক্ৰীকৰ নাই। এই খিনিতে মনত পেলাব পাৰি যে বিক্ৰীকৰ নথকা বা নিচেই কম নিৰিখত থকা কেতবোৰ খণ্ডলৈ ব্যৱসায়ীৰ ব্যৱসায় পৰিবৰ্ত্তনত বাধা দিবলৈ বুলি কেতবোৰ যান-বাহনৰ বেলিকা বিক্ৰীকৰৰ নিৰিখ কমাবলৈহে আমি যোৱা আগষ্ট মাহৰ অধিবেশনত সদনৰ অনুমোদন লব লগীয়া হৈছিল।

কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সম্পদ বিতৰণৰ যি বিৰূপ ব্যৱস্থাৰ কথা মই খন্তেক আগতে উল্লেখ কৰিছিলো, তাৰ লগতে আৰু কেতবোৰ সাংবিধানিক ব্যৱস্থাইও আমাৰ সম্পদ আহৰণৰ সামৰ্থ্য তেনেই সীমাবদ্ধ কৰি থৈছে। উদাহৰণ স্বৰূপে আমাৰ ৰাজ্যৰ মূল সম্পদ দুবিধ হৈছে চাহপাত আৰু খাৰুৱা তেল। আমাৰ চাহপাতৰ বেছিখিনিয়েই হয় দেশৰ বাহিৰলৈ ৰপ্তানী হৈ যায় অথবা ৰাজ্যৰ বাহিৰত বিক্ৰী হয়। ৰপ্তানী আৰু আন্তঃৰাজ্যিক হস্তান্তৰৰ ওপৰত বিক্ৰীকৰ লগোৱাৰ ওপৰত থকা সাংবিধানিক বিধি-নিষেধৰ বাবে এই চাহপাতৰ ওপৰত আমি কোনো বিক্ৰীকৰ লগাব নোৱাৰে। আনফালেদি খাৰুৱা তেল এবিধ ঘোষিত সামগ্ৰী বুলি সংসদে চিহ্নিত কৰিছে। গতিকে খাৰুৱা তেলৰ বেলিকা বিক্ৰীকৰৰ হাৰ মূল্য অনুপাতে ৪ শতাংশৰ অধিক হব নোৱাৰে। চাহপাত এবিধ কৃষি সামগ্ৰী বুলি উচ্চতম ন্যায়ালয়ে মত প্ৰকাশ কৰিছে। কিন্তু কেন্দ্ৰীয় আয়কৰ আইনৰ ব্যৱস্থা মতে চাহৰ খেতি আৰু উৎপাদনৰ পৰা হোৱা আয়ৰ মাত্ৰ শতকৰা ৬০ ভাগৰ ওপৰতহে আমি

কৃষি আয়কৰ লগাব পাৰো। এই অৱস্থাটো শুধৰাবলৈ আৰু চাহৰ খেতি তথা উৎপাদনৰ পৰা হোৱা সমুদায় আয়ৰ ওপৰত কৃষি আয়কৰ লগোৱা কতৃত্ব পাবৰ বাবে এই বিষয়ত আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো। চৰ্কাৰিয়া আয়োগৰ ওচৰতো আমি বিষয়টো উত্থাপন কৰিছো আৰু এই আয়োগৰ প্ৰতিবেদন এতিয়ালৈ পোৱা হোৱা নাই।

বস্তু-বাহনিৰ আন্তঃৰাজ্যিক ষ্টক হস্তান্তৰৰ ওপৰত কনচাইনমেন্ট কৰ লগোৱাৰ সন্দৰ্ভত আইন ৰচনাৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰে নিষ্পত্তি কৰিব বুলি আমি আশা কৰিছিলো। এনে কৰৰ ভবিষ্যতে বছৰি ৩৪ কোটি টকাৰ ৰাজহ পোৱা গ'ল হেতেন বুলি যোৱাবাৰৰ বাজেট বক্তৃতাতে মই উনুকিয়াইছিলো। কিন্তু পৰিতাপৰ কথা যে আমি বাবে বাৰে সোঁৱৰাই অহা সত্বেও এই আইন কৰাৰ বাবে কেন্দ্ৰই কোনো ধৰণৰ ফলপ্ৰসূ পদক্ষেপ দিয়াটো চকুত পৰা নাই। ফলত আন্তঃৰাজ্যিক ষ্টক হস্তান্তৰৰ কাৰবাৰটো চলিয়েই আছে আৰু আমাৰ ৰাজ্যখনে বছৰি প্ৰায় ৩৪ কোটি টকা পৰিমাণে ৰাজহ হেৰুৱাইছে।

আমাৰ সীমাবদ্ধতা থাকিলেও আগতে অনুকিয়াই অহা কাৰণতে আমাৰ নিজৰ স্বাৰ্থতেই সম্পদ আহৰণৰ ব্যৱস্থা আমি কৰিবই লাগিব। তাকে কৰোতে সমাজৰ দুৰ্বল শ্ৰেণীক কিছু সকাহ দিবলৈও আমি যত্ন কৰিব লাগিব। এইটোও চাব লাগিব যাতে সাধাৰণভাৱে কোনো ধৰণৰ ওপৰঞ্চি বোজা এনে বাইজৰ ওপৰত নপৰেপে যি বাইজে সেই বোজা বহন কৰিব নোৱাৰে। কেতবোৰ খণ্ডই লাভ কৰি অহা মিবোৰ বেহাইৰ এতিয়া দৰকাৰ নাই, সেইবোৰো যাতে বন্ধ হয় তালৈও চকু দিব লাগিব। আৰু আমি এই বিষয়তো নিশ্চিত হব লাগিব যাতে আমাৰ কৰৰ নিৰিখে ব্যৱসায়ীক ব্যৱসায় সলাবলৈ প্ৰৰোচিত নকৰে।

এই খিনি বাধ্যবাধকতাকে মনত ৰাখি আমাৰ কৰৰ নিৰিখৰ কেতবোৰ সাল-সলনিৰ বাবে চলিত অধিবেশনতে আইন উত্থা-

পন কৰিবলৈ মনস্থ কৰা হৈছে। যাইকৈ সমাজৰ দুৰ্বল শ্ৰেণীক কিছু সকাহ দিবৰ উদ্দেশ্যেৰে প্ৰথমতে চাইকেল আৰু বেছি ভাগ ঔষধ-পাতিৰ বেলিকা বিক্ৰী কৰৰ নিৰিখ মূল্য অনুসৰি বৰ্ত্তমানৰ ৭ শতাংশৰ পৰা ৪ শতাংশলৈ কমোৱাৰ প্ৰস্তাৱ কৰা হৈছে। হিচাপ কৰি দেখা যায় যে এই ব্যৱস্থাৰ ফলত বছৰি প্ৰায় ৮০ লাখ টকাৰ ৰাজহ কমিব। কোৱা বাহুল্য মাখোন যে একালে তেনেই সীমিত সম্বল আৰু আনহাতে যুজন পৰিমাণৰ ওপৰন্তি সম্পদৰ প্ৰয়োজনৰ পৰিপ্ৰেক্ষিতত ৰাজহৰ এই হ্ৰাস আমাৰ ৰাজ্যৰ বাবে বৰ ডাঙৰ ক্ষতিৰ লেখীয়া হবগৈ। এই ক্ষতি পুৰাবৰ বাবে আৰু লগতে কিছু অতিৰিক্ত সম্পদ আহৰণৰ বাবে তলত দিয়া ব্যৱস্থা সমূহৰ কথা ভৱা হৈছে :

(ক) বিমানৰ ইন্ধনৰ ওপৰত বিক্ৰী কৰৰ নিৰিখ মূল্যৰ অনুপাতে বৰ্ত্তমানৰ ১০ শতাংশৰ পৰা ১৫ শতাংশলৈ বঢ়োৱা। ইয়াৰ জৰিয়তে বছৰি ৪০ লাখ টকাৰ অতিৰিক্ত ৰাজহ পোৱা যাব বুলি আশা কৰা হৈছে।

(খ) বন্দুক-বাৰুদ, সৰু ডাঙৰ ঘড়ী, লোহাৰ চন্দুক আৰু আলমাৰী, ৰেফ্ৰিজাৰেটৰ আৰু এয়াৰ কণ্ডিশ্যনাৰ, দলিছা, প্লাষ্টিক আৰু ৰবৰ ফমৰ সামগ্ৰী, ৰূপচৰ্চাৰ সামগ্ৰী আৰু কেতবোৰ প্ৰসাধন দ্ৰব্য আদিৰ ওপৰত থকা বিক্ৰীকৰৰ নিৰিখ মূল্যৰ অনুপাতে বৰ্ত্তমানৰ ১২ শতাংশৰ পৰা ১৩ শতাংশলৈ বঢ়োৱা, যাৰ জৰিয়তে বছৰি প্ৰায় ৫ লাখ টকাৰ অতিৰিক্ত ৰাজহ পোৱা যাব।

(গ) চাহপাতৰ ওপৰত থকা বিক্ৰীকৰৰ নিৰিখ মূল্য অনুসাৰে বৰ্ত্তমানৰ ৩ শতাংশৰ পৰা ৬ শতাংশলৈ বঢ়োৱা। ইয়াৰ ফলত অতিৰিক্ত ৰাজহ পোৱা যাব বছৰি প্ৰায় ৫০ লাখ টকা।

(ঘ) বৰ্ত্তমানলৈকে বিক্ৰীকৰৰ পৰা মুক্ত হৈ থকা গুৱাহাটীত নীলামত বিক্ৰী হোৱা চাহপাতৰ ওপৰত মূল্য অনুপাতে ১ শতাংশ হাৰত বিক্ৰীকৰ লগোৱা, যাৰ জৰিয়তে বছৰি আঢ়ৈ কোটি টকাৰ অতিৰিক্ত ৰাজহ পোৱাৰ সম্ভাৱনা আছে।

(ঙ) আমোদকৰৰ নিৰিখ ২৫ ৰ পৰা ৩০ শতাংশ পৰিমাণে বঢ়োৱা, যাৰ

ফলত অতিৰিক্ত ৰাজহ পোৱা যাব বছৰি প্ৰায় ডেৰ কোটি টকা।

প্ৰস্তাবিত ব্যৱস্থা সমূহৰ ভৰিষ্যতে বছৰি মুঠতে প্ৰায় ৪ দশমিক ১৫ কোটি টকাৰ অতিৰিক্ত ৰাজহ পোৱা যাব বিমানৰ তেল আৰু বিশেষ ধৰণৰ কেতবোৰ ভোগ্য সামগ্ৰীৰ বেলিকা বিক্ৰীকৰৰ নিৰিখ বৃদ্ধিয়ে সৰ্ব সাধাৰণ ৰাইজক স্পৰ্শ নকৰেগৈ। উৎপাদিত চাহৰ ওপৰত ১৯৮২ চনৰ ১ এপ্ৰিলৰ পূৰ্বে চলি থকা ৬ শতাংশৰ নিৰিখটোৰ পুনৰ প্ৰবৰ্ত্তন কৰাটোও সময়োপযোগী ব্যৱস্থা হব বুলি আমি ভাবিছো। তেতিয়া জটিল সংকটৰ মাজেদি পাৰ হোৱা চাহ উদ্যোগক কিছু পৰিমাণ সকাহ দিবলৈ ১৯৮২ চনৰ ১ এপ্ৰিল তাৰিখৰ পৰা এই নিৰিখ ৩ শতাংশলৈ কমোৱা হৈছিল। গুৱাহাটী চাহ নীলাম কেন্দ্ৰ স্থাপন আৰু বিকাশৰ বাবে কেন্দ্ৰটোক পোনতে দিয়া ৰেহাইৰ এতিয়াও আৰু দৰকাৰ নাই বুলিও অনুভৱ কৰা হৈছে। সকলোপিনৰ পৰা এই কেন্দ্ৰটো সুস্থিৰ হৈছে আৰু ই এতিয়া ৰাজ্যৰ কোষলৈ কিছু অৰিহণা যোগাবলৈ আৰম্ভ কৰা উচিত। কেবাদশকো ধৰি বিভিন্ন ধৰণৰ চৰকাৰী পৃষ্ঠপোষকতা লাভ কৰি অহা এই খণ্ডটোৱে মাত্ৰ এক শতাংশ নিৰিখৰ সামান্য বিক্ৰীকৰৰ প্ৰস্তাবটো উদাৰ ভাবে গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। আমোদকৰৰ বেলিকা বিক্ৰীৰ বজাৰত চিনেমা টিকেটৰ প্ৰাধান্যৰহে সুবিধা আমি লবলৈ বিচাৰিছো।

অধ্যক্ষ মহোদয়,

১৯৮৫-৮৬ৰ প্ৰকৃত হিচাপ

২৯। মই এতিয়া হিছাপ আৰু বাজেটৰ বিষয়ে কবলৈ বিচাৰিছো। ১৯৮৬ চনৰ মাৰ্চ মাহত ১৯৮৬-৮৭ চনৰ বাবে বাজেট উত্থাপন কৰাৰ সময়ত ১৯৮৫-৮৬ চনৰ সংশোধিত আনুমানিক হিচাপমতে ১২৪.৪৭ কোটি টকাৰ আৰম্ভণী ঘাটি দেখুওৱা হৈছিল। কিন্তু মহাগাণনিকে পিছলৈ কেতবোৰ হিচাপ-পত্ৰ মিলাই মেলি লোৱাৰ পিছত ১৯৮৫-৮৬ চনৰ প্ৰকৃত আৰম্ভণী ঘাটি ৭৭.৯৮ কোটি টকা হয়হি।

ৰাজহ শিতানত ১৯৮৫-৮৬ চনৰ সংশোধিত অনুমানিক হিচাপত ৫৩.২৮ কোটি টকাৰ ঘাটি দেখুওৱা হৈছিল। ৰাজহ হিচাপত এতিয়া এই ঘাটিৰ প্ৰকৃত পৰিমাণ হৈছেগৈ ৫.৫৯ কোটি টকাৰ। ইয়াৰ পৰাই বুজা যায় যে ১৯৮৫-৮৬ চনৰ বছৰটোত অৱস্থাৰ ভালেখিনি উন্নতি ঘটে। ৰাজহ হিচাপৰ বাহিৰত অৱশ্যে সংশোধিত আনুমানিক হিচাপমতে আশা কৰা ১৫৬.৭৬ কোটি টকাৰ ৰাহি প্ৰকৃত হিচাপত ৪৪.৯৫ কোটি টকালৈ কমি অহা পৰিলক্ষিত হয়। ঘাইকৈ ৰাজহুৱা হিচাপৰ পৰা অধিকতৰ পৰিমানৰ ধন ওলাই যোৱাটোৱেই আশা কৰা ৰাহিৰ পৰিমাণ এনেদৰে কমি যোৱাৰ কাৰণ।

১৯৮৫-৮৬ চনৰ সামগ্ৰিক লেনদেনৰ প্ৰকৃত ফলাফল হয়গৈ ৩৯.৩৬ কোটি টকাৰ মুঠ ৰাহি। অৱশ্যে ৭৭.৯৮ কোটি টকাৰ আৰম্ভণী ঘাটিৰ লগত হিচাপ কৰিলে বছৰটো প্ৰকৃততে ৩৮.৬২ কোটি টকাৰ ঘাটিৰেহে ওৰ পৰেগৈ।

**১৯৮৬-৮৭ৰ বাজেট আৰু সংশোধিত হিচাপ**

৩০। যোৱা বছৰ কৰ সংগ্ৰহত লাভ কৰা অগ্ৰগতি চলিত ১৯৮৬-৮৭ চনৰ বছৰটোতো অব্যাহত ৰখা হৈছে। সংশোধিত অনুমানিক হিচাপত ১৯৮৬-৮৭ চনৰ বছৰটোত ৰাজহ প্ৰাপ্তিৰ পৰিমান বাজেটত প্ৰাথমিকভাৱে ধৰা পৰিমাণতকৈ ১১২ কোটি টকা অধিক পোৱা হৈছে। ১৯৮৬-৮৭ চনত ৰাজহ হিচাপত ব্যয়ৰ পৰিমাণো সংশোধিত আনুমানিক হিচাপত ৬৯ কোটি টকা বেছি দেখা গৈছে। ৰাজহ শিতানত সংশোধিত আনুমানিক হিচাপমতে ১৭.৮০ কোটি টকাৰ ঘাটি পৰিলক্ষিত হৈছে। ৬১.২৯ কোটি টকাৰ ঘাটি দেখুওৱা বাজেত হিচাপৰ তুলনাত ই ৪৩ কোটিৰো অধিক টকাৰ উন্নতিকে সূচাইছে।

চলিত বছৰৰ সংশোধিত আনুমানিক হিচাপত একত্ৰিত নিধিৰ অন্তৰ্গত মূলধনী শিতানত প্ৰাপ্তি আৰু ব্যয় উভয় ক্ষেত্ৰতে যথাক্ৰমে ১৯ কোটি আৰু ২৭ কোটি টকাৰ বৃদ্ধি পৰিলক্ষিত হৈছে। ৰাজহ হিচাপৰ বাহিৰত মুঠ লেনদেনৰ বেলিকাও বাজেটৰ হিচাপত ধৰা

২২.৯৫ কোটি টকাৰ বাহিৰ বিপৰীতে ৬.৭৫ কোটি টকাৰ বাহি দেখা যায়। ১৯৮৬-৮৭ চনৰ বাজেটৰ ৩৮.২৫ কোটি টকাৰ ঘাটিৰ আনুমানিক হিচাপৰ বিপৰীতে সংশোধিত আনুমানিক হিচাপত বছৰটোৰ সামগ্ৰিক লেনদেনৰ প্ৰকৃত ফলাফল হিচাপে ১১.০৫ কোটি টকাৰ ঘাটিছে দেখা যায়। ই ২৭ কোটিৰো অধিক টকাৰ উন্নতি সূচাইছে। ৩৮.৬২ কোটি টকাৰ আৰম্ভণী ঘাটিৰে সৈতে হিচাপ কৰিলে ১৯৮৬-৮৭ চনৰ সংশোধিত হিচাপমতে বছৰটো ৪৯.৬৭ কোটি টকাৰ ঘাটিৰে অন্ত হয়গৈ।

১৯৮৭-৮৮ৰ বাজেট

৬১। অহা বছৰৰ আনুমানিক হিচাপতো চৰকাৰী ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত আশাব্যঞ্জক ইংগিত পৰিলক্ষিত হৈছে। চলিত বছৰৰ সংশোধিত আনুমানিক হিচাপৰ তুলনাত অহা বছৰৰ ৰাজহ শিতানৰ আনুমানিক হিচাপত ১০৩ কোটি টকাৰ বৃদ্ধি দেখা গৈছে। ঘাইকৈ ৰাজ্যৰ নিজা বাণিজ্য কৰ, কেন্দ্ৰীয় শুল্কৰ অংশ আৰু ৰাজ্যিক পৰিকল্পনাৰ বাবে অধিকতৰ পৰিমাণৰ কেন্দ্ৰীয় সাহায্যৰ শিতানতে এই বৃদ্ধি হব বুলি হিচাপত দেখা গৈছে।

ঘাইকৈ ৰাজ্যৰ বাৰ্ষিক পৰিকল্পনাৰ বৃদ্ধিত আবণ্টন আৰু অত্যাৱশ্যকীয় সেৱা আৰু সম্পদ পৰিচালনাৰ প্ৰয়োজনৰ বাবে ৰাজহ শিতানৰ খৰচৰ আনুমানিক হিচাপতো চলিত বছৰৰ শেহতীয়া হিচাপতকৈ ৮৯ কোটি টকাৰ অনুৰূপ বৃদ্ধি পৰিলক্ষিত হৈছে ১৯৮৬-৮৭ৰ সংশোধিত আনুমানিক হিচাপৰ ১৭.৮০ কোটি টকাৰ বিপৰীতে ৰাজহ হিচাপৰ চূড়ান্ত ফলাফল ৩.১৭ কোটি টকাৰ ঘাটি দেখা যায়।

একত্ৰিত নিধিৰ অন্তৰ্গত মূলধনী শিতানত প্ৰাপ্তি আৰু ব্যয় উভয় দিশৰে আনুমানিক হিচাপতকৈ কমি যোৱা দেখা গৈছে। ১৯৮৭-৮৮ চনত ৰাজহ শিতানৰ বাহিৰৰ লেনদেনৰ আনুমানিক হিচাপে ১৬.৭৪ কোটি টকাৰ ঘাটি দেখুৱাইছে। সেই অনুসাৰে বছৰটোৰ সামগ্ৰিক লেনদেনৰ পৰিণতিত মুঠ ১৯.৯১ কোটি টকাৰ ঘাটি হবগৈ বুলি হিচাপত ওলাইছে। ১৯৮৭-৮৮ চনৰ বাজেটৰ

আনুমানিক আৰম্ভণী ঘাটিৰ লগত হিচাপ কৰিলে ৬৯.৫৮ কোটি টকাৰ ঘাটিৰে বছৰটোত সামৰণি পৰিবৰ্গে বুলি ধৰিব পাৰি। অৱশ্যে প্ৰস্তাৱিত কৰৰ পৰা প্ৰায় ৪.১৫ কোটি টকাৰ সংগ্ৰহে ঘাটিৰ বোজা সেই অনুপাতে লাঘৱ কৰিব বুলি আশা কৰিব পাৰি।

৩২। মই সন্মানিত সদস্যসকলক জনাই থব খোজো যে বাজেট কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুসৰি ১৯৮৭ চনৰ এক এপ্ৰিলৰ শিতানৰ পৰা আয়-ব্যয়ৰ হিচাপ আদিৰ শিতানসমূহৰ কিছু গাথনিত পৰিবৰ্ত্তন সাল-সলনি ঘটোৱা হব। সংশোধিত আয়-ব্যয়ৰ হিচাপৰ শিতানৰ সৈতে সঙ্গতি ৰাখিয়েই ১৯৮৭-৮৮ চনৰ বাজেট প্ৰস্তুত কৰা হৈছে। ফলস্বৰূপে, মহাগাণনিকে দাখিল কৰা ১৯৮৫-৮৬ চনৰ প্ৰকৃত প্ৰাপ্তি আৰু ব্যয়ৰ হিচাপ আৰু পৰিমাণসমূহ আৰু যোৱা বছৰৰ সদনত উথাপন কৰা ১৯৮৬-৮৭ চনৰ বাজেটৰ আনুমানিক হিচাপ সমূহ পৃথক পৃথককৈ আৰু পৰিবৰ্ত্তিত শিতানত দেখুওৱাৰ প্ৰয়োজন হৈছে। সেই অনুসাৰে এই হিচাপসমূহ এতিয়া পৰিবৰ্ত্তিত শিতানৰ অধীনত তুলনামূলক ভাবে উথাপন কৰা হৈছে।

33. Conscious of the tremendous responsibility that has devolved on us at this critical juncture of the State's history we pledge ourselves to justify the immense trust reposed in us by the people. We rededicate ourselves to the noble cause of consolidating the achievements of the current year and constructing on that foundation, in an atmosphere of peace and harmony among different sections of people irrespective of caste, creed, language and religion, a strong edifice for the rapid, sustained and all-round growth and development of the State with justice for all. With these words, Sir, I commend the Budget for 1987-88 to this august House for approval. Thank you.

(Also See Annexure III)

*Shri Santi Ranjan Das Gupta : Mr. Speaker sir, I want to draw the attention of the Hon. Chief Minister in charge of Finance to an apparent error which appears in the Memorandum of the Estimates of the Government of Assam 1987-88 at page 77, on the Expenditure side closing balance has been shown as (–) 29, 20, 94 lakhs 72 thousands [interrupted]

Shri Zoii Nath Sarma : On a point of order, sir, can the Hon. Member raise this matter as debate on the budget speech is not on the agenda.

Mr. Speaker : Yes, you may raise the point during the Budget Discussion. Now Item No. 5. Hon. Minister, Shri Thaneswar Boro.

Shri Thaneswar Boro [Minister] : Sir, I beg leave to introduce the Assam Urban Areas Rent Control [Amendment] Bill, 1987.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill.

(voice- yes, yes.)

The leave is granted.

Shri Thaneswar Boro (Minister) : Sir, now I beg to introduce the Assam Urban Areas Rent Control (Amendment) Bill, 1987 in the House.

Mr. Speaker : The Bill is introduced.

(Secretary of the Assembly read out the title of the Bill)

অধ্যক্ষ : এতিয়া ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্ক।

*শ্ৰীমছিকদ্দিন শ্বেখ : মাননীয় অধ্যক্ষ মহোদয়, মই ৬।২।৮৭ তাৰিখে কবলৈ ওলাইছিলো যে আমাৰ ৰাজ্যপালৰ ভাষণত চুবুৰীয়া ৰাজ্যকেইখনত সীমা বিবাদ নাই বুলি কৈছে। মই কবলৈ বিচাৰিছো আৰু মাননীয় সদস্য গনেশ কুটুম আৰু কেইবাজনো সদস্যই উৎথাপন কৰিছে যে মেঘালয়ৰ চৰকাৰে কিছু স্কুল আৰু চৰকাৰী কৰ্মচাৰীয়ে জৰীপ কৰি ঘৰ নিৰ্মাণ কৰিছে। তাৰ পিচত অৰুণাচল বৰ্ডাৰত কিছুমানক অপহৰণ বা এৰেষ্ট

*Speech not corrected.

কৰি লৈ গৈছে। সেইবিলাকৰ পৰা দেখা গৈছে যে আমাৰ সীমা মুৰীয়া অঞ্চলত গণ্ডগোল আছে। যিটো নেকি ৰাজ্যপালৰ ভাষণত একো গণ্ডগোল নাই বুলি ঘোষণা কৰিছে, বক্তৃতা দিছে। এইটো অসমীয়া মানুহক বিপথে পৰিচালিত কৰা হোৱা নাই জঁনো। ৰাজ্যপালৰ ভাষণে আমাৰ অসমীয়া মানুহক কুঠাৰঘাট মৰাৰ ভাষণৰ বাহিৰে আন একো হব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষাৰ বিষয়ে এটা কথা কব বিচাৰিছো আৰু আপোনাৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব খিচাৰিছো। অৱশ্যে এইটো সঁচা কথা যে শিক্ষা বুলি কওঁতে যিবিলাক কথা আছে সেই বিলাক কথা মই ইয়াত ভাষণত ৰাখিব বিচৰা নাই। যেনেকৈ ধৰক এচ, ডি, এম, এ, বি আৰু বোৰ্ড তৈয়াৰ কৰা কথা মই ইয়াত কব বিচৰা নাই। সেইৰা চাৰ্কোলাৰৰ কথা কয় বিচৰা নাই। আমাৰ মাননীয় শিক্ষা মন্ত্ৰীয়ে যোৱাবাৰ বাজেট অধিবেশনত যিবিলাক ধুনীয়া ধুনীয়া কথা কৈছিল, আমাৰ মন শান্ত কৰিছিল সেই বিষয়েহে মই ইয়াত আলোচনা কৰিব বিচাৰিছো। যোৱা বাজেট অধিবেশনত আমাৰ শিক্ষা মন্ত্ৰীয়ে কৈছিল এই বছৰৰ পৰা প্ৰাথমিক স্কুলৰ ল'ৰা-ছোৱালীয়ে বিনামূলীয়াকৈ কাপোৰ পাব। ( ভইচ ) উঠাই লোৱা হৈছে ) কি উঠাই লোৱা হৈছে আমি নেজঁানো। সদনে নেজাঁনে। কিন্তু আমাৰ স্কুলৰ ল'ৰা-ছোৱালীয়ে কাপোৰ পোৱা নাই। দ্বিতীয় কথা হৈছে প্ৰাথমিক স্কুলৰ ল'ৰা-ছোৱালীক বিনামুলীয়াকৈ কিতাপ দিয়াৰ। লগে লগে বজাৰত কিতাপ কিনিবলৈ নাইকিয়া হ'ল। এতিয়ালৈকে কি কৰিলে কিতাপ দিওঁতে দিওঁতে যোৱা চেপ্তেম্বৰ, অক্টোবৰ মাহলৈকে কিতাপ নেপালে। সেইকাৰণে মই সদনৰ জৰিয়তে শিক্ষা মন্ত্ৰী দৃষ্টি-গোচৰ কৰিব বিচাৰিছো যদি এই ক'ন ক'ন লৰা-ছোৱালীক কিতাপ দিব নোৱাৰে কেনেকৈ হব।

এইটো আমাৰ ভৱিষ্যতৰ ল'ৰা-ছোৱালীক ধ্বংস কৰাৰহে অপচেষ্টা। যদি এইবিলাক কাৰ্য্যকৰী কৰিব নোৱাৰে তেনেহলে আগৰ দৰে থাকিবলৈ দিয়ক।

অধ্যক্ষ মহোদয়, এটা কথা অত্যন্তঃ পৰিতাপৰ কথা হয়তো মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী মহোদয়ে জানে অসম পাঠ্যপুথি প্ৰকাশন নিগমৰ তৃতীয়মান শ্ৰেণীৰ ভূগোল পৰিচয়ৰ প্ৰথম ভাগত ধুবুৰী জিলাৰ অধিবাসী আৰু ভাষা বিৱৰণ দিবলৈ যাওঁতে ৭৭ পৃষ্ঠাত আছে। পাচৰ বাক্য হ'ল যে জিলা বিলাক ব্ৰহ্মপুত্ৰ আৰু চ'ৰ অঞ্চলত বাংলা দেশৰ পৰা আহি বসবাস কৰিবলৈ লৈছে। ই সম্পূৰ্ণ মিছা কথা। ক'ন-ক'ন ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ বিশুদ্ধ মানসিক নষ্ট কৰাৰ অপচেষ্টা চলিছে। ধুবুৰী জিলাৰ মানুহৰ কাৰণে এইটো অসন্মানজনক কথা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে নিশ্চয় জানে যে এইটো পাহৰি যোৱা উচিত নহয় যিসকল বন্ধুৱে অসমীয়া বুলি নিজকে গৌৰৱ কৰে সেইসকল ধুবুৰী জিলাৰ চ'ৰ অঞ্চলৰ মানুহ নহয়। চ'ৰ অঞ্চলৰ মানুহ বিলাকে অসমীয়া ভাষা, সাংস্কৃতিক গ্ৰহণ কৰিছে। নহলে ৰাজ্য ভাষা হিচাপে পঞ্জীভুক্ত নহ'লহেঁতেন? আজি অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে তেওঁলোকৰ এটাই ভুল হৈছে যে তেওঁলোকে বংশানুক্ৰমে অসমীয়া ভাষা মাতৃ ভাষা। অসমীয়া সাংস্কৃতিক সাৱতি ললে। এইটো অন্যায় হ'ল। আজি বাৰে বাৰে তেওঁলোকৰ পৰা নানান ধৰণৰ প্ৰতিবাদ যন্ত্ৰণা পাই আছে। শিক্ষা মন্ত্ৰী মহোদয় আৰু মুখ্যমন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে ধুবুৰী জিলাৰ জনসাধাৰণে জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ পঠিয়াইছিল। শিক্ষা মন্ত্ৰীক সকিয়াই দিছো যে অনতিপলমে ভূগোল পৰিচয় কথাটো উলিয়াই লোৱা নহয় তেন্তে ধুবুৰী জনসাধাৰণে আন্দোলন কৰিবলৈ বাধ্য হ'ব। ধুবুৰীৰ জনসাধাৰণে বেলেগে চিন্তা কৰিবলৈ বাধ্য হ'ব। এই সংশোধনী প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

..... It is a serious aspersion on the people of Dhubri district......

( The Chairman occupies the Chair at this moment )

The Assam Accord is universally accepted by all sections of the people of the State without any reservation. Nobody is going to obstruct the Accord. The executing machinery has also their responsiblity for each and every citizen of the country. They should have an unbiased attitude. That is why my humble suggestion to the home Department is that they should take appropriate measures to remove the misgiving, if any, in any quarters. They should also see that the genuine Indian citizens are not subjected to harrassment, and then only the image of the Government will be better before the public. It is clear that the present leadership of the Government should see that the interests of the gnuine citizens are protected. I have no objection in detecting the foreigners. Nobody is urguing for the retention of the foreigners. I want that the Members of the Opposition party also should be taken into confidence. There should be exchange of ideas between the Members of the Opposition parties, the Treasury benches and the Covernment so that the genuine Indian citizens are protected.

Sir, I may quote from page 6 last para where it is stated,— "In the Agricultural sector, emphasis has been given on increasing the production and productivity of foodgrains. particularly rice and wheat. Special programme like Special Rice production Programme like Special Rice Production Programme / National Oil Seek Development Programme / National Pulse Development Programme have been taken up to increase production and productivity of rice. "Sir, unless appropriat steps are taken to apply scientific process of cultivation there is no prospect of having any redical changes in the matter of production of agricultural goods in the State. Government should, time to time, be conscious about the improved and technical methoss of agriculture. Then only it can cope with the present needs of agriculture.

Again I quote page seven where it is said that "Measures have also been taken to ensure that critical inputs are provided for at the block level and adequate arrangements made for tne availability and supply of quality seeds and fertilizers." Government should see that quality seeds are provided to the farmers in every nooh and corner of the State at subsidised rates. Government should have control over the Agents of Seeds of the Seed Corporation. Responsibility of proper distribution of quality seeds and fertilizers at subsidisad rates should be fixed by the District Agriculture Officers. Otherwise, there is may be ways for corruption if Government donot take appropriate measures in this regard.

At page 8 under caption Rural Development— Sir, the Tree Plantation under Rural Development has totally failed. Government should make a Committee for spot study of this scheme and its implementation. I quote form Page 9, — under Caption Welfare of weaker sections. Special emplasis has been laid for the welfare and upliftment of the Scheduled Castes,

Scheduled Tribes and other socially or economically weaker sections of the society. Sir we all are responsible for not being able to change the living conditions of the people of the society, for which crores of rupees have been spent from the days of independence. A committee should be constituted, if necessary, to go for the investigation regarding the money spent for the development of the Scheduled Caste and Seheduled Tribes people, and other Backward Classes people of the State. To investigate as to what has been done in the matter welfare of these people of the State.

At page 10 on Industrial Development, certain areas of the State are in the map of the industrially advanced areas and other are in the industrially backward areas. If the present trend is allowed to continue, after some years the difference between the two sections of the people will be much bigger. I hope Government will consider this aspect of the matter. Government should given increased attention to the backward areas of the State also for creating new industrial avenues. I hope the Government will strickly follow its policy which it has already stated in the Governor's address.

Lastly, I extend my fullest support to the Motion of Thanks moved the Chief Whip of the Rulling Party. And I hope this Government will give due consideration to these areas which are still being left out and which have been so long neglected. Government should give equal stress to those areas of the State. I would now like to say that the Governor's address reflects the policies and programmes of the State and the Government must strictly follow the declarations made by the Governor in his address for over all prospect of the State of Assam. I extend my fullest support to the motion of thanks moved by the

Chief whip of the party with the hope that the Government will treat each Legislative constituency as an independant part of the State and give equal share of development without any discrimination and only then overall prospect of the State can be expected. With these few words I resume my seat sir.

*শ্ৰীসুৰেণ স্বৰ্গিয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত মাননীয় শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আগ বঢ়াইছে তাক মই সৰ্ব্বান্তকৰণে সমৰ্থন জনাইছো। ৰাজ্যপালৰ ভাষণখন সচাঁকৈ বৰ সুন্দৰ হৈছে। এই ভাষণৰ জৰিয়তে অসমৰ জনসাধাৰণৰ কাৰণে কৰা উন্নয়ন লগতে বিভিন্ন জনগোষ্ঠীৰ একতা সংস্কৃতি ৰক্ষাৰ কাৰণে এটা স্পষ্ট চবি দাঙি ধৰিছে। ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তব্য ৰাখি মই বিভিন্ন বিভাগত কেইটামান পৰামৰ্শ দিবলৈ ওলাইছো। মই প্ৰথমে জলসিঞ্চন বিভাগৰ বিষয়ে কব বিচাৰিছো যিহেতু মন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে। মন্ত্ৰী মহোদয়ে লক্ষ্য কৰিছে নে নাই কব নোৱাৰো আমাৰ ৰবষুণ আজিলৈকে নাই বুলিয়ে কব পাৰি যেতিয়কে আজিলৈ পথাৰত হাল বাব পৰা নাই। কৃষি কাৰ্য্য কৰিবৰ কাৰণে সম্পূৰ্ণৰূপে পানীৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। আগৰ চৰকাৰে তেনে কোনো ফলপ্ৰসু ব্যৱস্থা নললে। আমাৰ চাপাগুৰী সমষ্টিত কেইবাটাও জলসিঞ্চন আচনিৰ ব্যৱস্থা কৰা হৈছিল কিন্তু এই জলসিঞ্চন আচনি বিলাক কাৰ্য্যকৰী হৈ উঠা নাই ফলত আজিলৈ পানীযোগান ব্যৱস্থা ঠিক হিচাবে কৰিব পৰা নাই। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যিবিলাক পূৰণা আচনি আছে সেইবিলাক কাৰ্য্যকৰী কৰিবৰ চেষ্টা কৰিব লাগে।

তাৰ পিছত স্বাস্থ্য বিভাগৰ বিষয়ে মই কেইটামান কথা কবলৈ ওলাইছো। আমাৰ বিশেষকৈ গাওঁ অঞ্চলত অচিন বিভিন্ন ধৰণৰ বেমাৰ আহিব ধৰিছে। কিছুমান বেমাৰ বৰ আক্ৰমনাত্মক আৰু দুৰাৰোগ্য। এই বেমাৰ বিলাকৰ নিৰাময় কৰাৰ প্ৰচেষ্টা চৰকাৰে সময় থাকোতে কৰা উচিত। যোৱা বছৰৰ নিচিনা মন্ত্ৰী বিধায়ক

* Speech not Corrected

সকলে যাতে বেমাৰৰ পাছে পাছে দৌৰিব নালাগে তাৰ উপযুক্ত ব্যৱস্থা এতিয়াই কৰিব লাগে। আমাৰ চিকিৎসালয় বিলাকত যিমান ধৰণে ঔষধ যোগান ধৰিব লাগিছিল তেনে ধৰণে যোগান ধৰিব পৰা নাই। প্ৰাথমিক চিকিৎসা কেন্দ্ৰ বিলাকত বেন্দেজ নাই কপাহ নাই ফলত চিকিৎসক বিলাক চিকিৎসাৰ ক্ষেত্ৰত বহুত অসুবিধাৰ সন্মুখীন হৈছে। মোৰ সমষ্টিতে দুটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কাম সামাধা হৈছে, আজি প্ৰায় ৬ মাহ আগতে নিস্মাৰ্ণ কাৰ্য্য সামাধা হৈছে কিন্তু আজিলৈ ডাক্তৰ বা ষ্ট্ৰাফৰ ব্যৱস্থ কৰা হোৱা নাই আশাকৰো অনতিপলমে ডাক্তৰ বা ষ্টাফ দিয়াৰ ব্যৱস্থা কৰিব। যাতে গাওঁ অঞ্চলৰ ৰাইজ সহজে উপকৃত হব পাৰে তাৰ কাৰণে স্বাস্থ্য বিভাগে যত্ন লোৱা উচিত। তাৰ পিছত মই বন বিভাগৰ বিষয়ে দুটামান কথা কব বিছাৰিছো। বন বিভাগে সামাজিক বনানীকৰণৰ ব্যৱস্থা কৰিছে। সামজিক বনানীকৰণে মোৰ সমষ্টিত ৰাষ্টাৰ গড়কাপ্তানি ৰাষ্টাৰ দুয়োকাষে কিছুমান গছগছনি কৃইছে কিন্তু বেৰৰ ব্যৱস্থা কৰা নাই ফলত গৰু ছাগলীয়ে এই গছপুলী বিলাক খাই শেষ কৰিছে। মোৰ কথা হল আচনি বিলাক প্ৰকৃতৰূপ দিয়াৰ চেষ্টা কৰিব লাগে গছ গছনি কৃইছে যেতিয়া বেৰ দিয়াৰো ব্যৱস্থা কৰিব লাগে। কিন্তু এই ধৰণে কৰিলে ৰাইজৰ কোনো উপকাৰত নাহে। গতিকে অতি সোনকালে এই বেৰ বিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে।

যানপানী নিয়ন্ত্ৰণৰ বিষয়ত মই এই বিভাগৰ মন্ত্ৰী মহোদয়ক দুযাৰমান কথা কব বিচাৰো। কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱাৰ কাৰনে যানপানীৰ ক্ষেত্ৰত এইবাৰ কোনো কাম নহব বুলি মন্ত্ৰী মহোদয়ৰ ৰিপোৰ্টৰ পৰাই গম পাইছো গতিকে মই এটা পৰামৰ্শ দিব খুজিছো যে এই বিভাগটো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত নাৰাখি আমাৰ ৰাজ্য চৰকাৰৰ অধীনলৈ আনিলে ভাল হব নেকি। এইটো আমাৰ চৰকাৰে চেষ্টা কৰিলে ভাল হব বুলি ভাবিছো।

বিদেশী বহিস্কাৰৰ সম্পৰ্কত আমাৰ সদস্য সকলে নানা ধৰণৰ আলোচনা কৰি আহিছে। মই ভাবো বিদেশী বিতাৰণৰ ক্ষেত্ৰত কোনো দ্বিধাবোধ ৰাখিব নালাগে। বিদেশী বিদেশীৰেই তেওঁলোকক আমি খেদি পঠিয়াব লাগিবই। এই বিদেশী বস্তুটো মহামাৰী সদৃশ। ইয়াৰ বহিস্কাৰৰ ক্ষেত্ৰত বিৰোধী দলেই হওক বা অন্য দলেই হওক সদায় সক্ৰিয় সহযোগ কৰিব লাগিব। এইখিনিৰ কাৰনে আমাৰ চৰকাৰে যিবোৰ আইন আদি কৰিছে সেই ক্ষেত্ৰত বিৰোধী দলবোৰেই সহায় সহযোগ কৰিবলৈ মই পুনৰবাৰ অনুৰোধ জনায় ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত সমৰ্থন জনায় সামৰনী মাৰিলো।

*শ্ৰীৰত্নেশ্বৰ সৰকাৰ: মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপ-ৰত সংখ্যালঘু মৰ্চাৰ শ্ৰীশান্তি ৰঞ্জন দাসগুপ্তই যি সংশোধনী প্ৰস্তাৱ আনিছে তাত মই সমৰ্থন জনাইছোঁ। লগতে ৰাজ্যপালৰ ভাষণত যিখিনি কথা নাই সেইখিনিৰ ওপৰত মই কব খুজিছোঁ। ৰাজ্যপালৰ ভাষণখন এখন তেলীয়া ভাষণ হৈছে যেন মোৰ মনত লাগিছে। কাৰণ ৰাজ্যপালৰ ভাষণত ৰাজ্য চৰকাৰৰ সকলো কাম কাজ সুন্দৰৰূপে ফুটাই তুলিব পৰা নাই। কিয়নো অ, গ, প চৰ-কাৰে বহুতো প্ৰশংসনীয় কাম কৰিছে যিবোৰ ৰাজ্যপাল ভাষণত নাই। যেনে মই এটি উদাহৰন দিওঁ আমাৰ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে প্ৰত্যেক বিধায়কক প্ৰাথমিক স্কুলৰ গৃহ নিৰ্ম্মানৰ কাৰণে এখন তালিকা খুজিছিল। কিন্তু শেষত দেখা গল মোৰ চাৰ ডিভিজন উত্তৰ শালমৰাত যিটো বিদ্যালয় সমূহৰ উপ পৰি-দৰ্শকৰ অফিছলৈ লিষ্ট এখন গৈছে তাত মোৰ সমষ্টিৰ মাত্ৰ ১১ খন স্কুল আছে। তাৰ ভিতৰত সংখ্যালঘু সম্প্ৰদায় বাস কৰা ঠাইত এখনো পৰা নাই। মই দ্বিতীয় এটা উদাহৰন কওঁ আন এখন লিষ্ট বঙাইগাওঁ সমষ্টিৰো যি খন লিষ্ট গৈছে সেইখন এখন মহা-ভাৰত। তাত ৩৫ খন স্কুল আছে। তাৰ বিধায়ক হল শ্ৰীফণী ভূষণ চৌধুৰী। এইয়াই আপোনালোকৰ কাৰ্য্যকলাপ। এইবিলাক

* Speech not corrected.

কথা ৰাজ্যপালৰ ভাষণত লিপিবদ্ধ হব লাগিছিল। কিন্তু দুখৰ বিষয় এইবিলাক কথা তাত নাই।

লগতে আৰু এটা কথা কওঁ অসম চুক্তিৰ ক্ষেত্ৰত। অসম চুক্তিত যোগীঘোপাৰ অশোক বা কাগজকলৰ কথা আছে কিন্তু ৰাজ্যপালৰ ভাষণত ইয়াৰ একো কথা নাই। এই চৰকাৰ হোৱা এবছৰ হল এতিয়াও অশোক কাগজ কলৰ জৰাজীৰ্ণ অৱস্থা, লাখ লাখ টকাৰ সা সম্পত্তি নষ্ট হৈছে। তাৰ কৰ্মচাৰী বিলাকে ভোকত পেটত গামোচা বান্ধি জীয়াই থাকিব লগীয়া অৱস্থা হৈছে।

অধ্যক্ষ মহোদয়, মই বেছি নকওঁ মাত্ৰ দুটামান কথা কওঁ এইটো হল আমাৰ লগত হাৰা অ, গ, পৰ মানুহ কিছুমান এতিয়াও কোনো কোনো বৰ্ডৰ অঞ্চলত আদি বিধা কিবি হৈ আছে। এইবিলাক কথা ৰাজ্যপালৰ ভাষণত থাকিব লাগিছিল। এইখিনিকে কৈ মই আমাৰ সংযুক্ত সংখ্যালঘূ মৰ্চাৰ শ্ৰীদাসগুপ্ত বাবুৱে উত্থাপন কৰা সংশোধনী প্ৰস্তাৱৰ সমৰ্থন কৰি সামৰণী মাৰিলোঁ।

শ্ৰীমুক্তাৰ হুছেইন: অধ্যক্ষ মহোদয়, রাজ্য পালের ভাষনের উপর আমাদের দলের তরফ থেকে যে সংশোধনী প্রস্তাব আনা হয়েছে তা সমর্থণ করে খুব সংক্ষেপে আমি আমার বক্তব্য তুলে ধরছি। রাজ্যপাল মহোদয় আমাদের সদনে যে ভাষণ দিয়েছেন তাতে আমাদের রাজ্যের অনেক গুরুত্বপুর্ণ ঘটনাই উল্লেখ করেন নি। অধ্যক্ষ মহোদয়, আমার এক বন্ধু এক গল্প বলেছিলেন। সেটা আমি বলছি। "এক ভদ্রলোক নতুন বিয়ে করেছেন। তাকে দেখে তার এক বন্ধু জিজ্ঞাসা করলো- কিরে, বিয়েতে কি কি পেলি ? তখন সেই ভদ্রলোক উত্তর দিয়েছিলো যে তাকে তার শ্বশূর একটি গরু দিতে চেয়েছে এবং পুয়ে আরু একটি গরু দিবে বলেছে। অর্থাৎ সে ধরে নিয়েছে যে সে দুটি গরু পাচ্ছে।" আমাদের রাজ্যপাল মহোদয়ের ভাষণও ঠিক তাই।

একটা প্রতিশ্রুতি মাত্র। যদি আমরা অল্পে সন্তুষ্ট থাকতে চাই তাহলে এই ভাষন সন্তুষ্ট থাকার পক্ষে যথেষ্ট।

অধ্যক্ষ মহোদয়, আমি একটি গুরুত্বপূর্ণ বিষয়ের প্রতি আপনার দৃষ্টি আকর্ষণ করছি। যে সময় সারা বিশ্বে শ্রমজীবি মানুষ দেরে, কৃষকদেরে বা গৃহহীনদেরে সংস্থাপনের জন্য আন্ত-র্জাতিক বর্ষ পালন করা হচ্ছে ঠিক সেই সময় আমাদের রাজ্যে এ জি পি সরকার এই সব মানুষ দেরে উচ্ছেদ করে রাস্তায় বসানোর ব্যবস্থা করছেন। অধ্যক্ষ মহোদয়, কিছুদিন আগে আপ-নার সমষ্টিতে প্রায় ২০ হাজার মানুষকে উচ্ছেদ করার জন্য নোটিশ দেওয়া হয়েছিল। তখন আমরা রাজস্ব মন্ত্রীর সঙ্গে দেখা করেছিলাম এবং তিনি বলেছিলেন যে এদেরকে উচ্ছেদ করা হবে না। কিন্তু পরে এইসব লোককে এই সরকার উচ্ছেদ করেছে। আমার সমষ্টিতেও গত ২৭ ফেঃ তারিখ কিছু লোককে তাদের কাছে বৈধ কাগজপত্র থাকা সত্ত্বেও তাদেরকে বে-আইনী ভাবে উচ্ছেদ করা হয়েছে। ১ বিঘা মাটিতে ৪ টি ফেমিলি বহু কষ্টে বাস করতো। তাদেরকে যাতে তাদের মাটি থেকে উচ্ছেদ করা না হয় তারজন্য ডি সি মহোদয়কে বললে তিনি বলছিলেন যে তাদেরকে উচ্ছেদ করা হবে না। কিন্তু গত ২৭ ফেঃ তাং তাদেরকে ও উচ্ছেদ করা হয়েছে। এইভাবে কোন আইন না মেনে সারা আসামে উচ্ছেদ কার্য্য চলছে। তাছাড়া, সমরিয়া ও সন্তলী মৌজার প্রায় ২০০০০ হাজার লোককে গত ৬তাং উচ্ছেদ করে রাস্তায় বসানোর ব্যবস্থা এই সরকার করেছেন। এইসব লোক গত ৫ বছর যাবত্ তৈজীবাহী খাজনা দিয়ে আসছে এবং ১৯৫৫ ইং থেকে সেখানে বাস করছেন। দীর্ঘ ৩০ বছর পর তাদেরকে কোন নোটিশ না দিয়ে উচ্ছেদ করা হয়েছে। যদিও পরে জানা গেছে যে নোটিশ ৪ ফেঃ তারিখ সাইন করা হয়েছিল কিন্তু তাদেরকে ৬ ফেঃ তারিখ উচ্ছেদ করা হয়েছে। এই যে মানুষের বিরুদ্ধে সরকারী নীতিতা কিন্তু রাজ্যপাল মহোদয়ের ভাষনে

লিপিবদ্ধ হয়নি। যদি এইসব কথাও লিপিবদ্ধ থাকত তাহলে আনন্দিত হতাম।

অধ্যক্ষ মহোদয়, আপনি লজ্জা পাবেন না। কারন একটি গুরুত্বপূর্ণ বিষয় আমি উল্লেখ করছি। আজ আমার একটা প্রশ্ন ছিল- বরপেটা জেলায় কতটা প্রাথমিক স্কুলের ঘর পাকা করার সিদ্ধান্ত নেওয়া হয়েছে ?

উত্তরে শিক্ষা বিভাগের রাজ্যমন্ত্রী মহোদয় জানিয়েছেন—বরপেটা সমষ্টিতে—৩৬টা, ভবানীপুর সমষ্টিতে—৩৮টা, পাখাচারকুচি সমষ্টিতে ৩৮টা (সবই এ জি পি'র), সরভোগ—১৪ টা (সি পি এম'র), চেঙা—১২ টা, সরুক্ষেত্রী—৩৮ টা (এ জি পি'র), বাঘবর—১২ টা এবং জনীয়া —১২ টা। এখানে দেখা যাচ্ছে যে সব সমষ্টিতে এ জি পি'র সদস্য নেই সেখানেই খুব কম সংখ্যক স্কুলের ঘর পাকা করার সিদ্ধান্ত এই সরকার নিয়েছেন। অধ্যক্ষ মহোদয়, আমি ইউ এম এফ'র সদস্য—আমাকে এ জি পি সরকার শত্রু মনে করতে পারেন। কিন্তু যে সব শিশু ৫-১০ বছরের—তারা নিশ্চয়ই এই সরকারের শত্রু নয়। তাদের বাবা—কাকারা আমাকে ভোট দেওয়ার জন্য এইসব শিশুদের রোদে, বৃষ্টিতে কষ্ট করে স্কুলে পড়াশুনা করতে হবে। এরা কি ভবিষ্যতে এই এ জি পি সরকারকে কখনও ভোট দিবে ? এইটুকু বলে আমি আমার বক্তব্য শেষ করছি। প্রস্তাবব সমর্থন কবি সামৰণী মাৰিলো"।

## ADJOURNMENT

অধ্যক্ষ : সদন কাল্মিলৈ পুৱা ৯ বজালৈ সদন স্থগিত কৰা হল।

P. N. Hazarika
Secretary,
Assam Legislative Assembly

Dispur
The 9 th march, 1987.

# অসম চুক্তি ৰূপায়ণৰ অগ্ৰগতিৰ খতিয়ান

( ১৯৮৭ চনৰ জানুৱাৰী মাহলৈ )

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
|---|---|---|
| ৫(২) : ১৯৬৬ চনৰ ১ জানুৱাৰীৰ আগতে যিসকল লোক অসমলৈ আহিছিল আৰু ১৯৬৭ চনৰ নিৰ্বাচনত ব্যৱহাৰ কৰা ভোটৰ তালিকাত যিসকলৰ নাম অন্তৰ্ভুক্ত হৈছিল তেওঁলোকক নিয়মীয়া নাগৰিক কৰা হব। | | দফা ৫ (২) : ১৯৫৫ চনৰ নাগৰিকত্ব আইন আৰু ইয়াৰ সংশ্লিষ্ট নিয়মাৱলী কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে সংশোধন কৰি নাগৰিকত্ব প্ৰমাণ পত্ৰ প্ৰদান কৰাৰ ক্ষমতা নিজৰ হাতলৈ নিছে। |
| ৫ (৩) : ১ জানুৱাৰী ১৯৬৬ ৰ (সেই দিনটো সহ) পৰা ২৪ মাৰ্চ ১৯৭১ তাৰিখলৈকে অসমলৈ অহা সকলো বিদেশীক ১৯৪৬ চনৰ বিদেশী নাগৰিক আইন আৰু ১৯৬৪ বিদেশী নাগৰিক (ন্যায়াধিকৰন) আদেশৰ ব্যৱস্থা অনুসাৰে চিনাক্ত কৰা হব। | দফা ৫ (৩) : ১৯৬৬-৭১ চনৰ কালছোৱাৰ বিদেশী অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰি তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পৰা বাতিল কৰি তেনেলোকৰ নাম বিদেশী হিচাবে পঞ্জীয়নভুক্ত কৰিবৰ বাবে বিশেষ ব্যৱস্থা হাতত লোৱা হৈছে। | |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
|---|---|---|
| ৫ (৪) : এনেদৰে চিনাক্ত কৰা বিদেশী নাগৰিকৰ নাম চলি থকা ভোটৰ তালিকাৰ পৰা বাদ দিয়া হব। এই বিদেশী নাগৰিক সকলে সংশ্লিষ্ট জিলাৰ পঞ্জীয়ন বিষয়াৰ ওচৰত ১৯৩৯ চনৰ বিদেশী নাগৰিকৰ নাম পঞ্জীয়ন আইন আৰু ১৯৩৯ চনৰ বিদেশী নাগৰিক পঞ্জীয়ন সংক্ৰান্ত বিধিৰ অধীনত তেওঁলোকৰ নাম পঞ্জীভুক্ত কৰিব লাগিব।<br>৫ (৫) : এই উদ্দেশ্যে ভাৰত চৰকাৰে চৰকাৰী ব্যৱস্থা যথোচিত ভাবে শক্তিশালী কৰাৰ কাম হাতত লব।<br>৫ (৬) : বিদেশী বুলি চিহ্নিত হোৱাৰ দিনৰ পৰা ১০ বছৰ সম্পূৰ্ণ হলেই ভোটৰ তালিকাৰ পৰা বাদ দিয়া বিদেশী নাগৰিক সকলৰ নাম পুনৰ ভোটৰ তালিকাত ভৰোৱা হব। | | দফা ৫ (৪), ৫ (৫) আৰু ৫ (৬) : ১-১-৬৬ তাৰিখৰ পৰা ২৪ / ৩ / ৭১ তাৰিখৰ ভিতৰত অসমলৈ অহা বিদেশী লোকসকলে নিজ নিজ জিলাৰ পঞ্জীয়ন বিষয়াৰ ওচৰত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে পঞ্জীয়ন বিষয়াৰ ১৮টা পদ মঞ্জুৰ কৰিছে। ৰাজ্য চৰকাৰে নিযুক্তিৰ বাবে পঠোৱা ১৮ জন পঞ্জীয়ন বিষয়াৰ ঠাইত মাত্ৰ ১০ জনৰহে নিযুক্তিৰ অনুমোদন জনাইছে। |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
| --- | --- | --- |
| ৫ (৭) : আগতে বহিস্কাৰ কৰা যি সকল বিদেশী নাগৰিক বে - আইনীভাৱে আকৌ অসমত সোমাইছেহি তেওঁলোকক পুনৰ বহিস্কাৰ কৰা হব। |  | দফা ৫ (৭) ঃ ৰাজ্য চৰকাৰে সীমান্ত ৰক্ষী সংগঠন বোৰক অধিক তৎপৰ হবলৈ সকিয়াই দিছে। ৰাজ্যত অনুপ্ৰৱেশকাৰী ৰোধ কৰাৰ কাৰ্য্য অধিক শক্তিশালী কৰিবলৈ ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত যোৱা ৯।১০।৮৫ তাৰিখে প্ৰস্তাৱ উৎথাপন কৰা হৈছিল। এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন পোৱা হোৱা নাই। |
| ৫ (৮): ১৯৭১ চনৰ ২৫ মাৰ্চ বা তাৰ পিছত অসমলৈ অহা বিদেশীক চিনাক্ত কৰা, ভোটৰ তালিকাৰ পৰা নাম বাদ দিয়া আৰু বহিস্কাৰ কৰাৰ কাম আইনমতে চলি থাকিব। তেনে বিদেশী লোকৰ বহিস্কাৰৰ বাবে খৰতকীয়া আৰু বাস্তৱোচিত ব্যৱস্থা লোৱা হব। |  | দফা ৫(৮) আৰু ৫(৯) : অবৈধ অনুপ্ৰবেশকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইন ১৯৮৩ ৰ সংশোধনী প্ৰস্তাৱ সমূহ যোৱা ১০।৩।৮৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উত্থাপন কৰা হৈছিল। এই বিষয়ে মুখ্য মন্ত্ৰী |
| ৫(৯): অবৈধ অনুপ্ৰৱেশকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইন, ১৯৮৩ৰ কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত আছু আৰু গণসংগ্ৰাম পৰিষদে উল্লেখ কৰা কেতবোৰ অশুবিধাৰ বিষয়ে চৰকাৰে যথোচিত ভাৱে বিবেচনা কৰিব। |  |  |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
| --- | --- | --- |
| | | আৰু গৃহ মন্ত্ৰীয়ে প্ৰধান মন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ লগত কেবালানিও আলোচনা কৰে। মুখ্য মন্ত্ৰীয়ে পুনিৰ এটি তাঁৰ বাৰ্ত্তা ১৩।১১।৮৬ তাৰিখে প্ৰধান মন্ত্ৰীলৈ প্ৰেৰণ কৰে। অৱশেষত ৰাজ্যৰ আইন মন্ত্ৰীয়ে কেন্দ্ৰীয় ৰাজ্যিক গৃহ মন্ত্ৰীৰ লগত আলোচনা কৰোতে তেখেতক জানিবলৈ দিয়ে যে সংশোধনী বিষয়টোৰ ক্ষেত্ৰত শীঘ্ৰে এটি সিদ্ধান্ত লোৱা হব। |
| **ৰক্ষণাবেক্ষণ আৰু অৰ্থনৈতিক উন্নয়ন**<br>৬। অসমীয়া ৰাইজৰ সংস্কৃতিক, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্যৰ ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে যেনে ধৰণে দৰকাৰ, সাংবিধানিক, আইনগত আৰু প্ৰশাসনিক ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা কৰা হব। | | দফা ৬ঃ– অসমৰ ৰাইজৰ সাংবিধানিক, আইনগত আৰু প্ৰশাসনিক সুৰক্ষা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ যোৱা ২০।১০।৮৬ তাৰিখে বিভং প্ৰস্তাৱ সমূহ প্ৰেৰণ কৰে। এই বিষয়ত অনুমোদন অপেক্ষা কৰা হৈছে। |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
|---|---|---|
| (৭) : বাইজৰ জীৱনৰ মান উন্নত কৰিবৰ বাবে ৰাজ্যখনৰ খৰতকীয়া সৰ্ব্বাঙ্গীন অৰ্থনৈতিক উন্নয়নৰ বাবে নিজৰ প্ৰতিশ্ৰুতিৰ কথা এই সুযোগতে চৰকাৰে দোহাৰিছে। ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান স্থাপনৰ জৰিয়তে শিক্ষা আৰু বিজ্ঞান তথা প্ৰযুক্তি বিদ্যাৰ দিশত বিশেষ গুৰুত্ব দিয়া হ'ব। | | দফা ৭ : ৰাজ্যখনৰ সৰ্ব্বাঙ্গীন অৰ্থনৈতিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰক পৰামৰ্শ আদি দিবলৈ কেন্দ্ৰৰ পৰিকল্পনা আয়োগক টাস্ক ফ'চ/ৱৰ্কিং গ্ৰুপ এটি গঠন কৰি দিবলৈ অনুৰোধ কৰা হৈছিল। ১৯৮৬ চনৰ ৪ ফেব্ৰুৱাৰী তাৰিখে মুখ্য মন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীক লগ ধৰি জনায় যে, হাতত লব লগা আঁচনি আৰু সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ পৰিষদে প্ৰধান মন্ত্ৰীক দিয়া স্মাৰক পত্ৰত পৰামৰ্শ দিয়া ধৰণে প্ৰতিষ্ঠান নিৰ্ম্মাণৰ বাবে ৰাজ্যিক পৰিকল্পনাৰ প্ৰকৰণা বিত্তীয় সাহাৰ্য্য ব্যৱস্থা দিব লাগে। মুখ্য মন্ত্ৰীৰ ব্যক্তিগত চিঠিৰ অনুৰোধ ক্ৰমে কেন্দ্ৰৰ পৰিকল্পনা আয়োগৰ উপাধ্যক্ষই জনাই যে টাস্ক ফ'চ/ৱৰ্কিং গ্ৰুপ / গঠন কৰা প্ৰস্তাৱটো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু সময়ত এই বিষয়ে জনোৱা হ'ব। |

## Annexure—1

| 1987 চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
|---|---|---|
| **অন্যান্য বিষয়**<br>৮ (১) : কেৱল কেন্দ্ৰীয় চৰকাৰ কৰ্তৃপক্ষৰ দ্বাৰাহে আগলৈ নাগৰিকত্বৰ প্ৰমাণ – পত্ৰ দিয়াৰ বাবে চৰকাৰে দিহা কৰিব।<br>৮ (২) : ভাৰতীয় নাগৰিকত্বৰ প্ৰমান পত্ৰ অনিয়মীয়াকৈ দিয়াৰ কোনো আপত্তি আছু/গণ সংগ্ৰাম পৰিষদে স্পষ্টকৈ দিলে তেনে আপত্তিৰ কথা বিবেচনা কৰা হ'ব। | | দফা৮(১) আৰু ৮ (২) : নাগৰিকত্বৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা ক্ষমতা কেন্দ্ৰীয় চৰকাৰে নিজৰ হাতলৈ নিছে। |
| ৯ (১) : গোটেই আন্তঃৰাষ্টীয় সীমান্তৰ নৈ অঞ্চল, আৰু স্থল খণ্ডত নিৰাপত্তা বাহিনীৰ পহৰা লগাৰ জোখাৰে বঢ়োৱা হ'ব। ভবিষ্যত অনুপ্ৰবেশত ফলপ্ৰসূভাৱে বাধা দিবলৈ নিৰাপত্তা ব্যৱস্থা | | দফা ৯ (১) আৰু ৯ (২) :- সীমান্তত পথ আৰু কাইটীয়া তাঁৰৰ বেৰ নিৰ্ম্মাণ সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰা হৈছে। পথ নিৰ্ম্মাণৰ ক্ষেত্ৰত কিছু অগ্ৰগতি |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
|---|---|---|
| আৰু শক্তিশালী কৰিবৰ উদ্দেশ্যে যথেষ্ট সংখ্যক তালাচী চকী পতা হব। যথোপযুক্ত ঠাইত বেৰা, কাটাতাৰৰ বেৰা আৰু অন্যান্য হেঙ্গাঁৰ সাজি ভৱিষ্যত অনুপ্ৰবেশৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় সীমান্ত নিৰাপদ কৰা হ'ব। ৯(২) : ওপৰত উল্লেখ কৰা ব্যৱস্থালীৰ উপৰিও আৰু নিৰাপত্তাৰ কথা মনত ৰাখি নিৰাপত্তা বাহিনীৰ পহৰাৰ সুবিধাৰ বাবে গোটেই সীমান্তৰ কাষে কাষে এটা আলিবাট সজা হব। সীমান্ত আৰু সেই পথৰ মাজৰ ঠাই য'ত য'ত সম্ভৱ বসতিমুক্ত কৰি ৰখা হ'ব। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নদী অঞ্চলৰ পহৰা বঢ়োৱা হব। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ অতিক্ৰম কৰা বা কৰিব খোজা অনুপ্ৰবেশকাৰীক বাধা দিবলৈ সকলো ফলপ্ৰসূ ব্যৱস্থা হাতত লোৱা হ'ব। | | লাভ কৰা হৈছে যদিও কাইটিয়া তাৰৰ বেৰৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা একো ইংগিত পোৱা নাই ।<br>পথ নিৰ্ম্মাণৰ বাবে সীমান্ত পথৰ জৰীপৰ কাম ৰাজ্যৰ গড়কাপ্তানী বিভাগে দ্ৰুত গতিত চলাই আছে। বিদেশী অনুপ্ৰবেশ ৰোধ কৰিবলৈ অসম বাংলা দেশ সীমান্তত পহৰাদাৰী কাৰ্য্য ব্যাপক কৰা আৰু পহৰাদাৰী চকীৰ সংখ্যা বৃদ্ধি কৰাৰ যোগেদি সীমান্ত সুৰক্ষা বাহিনীৰ কাৰ্য্য ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক বাৰে বাৰে জোৰ দি অনুৰোধ কৰা হৈছে । কেন্দ্ৰীয় চৰকাৰে লোৱা ব্যৱস্থা সম্বন্ধে ৰাজ্য চৰকাৰক এতিয়াও অবগত কৰোৱা নাই। |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
|---|---|---|
| ১০ : চৰকাৰী মাটি আৰু জনজাতীয় বেষ্টনী আৰু ব্লকৰ মাটিত বেদখল ৰোধ কৰিবৰ বাবে যিবিলাক আইন আছে সেই আইন কঠোৰ ভাবে বলবৎ কৰা আৰু এনে আইনৰ অধীনত বেদখল কাৰীক উচ্ছেদ কৰাটো নিশ্চিত কৰা হব। | দফা ১০ : চৰকাৰী মাটি তথা জনজাতি খণ্ড আৰু বেষ্টনীৰ মাটিত বেদখলৰ পৰা মুক্ত কৰিবলৈ প্ৰচলিত ৰাজহ আইন আৰু বিধি অনুসাৰে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। | |
| ১১। অসমত বিদেশীয়ে স্থাৱৰ সম্পত্তি গোটোৱাটো নিয়ন্ত্ৰণ কৰাৰৰ বাবে থকা সংশ্লিষ্ট আইন কঠোৰ ভাবে বলবৎ কৰাটো নিশ্চিত কৰা হ'ব। | দফা ১১ : অসমত বিদেশী লোকে স্থাৱৰ সম্পত্তি অধিগ্ৰহণ কৰিব নোৱাৰাৰ বাবে যাবতীয় ব্যৱস্থা লোৱা হৈছে। | |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
| --- | --- | --- |
| ১২। জন্ম মৃত্যুৰ পঞ্জী উপযুক্ত ভাৱে ৰখাটো নিশ্চিত কৰা হ'ব। | দফা ১২ : জন্ম মৃত্যুৰ পঞ্জী উপযুক্ত ভাৱে ৰাখিবলৈ সংশ্লিষ্ট বিভাগৰ পোনপটীয়া নিয়ন্ত্ৰণৰ অধীনত ক্ষেত্ৰ কৰ্ম্মব্যৱস্থা অভাৱৰ হেতুকেই ১৯৭৮ চনৰ জন্ম মৃত্যু বিধিৰ সংশ্লিষ্ট ব্যৱস্থা সন্তোষজনক ভাৱে প্ৰয়োগ কৰিব পৰা হোৱা নাছিল। তদুপৰি এই ব্যৱস্থা অনুসৰি উক্ত পঞ্জীয়ন আইন তথা বিধি অসমৰ পাৰ্ব্বত্য জিলা ছুখনলৈ সম্প্ৰসাৰণ কৰাত অসুবিধা আছিল। সেয়ে ৰাজ্য চৰকাৰে দুয়োখন পাৰ্ব্বত্য জিলাকে সামৰি সমগ্ৰ ৰাজ্যত স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা বিভাগৰ পোনপটীয়া নিয়ন্ত্ৰনৰ অধীনত এটি নতুন কৰ্ম্ম পদ্ধতি প্ৰৱৰ্ত্তনৰ সিদ্ধান্ত লৈ আৱশ্যকীয় জাননী জাৰি কৰিছে। জন্ম-মৃত্যুৰ পঞ্জীয়ন কৰা কথাটো বিশেষ প্ৰচাৰ মাধ্যমেৰে ৰাইজক অৱগত কৰোৱা হৈছে। | |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
| --- | --- | --- |
| ১৪। (ক)ঃ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে আন্দোলনৰ সন্দৰ্ভত কৰ্মচাৰীসকলৰ বিৰুদ্ধে লোৱা অনুশাসনমূলক ব্যৱস্থাৰ গোচৰ সহানুভূতিৰে পুনৰ বিবেচনা কৰিবলৈ আৰু উঠাই লবলৈ আৰু কাৰো বিপক্ষে যাতে আক্ৰোশমূলক ব্যৱস্থা লোৱা নহয় তাক নিশ্চিত কৰিবলৈ মান্তি হৈছে। | দফা ১৪ (ক) : অসম আন্দোলনৰ সন্দৰ্ভত ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলৰ ওপৰত আৰোপ কৰা সকলো শাস্তি - মূলক ব্যৱস্থা প্ৰত্যাহাৰ কৰিছে। | দফা ১৪ (ক) : অসম অন্দোলনৰ পৰিপ্ৰেক্ষিতত নিৰ্য্যাতিত অসমস্থ কেন্দ্ৰীয় চৰকাৰী কৰ্ম্মচাৰীৰ ওপৰত থকা শাস্তিমূলক ব্যৱস্থাসমূহ কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে সম্পূৰ্ণ ভাবে প্ৰত্যাহাৰ কৰা নাই। এই বিষয়ত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত সঘনে যোগা যোগ কৰি আছে যাতে কেন্দ্ৰীয় চৰকাৰেও তেওঁলোকৰ অসমস্থ কৰ্ম্মচাৰীলৈ অসম চুক্তিৰ— ১৪ (ক) দফা অনুসৰি ৰাজ্য চৰকাৰে তেওঁলোকৰ কৰ্ম্মচাৰীলৈ আগবঢ়োৱা সুবিধাবোৰ একে পৰ্য্যায়তে দিয়ে আৰু অনুপস্থিতিৰ কালচোৱা কৰ্ত্তব্যৰত বুলি গণ্য কৰে। |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ দফা |
|---|---|---|
| ১৪। (খ) : আন্দোলনৰ সময়ছোৱাত নিহত সকলৰ আত্মীয়ক এককালীন অৰ্থ সাহাৰ্য্য দানৰ এখন আঁচনি যুগুতাবলৈ মান্তি হৈছে। | দফা ( খ ):-- অসম আন্দোলনৰ শ্বহীদ সকলৰ প্ৰত্যেকৰে নিকটতম আত্মীয়লৈ অসম চৰকাৰে সদ্য-হতে ৩০,০০০ টকাকৈ এককালীন সাহাষ্য হিচাবে মঞ্জুৰী দিছে। | দফা ১৪ (খ) : ৰাজ্য চৰকাৰে পুনৰ সংস্থাপন আঁচনিৰ যোগে অসম আন্দোলনৰ শ্বহীদ পৰিয়ালক ৫০,০০০ টকাকৈ অনুদান মঞ্জুৰীৰ ব্যৱস্থা ৰাখি সমুদায় ধন কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগে বুলি প্ৰস্তাৱ দাঙি ধৰিছে। কেন্দ্ৰীয় চৰকাৰে মাত্ৰ ২০,০০০ টকাকৈ দিবলৈ সন্মতি জনাইছে। ৰাজ্য চৰকাৰে সমুদায় ধন দিব লাগে বুলি কেন্দ্ৰীয় চৰকাৰক পুনৰ বাৰ প্ৰস্তাৱ কৰিছে। প্ৰস্তৱটোৰ অনুমোদন কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়াও পোৱা নাই। |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
|---|---|---|
| ১৪ (গ) : অসমত আন্দোলনৰ পৰিপ্ৰেক্ষিতত শৈক্ষিক আৰু প্ৰতিযোগিতামূলক পৰীক্ষাৰ বেলিকা হোৱা আচহুৱা পৰিস্থিতিৰ কথা বিবেচনা কৰি অসমৰ চৰকাৰী চাকৰিত নিয়োগৰ বাবে বয়সৰ সৰ্বোচ্চ সীমা ৰেহাই দিয়াৰ প্ৰস্তাৱ সহানুভূতিৰে বিবেচনা কৰিবলৈ মান্তি হৈছে । | দফা ১৪( গ ) : অসম চৰকাৰে চাকৰিত প্ৰবেশাৰ্থে ১৫/৮/৮৫ তাৰিখৰ পৰা ৫ বছৰলৈ বয়সৰ সৰ্বোচ্চ সীমা ৬ বছৰৰ বাবে সাধাৰণ ৰেহায় দানৰ নিৰ্দ্দেশ দিছে । | দফা ১৪ ( গ ) :- কেন্দ্ৰীয় চৰকাৰে অসমৰ ক্ষেত্ৰত চাকৰিত প্ৰবেশ অৰ্থে ৩০ – ৯ – ৮৫ তাৰিখৰ পৰা ৫ বছৰলৈকে বয়সৰ সৰ্বোচ্চ সীমা ৬ বছৰৰ বাবে সাধাৰণ ৰেহায় দানৰ নিৰ্দ্দেশ দিছে । |
| ১৪ ( ঘ ) : আটকৰ গোচৰ আৰু ডাঙৰ অপৰাধত অভিযুক্ত সকলৰ বাহিৰে আন্দোলন সম্পৰ্কত অন্যান্য ফৌজাদাৰী অপৰাধত অভিযুক্তসকলৰ বিৰুদ্ধে থকা গোচৰ আৰু আছে যদি আটকৰ গোচৰৰ পুনৰ পৰ্য্যালোচনাৰ কাম হাতত লবলৈ মান্তি হয় । | দফা ১৪ (ঘ) : অসম আন্দোলনৰ সম্পৰ্কত ফৌজাদাৰী অপৰাধত অভিযুক্ত লোকসকলৰ গোচৰসমূহ পৰীক্ষা কৰি প্ৰত্যাহাৰ কৰিবলৈ আৱশ্যকীয় ক্ষমতা জিলা পৰ্য্যায়ৰ সংশ্লিষ্ট কৰ্তৃপক্ষক প্ৰয়োগ কৰিবলৈ কৰ্ত্তৃত্বৰ দিয়া হৈছে । | |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
|---|---|---|
| ১৪ (ঙ) : কোনো নিষেধাজ্ঞা/বিজ্ঞপ্তি যদি বাহাল আছে তাক প্ৰত্যাহৰ কৰাৰ বিষয়টো বিবেচনা কৰি চাবলৈ মান্তি হয় । | দফা ১৪ (ঙ) : কেইটামান নিৰ্দিষ্ট মুখ্য প্ৰতিষ্ঠানৰ বাহিৰে ৰাজ্য চৰকাৰে পূৰ্বতে বাহাল থকা নিষেধাজ্ঞা /বিজ্ঞপ্তি আদি প্ৰত্যাহাৰ কৰিছে।<br>পাইকাৰী জৰিমনা হুকুম বাতিল কৰি আৰু ইতিমধ্যে তেনে জৰিমনা যদি আদায় কৰা হৈছে তাকো ঘূৰাই দিবলৈ নিদেশনা জাৰি কৰিছে। | |
| ১। অসমত আৰু এটা তেল শোধনাগাৰ স্থাপন কৰা হব । | ইতিমধ্যে ৰাজ্যচৰকাৰে মেচাৰ্চ ইঞ্জিনিয়াৰচ ইণ্ডিয়া লিমিটেডক এটি প্ৰাক সাম্ভাব্য ( ফিজিবিলিটি ) প্ৰতিবেদন ৰচনা কৰি দিবলৈ কোৱা হৈছে যাতে এই ক্ষেত্ৰত আৰু পলম হোৱাৰ কোনো আশংকা নাথাকে । | তেল শোধনাগাৰ<br>ৰাজ্য চৰকৰে পেট্ৰকেমিকেল কম্‌-প্লেক্সহ তিনি নিযুত টন সামৰ্থ্যৰ এটা তেল শোধনাগাৰ ৰাজহুৱা খণ্ডত স্থাপন কৰিবলৈ কেন্দ্ৰ চৰকাৰক অনুৰোধ জনাইছে। ইয়াৰ উপৰিও ডিগবৈ আৰু বঙাইগাওঁত অৱস্থিত তেলশোধনাগাৰ দুটাৰো সম্প্ৰসাৰণৰ প্ৰস্তাব দাঙি ধৰিছে। কেন্দ্ৰীয় চৰকাৰে অলপতে জানিবলৈ দিয়ে যে তেলশোধনাগাৰটো ব্যক্তিগত খণ্ডত নতুবা যুটীয়া খণ্ডত স্থাপন কৰিলে ভাল হয়। |

| চুক্তি দফা | ৰাজ্যচৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
|---|---|---|
| ৩। মৰাপাট কল— মৰাপাট কল পুনৰ সংস্থাপনৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। | শিলঘাটৰ সমবায় মৰাপাট কলটো পুনৰ জীৱিত কৰিবৰ বাবে ৰাজ্য-চৰকাৰে মুঠ ৩৭৮·৭৯ লাখ টকাৰ ধাৰ্য্য কৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিছিল। কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ শিল্প মন্ত্ৰালয়ে মুঠ ৩৩৬·০৫ লাখ পুজিহে ধাৰ্য্য কৰে। বৰ্ত্তমানে সেই আধাৰত মুঠ ২৪০·৬০ লাখ টকা দিবলৈ কেন্দ্ৰীয় চৰকাৰ মান্তি হয় যদিহে ৰাজ্য চৰকাৰে বিক্ৰী কৰ আৰু আমদানি কৰৰ বাবদ মুঠ ৯৫·৪৫ লাখ টকা বহন কৰিবলৈ দায়িত্ব লয়। ৰাজ্য চৰকাৰে মৰাপাট কললৈ গত জানুৱাৰী মাহলৈকে মুঠ ১০৩ লাখ টকা মঞ্জুৰী দিছে। ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱ অনুসৰি মুঠ ৯৫·৪৫ লাখ টকা বিক্ৰী আৰু আমদানি কৰ ৰেহাই দিবলৈ সন্মতি প্ৰদান কৰি কেন্দ্ৰীয় চৰকাৰক ইতিমধ্যে জনাইছে। | ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক ২৪০·৬০ লাখ টকা আদায় দিবলৈও প্ৰস্তাৱ দিছে, কিন্তু কেন্দ্ৰীয় চৰকাৰে এতিয়াও সেই ধন আদায় দিয়া নাই। |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
|---|---|---|
| ২। অশোক কাগজ কল পুনৰ সংস্থাপন কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সম্পূৰ্ণ সহযোগীতা আগবঢ়াব। | ৰাজ্য চৰকাৰে যোগীঘোপা অশোক কাগজ কলটো পুনৰ জীৱিত আৰু কলটোৰ সুচাৰু ৰূপে পৰিচালনাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এটি প্ৰস্তাব যোগে ২০.৫২ কোটি টকা সৰবৰাহ কৰিবৰ বাবে অনুৰোধ জনায়। কিন্তু কেন্দ্ৰীয় চৰকাৰে মাত্ৰ ২.৮৪ কোটি টকা বানচ আৰু বিধিগত দায়বদ্ধতাৰ খৰচ বহন কৰিবৰ বাবে অগ্ৰিম ধন হিচাবে দিয়ে। যোগীঘোপা আৰু বিহাৰ গোট দুটা বাটোৱাৰা কৰিবৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লয়। পুনৰ সংস্থান প্ৰাক্কলন এটি ইতিমধ্যে তৈয়াৰ কৰা হৈছে আৰু কলটোৰ সুচাৰু পৰিচালনাৰ কাম হাতত লোৱা হৈছে। | কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ প্ৰস্তাৱ অনুসৰি সমুদায় ধন আদায় দিয়া নাই। |

| চুক্তিৰ দফা | ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট দফা | কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দফা |
| --- | --- | --- |
| ৪ । অসমত এটা ইণ্ডিয়ান ইনষ্টিটিউট অব টেকনলজি ( আই, আই, টি ) স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক পূৰ্ণ সহযোগীতা আগ বঢ়াব । | | আই, আই, টি, স্থাপন : স্থান নিৰ্ণয় কমিটিয়ে গুৱাহাটি, নগাওঁ গোলাঘাট আৰু ডিব্ৰুগড় ( টিংখং ) অঞ্চল ভ্ৰমণ কৰি যায়হি । স্থান নিৰ্ণয়ৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰে সম্প্ৰতি গুৱাহাটী মহানগৰীৰ আশে পাশে স্থান নিৰ্বাচন কৰিছে, যদিহে ৰাজ্যচৰকাৰে কিছুমান স্বৰ্ত্ত মানি লয় । |

অনুবদ্ধ পত্ৰ

দফা : বিদেশীক পঞ্জীয়নৰ বাবে পদ আদি সৃষ্টি।

৫'৪,৫'৫ ১। ১-১·৬৬ তাৰিখৰ পৰা ২৪-৩-৭১ তাৰিখৰ ভিতৰত অসমত আৰু ৫'৬ প্ৰবেশ কৰা বিদেশী সকলক চিনাক্ত কৰণৰ বাবে আৰু তেওঁ-লোকৰ নাম বিদেশীৰূপে জিলাৰ বিশেষ বিদেশী পঞ্জীয়ন বিষয়াৰ ওচৰত পঞ্জীভুক্ত কৰিবৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে ২২-১১-৮৫ তাৰিখে ১৮ টা পঞ্জীয়ন বিষয়াৰ পদ আৰু সংলিষ্ট অন্য কৰ্ম্মচাৰীৰ পদৰ বাবে মঞ্জুৰী দিছিল।

২। এই সংক্ৰান্তত যিহেতু কেন্দ্ৰীয় চৰকাৰে ব্যয় পৰিশোধৰ ( Re-imbursement ) কথাটো জড়িত সেইবাবে বাজেটত নতুনকৈ সুকীয়া ব্যয়ৰ শিতান এটা খোলাৰ কাৰণে বিত্ত বিভাগক অনুৰোধ কৰা হয়। কিন্তু বাজেট সংক্ৰান্ত অসুবিধাৰ কাৰণে নতুন ব্যয়ৰ শিতান খোলাত পলম হোৱাত ১৯৮৫-৮৬ৰ বছৰত পদ বিলাকৰ কাৰ্য্যকৰি ব্যৱস্থা লব পৰা নহ'ল। পুনৰ ১-৪-৮৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰক তেওঁলোকৰ মঞ্জুৰী ১৯৮৬-৮৭ চনৰ বছৰৰ বাবে নবিকৰণ কৰাৰ কাৰণে অনুৰোধ জনোৱা হয়। ১৬-৭-৮৬ তাৰিখ আৰু ২৮-৭-৮৬ তাৰিখে অনাতাঁৰ বাৰ্ত্তাযোগে সোঁৱৰাই দিয়াৰ পিছত ৩১-৭-৮৬ তাৰিখে ১৯৮৬-৮৭ চনৰ বছৰৰ বাবে মঞ্জুৰী পোৱা হয়।

৩। বিদেশী পঞ্জীয়ন বিষয়াৰ পদকেইটা পূৰণৰ বাবে ৬-৩-৮৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক আৰক্ষী অধীক্ষকৰ পৰ্য্যায়ৰ উপযুক্ত বিষয়াৰ নাম পঠাবলৈ অনুৰোধ জনায়। ৰাজ্যচৰকাৰে পদকেইটা অতিৰিক্ত আৰক্ষী অধীক্ষকৰ দ্বাৰায়ো পূৰণ কৰিব পৰা যায় বুলি ভাবি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিছিল। কিন্তু সিদ্ধান্ত হয় যে পদকেইটা আৰক্ষী অধীক্ষকৰ পৰ্য্যায়ৰ বিষয়াৰেহে পূৰণ কৰা হব। সেইমতে ১৮ জন বিষয়াৰ নাম ১৭-৭-৮৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ বাবে পঠোৱা হয়। ২৮-৮-৮৬ তাৰিখে মুখ্য মন্ত্ৰীয়ে ৰাজ্যচৰকাৰে অনুমোদন কৰি পঠোৱা বিষয়া কেইজনৰ নিযুক্তিত

কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন জনোৱাৰ কাৰণে প্ৰধানমন্ত্ৰীক দিল্লীত এখন স্মাৰক পত্ৰ দিয়ে। কেন্দ্ৰীয় চৰকাৰে ১৪-১০-৮৬ তাৰিখে ন্যায়পৰায়ণ ( judicious mine ) অসমীয়া আৰু অনা অসমীয়া বিষয়াৰ এখন নতুন তালিকা পঠাবলৈ অনুৰোধ কৰে। ৫-১১-৮৬ তাৰিখে ৰাজ্য চৰকাৰে উত্তৰত জনাই যে পুৰ্ব্বে প্ৰেৰণ কৰা তালিকাৰ বিষয়া সকলৰ নাম যত্নসহকাৰে বিবেচনা কৰিহে পঠোৱা হৈছিল আৰু তাত অসমীয়া আৰু অনা অসমীয়া দুয়ো প্ৰকাৰৰ বিষয়াৰ নাম আছিল। লগতে সোনকালে অনুমোদন জনোৱাৰ বাবেও অনুৰোধ জনোৱা হয়। ইয়াৰ পিছত পুনৰ ২২।১১।৮৬, ২-১-৮৭ আৰু ৩০-১-৮৭ তাৰিখেও সোঁৱৰাই দিয়া হয়।

৪। অলপতে দহজন বিষয়াৰ নিযুক্তিত অনুমোদন জনাই তেওঁলোকৰ নিযুক্তিৰ স্থান সুধি পঠাইছে। ৰাজ্য চৰকাৰৰ সমিধান সোনকালে পঠোৱা হ'ব।

দফা ৫-৭ আৰু ৫-৮ **বিদেশী অনুপ্ৰবেশ প্ৰতিৰোধ আঁচনিৰ অধীনত বিদেশী চিনাক্তকৰণত চৰকাৰী শাসনযন্ত্ৰ আৰু নদী আৰক্ষী পহৰাৰ শক্তিশালীকৰণ :**

১। ৯-১০-৮৫ তাৰিখে বিদেশী অনুপ্ৰৱেশ ৰোধ কৰাৰ অৰ্থে চিনাক্তকৰণ আৰু বহিষ্কাৰ কৰণৰ শাসনযন্ত্ৰ অধিক শক্তিশালী কৰিবলৈ অতিৰিক্ত কৰ্ম্মচাৰী আৰু আহিলাপাতিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাখিল কৰা হৈছিল।

২। কেন্দ্ৰীয় চৰকাৰে ১২-১২-৮৫ তাৰিখে অধিক তথ্যপাতি বিচাৰি পঠাইছিল আৰু ৰাজ্য চৰকাৰে সেইবিলাক ২৪-১-৮৬ তাৰিখে প্ৰেৰণ কৰিছিল।

৩। ৩০-১-৮৬ তাৰিখে অসমৰ গৃহমন্ত্ৰীয়ে ব্যক্তিগত পত্ৰযোগে কেন্দ্ৰীয় গৃহমন্ত্ৰীক সেই পদসমূহৰ মঞ্জুৰী শীঘ্ৰে দিয়াৰ কাৰণে অনুৰোধ জনাইছিল।

৪। ৩০-১-৮৬ তাৰিখে সীমান্ত শাখাৰ আৰক্ষী মহাপৰিদৰ্শকে দিল্লীত বিষয়টো কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ৰ বিশেষ সচিবৰ লগত আলোচনা কৰিছিল।

৫। কেন্দ্ৰীয় চৰকাৰক ১৭-২-৮৬ আৰু ২৮-২-৮৬ তাৰিখে সোঁৱৰাই দিয়া হয়।

৬। ২৩-৪-৮৬ তাৰিখে অসমৰ গৃহমন্ত্ৰীয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰীলৈ পুনৰ ব্যক্তিগত পত্ৰ প্ৰেৰণ কৰিছিল।

৭। ৫-৫-৮৬ তাৰিখে অসমৰ গৃহবিভাগৰ আয়ুক্ত ও সচিবে বিষয়টো পৰীক্ষা কৰি চোৱাৰ কাৰণে এটা টাস্ক ফৰ্চ গঠন কৰি দিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ৰ যুতীয়া সচিবক ব্যক্তিগত পত্ৰ যোগে অনুৰোধ জনাইছিল।

৮। ১৯৮৬ চনৰ মে' মাহত কেন্দ্ৰীয় টাস্ক ফ'ৰ্চ অসমলৈ আহি বিদেশী অনুপ্ৰবেশ প্ৰতিৰোধ আঁচনিৰ কাম কাজ পৰীক্ষা কৰি চাই আৰু ১২।৫।৮৬ তাৰিখে বিষয়টো ৰাজ্যচৰকাৰৰ বিষয়াসকলৰ লগত আলোচনা কৰে।

৯। ৪।৬।৮৬ তাৰিখে এই আলোচনাৰ পিছত ৰাজ্য চৰকাৰে বিদেশী অনুপ্ৰবেশ প্ৰতিৰোধৰ শাসনযন্ত্ৰ শক্তিশালী কৰণৰ আঁচনিৰ প্ৰস্তাৱত শীঘ্ৰে অনুমোদন জনোৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ক অনুৰোধ জনায়।

১০। ১১।৮।৮৬ তাৰিখে পুনৰ সোঁৱৰাই দিয়া হয়।

১১। ১৪।৭।৮৬ তাৰিখে দিল্লীত আলোচনাৰ সময়ত অসমৰ সীমান্ত শাখাৰ আৰক্ষী মহাপৰিদৰ্শকক জনাই যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে প্ৰস্তাৱটোত সম্মতিপ্ৰদান কৰিছে আৰু সেই অনুসাৰে গৃহমন্ত্ৰালয়ে বিহিত মঞ্জুৰী (Format Sanction) প্ৰেৰণ কৰিব বুলি আশা কৰা যায়।

১২। ১৬।৮।৮৬ তাৰিখে গৃহমন্ত্ৰালয়ক সোঁৱৰাই দিয়াও হয়।

১৩। ২০।৮।৮৬ তাৰিখে অসমৰ গৃহ মন্ত্ৰীয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰীলৈ প্ৰস্তাৱটোৰ অনুমোদনৰ অৰ্থে এটা অনাতাৰ বাৰ্তা প্ৰেৰণ কৰে।

১৪। ৩০।১০।৮৬ তাৰিখে অসমৰ গৃহ মন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰে।

১৫। ২০।১২।৮৬ আৰু ২৩-১-৮৭ তাৰিখে গৃহ মন্ত্ৰালয়ক পুনৰ সোঁৱৰাই দিয়া হয়।

১৬। কেন্দ্ৰীয় চৰকাৰৰ উত্তৰৰ কাৰণে এতিয়াও অপেক্ষা কৰি থকা হৈছে।

দফা-৫,৯ **অবৈধ অনুপ্ৰবেশকাৰী ( ন্যায়াধিকৰণৰ দ্বাৰা চিনাক্তকৰণ) আইন (১৯৮৩) ৰ সংশোধনী।**

১। ২৮।১২।৮৫ তাৰিখে অসম চুক্তি অনুসাৰে সদৌ অসম ছাত্ৰ সন্থাই অবৈধ অনুপ্ৰবেশকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা চিনাক্তকৰণ) আইন ( ১৯৮৩ )ৰ সংশোধনৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিছিল। ৰাজ্য চৰকাৰেও ১০।৩।৮৬ তাৰিখে উক্ত আইনখনৰ সংশোধনৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছিল। ইয়াৰ মূল উদ্দেশ্য আছিল আইনখনৰ আসোঁৱাহ বিলাক দূৰ কৰি তাক অধিক কাৰ্য্যকৰি কৰা।

সংশোধনী সোনকালে কৰাৰ কাৰণে মুখ্যমন্ত্ৰীয়ে প্ৰধান মন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ লগত কেবালানিও আলোচনা কৰাৰ উপৰিও ৯।১০।৮৬, ১০।১১।৮৬ আৰু ২১।১১।৮৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰক সোঁৱৰাই দিয়া হয়।

২। এই বিষয়ে অসমৰ গৃহমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী, অসমৰ আইনমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহবিভাগৰ ৰাজ্যমন্ত্ৰী ও ৰাজ্যৰ আৰু কেন্দ্ৰৰ বিষয়া বৰ্গৰ মাজত অনেকবাৰ আলোচনা হয়। ২২।৮।৮৬ তাৰিখেও অসমৰ মূখ্য সচিব আৰু অন্যান্য বিষয়া সন্থাৰ কেন্দ্ৰৰ গৃহমন্ত্ৰালয়ৰ অতিৰিক্ত সচিব শ্ৰী আই. পি, গুপ্তৰ সৈতে এই সংক্ৰান্তত আলোচনা কৰিছিল। ইয়াৰ পিছত ২৭।১০।৮৬ তাৰিখে অসমৰ মুখ্য সচিবে কেন্দ্ৰৰ গৃহসচিবৰ লগতো আলোচনা কৰে। কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত বিচৰা সকলো স্পষ্টীকৰণ আৰু যুক্তিযুক্ততা দাখিল কৰে। ২।১২।৮৬ তাৰিখে পুনঃ কেন্দ্ৰীয় গৃহ ৰাজ্যিক মন্ত্ৰীৰ সৈতে তেখেতৰ কাৰ্য্যালয়ৰ কক্ষত অসমৰ আইন মন্ত্ৰীৰ আলোচনা হয়।

৩। ২।১২।৮৬ তাৰিখে কেন্দ্ৰৰ গৃহ মন্ত্ৰালয়ত হোৱা আলোচনাৰ প্ৰতিক্ৰিয়া কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক ১৯।১২।৮৬ তাৰিখে জানিবলৈ দিয়ে। সেইটো যত্নসহকাৰে বিবেচনা কৰাৰ পিছত

কেন্দ্ৰীয় চৰকাৰক জনোৱা হয় যে কেন্দ্ৰীয় চৰকাৰৰ মন্তব্য অসমৰ আইন মন্ত্ৰী কেন্দ্ৰীয় গৃহ ৰাজ্যিক মন্ত্ৰীৰ লগত হোৱা আলোচনাৰ লগত কোনো সঙ্গতি নাই। তেওঁলোকক আৰু জনোৱা হয় যে কেন্দ্ৰীয় চৰকাৰে সংশোধনীৰ কোনো নিৰ্দ্দিষ্ট প্ৰস্তাৱো দাঙি ধৰা নাই আৰু ৰাজ্য চৰকাৰে দাঙি ধৰা বহুতো কথা ( point ) বিবেচনা কৰা নাই।

কেন্দ্ৰীয় চৰকাৰৰ সমিধানলৈ অপেক্ষা কৰা হৈছে।

দফা-৬ **অসমীয়া ৰাইজৰ সাংস্কৃতিক, সামাজিক, ভাষিক, পৰিচয় ঐতিহ্য সংৰক্ষণ আৰু বিকাশৰ হকে প্ৰয়োজন মতে সাংবিধানিক আইনগত আৰু প্ৰশাসনিক ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা :**

২৫।১।৮৬ তাৰিখে অসম চৰকাৰে এই বিষয়টো ৰূপায়ণৰ বাবে মুখ্য মন্ত্ৰীদেৱক সভাপতি ৰূপে লৈ এখন সমিতি গঠন কৰি দিয়ে। সেই সমিতিয়ে যুগুতাই দিয়া পৰামৰ্শৰলীক ভিত্তি কৰি অসমীয়া ৰাইজৰ সাংবিধানিক, আইনগত আৰু প্ৰশাসনিক সুৰক্ষা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰস্তাৱ স্মাৰক পত্ৰ যোগে ২০।১০।৮৬ তৰিখে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰে। তেওঁলোকৰ সিদ্ধান্ত অপেক্ষা কৰা হৈছে।

দফা-৭ **অসমৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিবৰ বাবে ৰাজ্যখনৰ সৰ্ব্বাঙ্গীন অৰ্থনৈতিক উন্নয়ন :**

১। ইং ৪।২।৮৬ তাৰিখে অসমৰ মুখ্যমন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীক লগ ধৰি সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদে প্ৰধান মন্ত্ৰীক দিয়া স্মাৰক পত্ৰত আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিত আঁচনি হাতত লবলৈ আৰু প্ৰতিস্থান আদি গঢ়িবলৈ ৰাজ্যিক পৰিকল্পনাৰ বাহিৰত সুকীয়া বিত্তীয় সাহাৰ্য্যৰ ব্যৱস্থা কৰাৰ বাবে অনুৰোধ জনাই। বিভিন্ন প্ৰসঙ্গত অসমৰ মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰধান মন্ত্ৰী আৰু অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীৰ লগত বহুবাৰ আলোচনা কৰিছিল।

২। ইং ২২।৮।৮৬ তাৰিখে ৰাজ্য চৰকাৰৰ মতামত জনাই কেন্দ্ৰৰ গৃহমন্ত্ৰালয়ৰ অতিৰিক্ত সচিবক এটা টাস্ক ফ'ৰ্চ/ৱৰকিং গ্ৰুপ গঠণ

কৰি দিবলৈ আৰু ৰাজ্যিক পৰিকল্পনাৰ বাহিৰত পুঁজিৰ ব্যৱস্থা-কৰিবলৈ অনুৰোধ জনোৱা হয়।

৩। মুখ্যমন্ত্ৰীৰ ইং ১০।৯।৮৬ তাৰিখৰ ব্যক্তিগত চিঠিৰ অনুৰোধ-ক্ৰমে কেন্দ্ৰৰ পৰিকল্পনা আয়োগৰ উপাধ্যক্ষই জনাই যে টাস্ক ফ’ৰ্চ / ৱৰ্কিংগ্ৰুপ গঠণৰ বিষয়টো বিবেচনা কৰা হৈছে আৰু সিদ্ধান্ত অনতিপলমে জনোৱা হব।

পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ পৰা উত্তৰ নোপোৱাত মুখ্য-মন্ত্ৰীয়ে তেখেতলৈ ইং ৫।২।৮৭ তাৰিখে আৰু এখন ব্যক্তিগত পত্ৰ প্ৰেৰণ কৰিছে।

৪। ১৫।৮।৮৫ তাৰিখে চুক্তি সম্পাদন হোৱাৰ পূৰ্ব্বেই সপ্তম পৰিকল্পনাৰ ব্যয় চুড়ান্ত হৈছিল।

সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে অসমৰ অৰ্থনৈতিক উন্নয়ণৰ বাবে অতিৰিক্ত ব্যৱস্থা লোৱাৰ প্ৰয়োজন নাই বুলি ভবা হ’লে এই দফাটো চুক্তিৰ অন্তৰ্ভুক্ত নকৰিলেহেতেন।

৫। সপ্তম পৰিকল্পনাত অসমৰ বাবে ধাৰ্য্য কৰা ধন ২১০০.০০ কোটি টকা ৬ষ্ঠ পৰিকল্পনাৰ ১১১৫.০০ কোটি টকাৰ ওপৰত ৮৮.৩৪ শতাংশ বৃদ্ধি হৈছে। কিন্তু ৬ষ্ঠ পৰিকল্পনাৰ ব্যয় ১২৯৭.০০ কোটিলৈ বৃদ্ধি হৈছিল। সেই অনুপাতে ব্যয়ৰ বৃদ্ধিৰ হাৰ ৬১.৯১ শতাংশ হয়। উল্লেখ কৰিব পৰা হয় যে বৰ্ত্তমানে বহু ৰাজ্যই সপ্তম পৰিকল্পনাত অসমতকৈ উক্ত হাৰত ধন পাইছে। ১৯৮৭-৮৮ চনৰ অসমৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে ব্যয় ধাৰ্য্য কৰা হয় ৫৭৫ কোটি টকা। এই পৰিসংখ্যাই বৃদ্ধিৰ হাৰ সূচাইছে মাত্ৰ ১৫ শতাংশহে আৰু এইটো অন্যান্য ৰাজ্যৰ তুলনাত নিছেই তাকৰ।

দফা নং ৯(১) আৰু ৯(২) **ভাৰত বাংলাদেশ সীমান্ত জৰীপ আৰু সীমান্ত পথ, কাইটিয়া জেওৰা আদি নিৰ্ম্মাণ :**

১। ৭।২।৮৬ তাৰিখে মুখ্য মন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় গৃহদপ্তৰৰ সচিবৰ সৈতে সীমান্ত পথ নিৰ্ম্মাণৰ বিষয়ে দিল্লীত আলোচনা

কৰে। কেন্দ্ৰীয় চৰকাৰে যদিও সম্পূৰ্ণ বিত্তীয় সাহায্য আগবঢ়াব কিন্তু ৰাজ্যিক গডকাপ্তানী বিভাগে সীমান্ত পথ নিৰ্ম্মাণৰ কাম হাতত লোৱাটো ভাল হব বুলি গৃহদপ্তৰৰ সচিবে মত প্ৰকাশ কৰে। মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই প্ৰস্তাৱত সন্মতি প্ৰদান কৰে। গৃহদপ্তৰৰ সচিবে পৰামৰ্শ আগবঢ়ায় যে অতি শীঘ্ৰে আঁচনি যুগুত কৰিব লাগে আৰু স্বকীয়া এটি শাখা খুলি এজন স্বকীয়া মূখ্যঅভিযন্তা সহ অন্যান্য বিষয়াও কৰ্ম্মচাৰী নিয়োগ কৰিব লাগে। তেখেতে আৰু পৰামৰ্শ আগবঢ়ায় যে পথ নিৰ্ম্মাণ কাৰ্য্য হাতত লোৱাৰ আগতে ৰাজ্যিক গড়কাপ্তানী বিভাগ, কেন্দ্ৰীয় গডকাপ্তানী বিভাগ, আৰু সীমান্ত পথ সংস্থাৰ মাজত এখনি বৈঠক বহি কাৰ্য্যপন্থা হাতত লব লাগে।

২। কেন্দ্ৰীয় গৃহদপ্তৰ বিভাগে ১৩।২।৮৬ তাৰিখে জানিবলৈ দিয়ে যে প্ৰব্ৰজন বন্ধ কৰিবৰ কাৰণে ভাৰত চৰকাৰে ভাৰত বাংলাদেশ সীমান্তত পথ নিৰ্ম্মাণৰ কাৰ্য্য পন্থা হাতত লব। এই কাৰ্য্য সম্পাদনৰ সমন্বয় ৰক্ষাৰ বাবে কেন্দ্ৰীয় গড়কাপ্তানী বিভাগটোৱে ঘাই এজেন্সি হিচাপে কাম কৰিব আৰু আন কিছুমান কাম ৰাজ্যিক এজেন্সিৰ জৰীয়তে কৰিব পৰা হব।

সীমান্ত পথ নিৰ্ম্মাণ কাৰ্য্যৰ সন্দৰ্ভত এখনি উচ্চ পৰ্য্যায়ৰ ক্ষমতা সম্পন্ন সমিতি গৃহ দপ্তৰৰ সচিবক চেয়াৰমেন হিচাবে লৈ গঠন কৰা হয় আৰু আনখন টেক্‌নিকেল্ সমিতি গঠন কৰা হয় যাতে জৰীপ আৰু সীমান্ত পথ নিৰ্ম্মাণৰ বিষয়ত ব্যয় নিৰ্দ্ধাৰণ আৰু কাৰিকৰী দিশত ক্ষিপ্ৰ ব্যৱস্থা লব পাৰে।

৩। এজেন্সিৰ উক্ত কাৰ্য্যৰ বাবে যদিও কোনো বিষয়ে চিন্তা কৰা হোৱা নাছিল ৰাজ্যিক গডকাপ্তানী বিভাগে ধুবুৰী জিলাত সীমান্ত পথ নিৰ্ম্মাণৰ কাম খৰতকীয়া কৰিবৰ বাবে কাৰ্য্য পন্থা হাতত লৈছিল। সেই মৰ্ম্মে ১।৩।৮৬ তাৰিখে জিলা উপায়ুক্ত আৰু সীমান্ত সুৰক্ষা বাহিনীৰ লগত আলোচনা কৰি কাৰিকৰী আৰু ৰাজহ জৰীপ আৰম্ভ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। কেন্দ্ৰীয় গৃহ দপ্তৰৰ সীমান্ত বিভাগৰ আয়ুক্তই আলোচনা প্ৰসঙ্গত পৰামৰ্শ দিয়ে যে জৰীপ কাৰ্য্য সীমান্ত এলেকাৰ যিমান পৰা যায় একেবাৰে

সিমান সমীপত হব লাগে। কিন্তু বাংলাদেশ সীমান্ত সুৰক্ষা বাহিনীয়ে আপত্তি দৰ্শোৱাত ছত্ৰশাল এলেকাত জৰীপৰ কাম বন্ধ ৰাখিব লগা হৈছিল।

৪। কাৰিকৰী সমিতিৰ প্ৰথম বৈঠকখন ১৮।৩।৮৬ তাৰিখে দিল্লীত অনুষ্ঠিত হৈছিল আৰু ৰাজ্যিক গড়কাপ্তানী বিভাগে এজেন্সি হিচাবে কাম কৰিবলৈ সন্মত হৈছিল। যদিও পথৰ নমুনাৰ সিদ্ধান্ত লোৱা হৈছিল কিন্তু কেনেধৰণৰ জেওৰা দিয়া হব সেই বিষয়ে কোনো সিদ্ধান্ত লোৱা হোৱা নাছিল।

এই বৈঠকত সিদ্ধান্ত লোৱা হয় যে নিম্নোলিখিত এলেকাত প্ৰথম পৰ্য্যায়ৰ জৰীপৰ কাম আৰম্ভ কৰিব লাগে।

(ক) ৰামৰায় কুটীৰ পৰা বিনাচৰলৈ (ধুবুৰী) -৪২ কিঃ মিঃ

(খ) কুকুৰমৰাৰ পৰা সদৰ টিলালৈ (ধুবুৰী) -৩০ ঐ

(গ) পুঞ্জীপুৰীৰ পৰা কামবেললৈ (কৰিমগঞ্জ) -২০ ঐ

মুঠ ৯২ কিঃ মিঃ

৫। ৩১।৩।৮৬ তাৰিখে ধুবুৰী অংশৰ বাবে জৰীপৰ অনুমানিক হিচাব অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা হয়।

৬। ১১।৪।৮৬ তাৰিখে কেন্দ্ৰীয় গড়কাপ্তানী বিভাগৰ ডিৰেক্টৰ জেনেৰেল (ৱৰ্কচ) আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ সচিবৰ মাজত গুৱাহাটীত এটি আলোচনা হয়। উক্ত দিনাই কেন্দ্ৰীয় গৃহ সচিব, অসমৰ মুখ্য মন্ত্ৰী আৰু গৃহ মন্ত্ৰীৰ মাজতো অসম চুক্তি ৰূপায়ণৰ সন্দৰ্ভত সীমান্ত পথ নিৰ্মাণ আৰু সীমান্তত জেওৰা দিয়াৰ বিষয়ে আলোচনা অনুষ্ঠিত হয় কিন্তু কাম আৰম্ভ কৰিব পৰাকৈ কোনো চূড়ান্ত সিদ্ধান্ত লোৱা নাছিল।

৭। ৫।৫।৮৬ তাৰিখে কেন্দ্ৰীয় গৃহদপ্তৰে ৰাজ্যিক গড়কাপ্তানী বিভাগক জৰীপৰ কাম আৰম্ভ কৰিবলৈ কোনো নিৰ্দ্দেশনা নিদিয়াকৈ জৰীপৰ সম্ভাব্য হিচাবে মুঠ ১৪'৪৩ লাখ টকা কেন্দ্ৰীয় গড়কাপ্তানী বিভাগৰ ডিৰেক্টৰ জেনেৰেল (ৱৰ্কচ) লৈ ধুবুৰী এলেকা জৰীপৰ বাবে অনুমোদন দিয়ে।

১৬।৫।৮৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰক পত্ৰযোগে ৰাজ্যিক গড়-কাপ্তানী বিভাগক সীমান্ত পথ নিৰ্ম্মাণ কাৰ্য্য হাতত লবলৈ ক্ষমতা প্ৰদান কৰাৰ বিষয়ে জনাবলৈ অনুৰোধ কৰা হয়।

৮। ২০।৫।৮৬ তাৰিখে সীমান্ত সুৰক্ষা বাহিনীৰ সৈতে লগ লাগি ৰাজ্যিক গড়কাপ্তানী বিভাগে কেন্দ্ৰীয় চৰকাৰৰ পৰা স্পষ্ট নিৰ্দেশনালৈ অপেক্ষা নকৰি ধুবুৰী এলেকাত জৰীপৰ কাম আৰম্ভ কৰে। কিন্তু সীমান্ত সুৰক্ষা বাহিনীক আপত্তিৰ নিয়াত ৩০।৫।৮৬ তাৰিখে জৰীপৰ কাম বন্ধ কৰিব লগীয়া হয়।

৯। সীমান্ত সুৰক্ষা বাহিনী আপত্তিৰ নিয়াৰ বাতৰি পোৱাৰ লগে লগেই বিষয়টো প্ৰধান মন্ত্ৰী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী আৰু কেন্দ্ৰীয় বিষয়া বৰ্গৰ ওচৰত উত্থাপন কৰা হয়।

১০। ২৭।৬।৮৬ তাৰিখে কেন্দ্ৰীয় গড়কাপ্তানী বিভাগৰ ডিৰেক্টৰ জেনেৰেল (ৱৰ্কচ)এ জনাই যে অতিশীঘ্ৰে সীমান্তৰ পৰা ১৫০ গজ দূৰত্বত জৰীপৰ কাম কৰিব লাগে।

বাৰিষা আৰম্ভ হোৱাত আৰু লগতে সেই অঞ্চলবোৰত ৰবি শস্য থকাৰ বাবে জৰীপৰ কাম কৰিব পৰা হোৱা নাছিল। কিন্তু তেতিয়ালৈকে ৰাজ্যিক গড়কাপ্তানী বিভাগক এই কাম কৰিবৰ বাবে ক্ষমতা প্ৰদান কৰা হোৱা নাছিল। কেন্দ্ৰীয় গড়কাপ্তানী বিভাগৰ ডিৰেক্টৰ জেনেৰেল (ৱৰ্কচ) এ ২৫।৮।৮৬ তাৰিখেহে নিয়-মীয়া ক্ষমতা প্ৰদান কৰে।

১১। কৰিমগঞ্জ জিলাৰ জৰীপৰ সাম্ভাব্য খৰছৰ বাবে ৬·৪৭ লাখ টকা আৰু ৫·৬৪ লাখ টকাৰ অনুমোদন ক্ৰমে ৩০।৬।৮৬ আৰু ১৫।৭।৮৬ তাৰিখে পোৱা হয়।

৫।১।৮৭ তাৰিখে কাছাৰ জিলাৰ ৪ (চাৰি) কিলো মিটাৰ অংশ জৰীপৰ সাম্ভাব্য খৰছৰ বাবে কেন্দ্ৰীয় গৃহ বিভাগৰ আয়ুক্ত (সীমান্ত)ৰ ওচৰত দাখিল কৰা হৈছিল।

১২। কেন্দ্ৰীয় চৰকাৰে এতিয়াও সীমান্তত জেওৰা আদি দিয়াৰ বিষয়ে সিদ্ধান্ত জনোৱা নাই।

১৩। কেন্দ্ৰীয় চৰকাৰে চকুত পৰা ধৰণৰ সীমান্ত পহৰাদাৰী ব্যবস্থা শক্তিশালী কৰাতো পৰিলক্ষিত হোৱা নাই।

দফা নং ১৪ (ক) **আন্দোলনৰ সংক্ৰান্তত কৰ্ম্মচাৰী সকলৰ বিৰূদ্ধে লোৱা অনুশাসনমূলক ব্যৱস্থাৰ গোচৰ সম্পৰ্কে লোৱা ব্যৱস্থা :**

১। অসম চুক্তিৰ দফা নং ১৪ (ক) ৰ সন্দৰ্ভত ৰাজ্যিক চৰকাৰে চৰকাৰী, অৰ্দ্ধ চৰকাৰী আৰু ৰাজহুৱা প্ৰতিষ্ঠান কৰ্ম্মচাৰী সকলৰ ক্ষেত্ৰত আন্দোলনৰ সংক্ৰান্তত অনুপস্থিতি থকা কালছোৱা কৰ্ত্তব্যৰত বুলি গন্য কৰি সম্পূৰ্ণ বেতন ভাটা আৰু আন যাৱতীয় বিত্তীয় লাভালাভ নিয়মীয়াকৈ দিবলৈ সিদ্ধান্ত লয়। সকলো ধৰণৰ শাস্তি-মূলক ব্যৱস্থা উঠাই লোৱা হৈছে।

২। ২০।৭।৮৫ তাৰিখে কেন্দ্ৰীয় চৰকাৰে একে নিৰ্দ্দেশনা যোগে কেন্দ্ৰীয় চৰকাৰৰ কৰ্ম্মচাৰী সকলৰ ক্ষেত্ৰত অসম আন্দোলন সংক্ৰান্তত পূনৰ বিচাৰৰ আদেশ দিছিল। এই নিৰ্দ্দেশনা যোগে কেন্দ্ৰীয় চৰকাৰৰ কৰ্ম্মচাৰী সকল যি সকল অসম আন্দোলনৰ কালছোৱাত কুটাঘাতমূলক কাৰ্য্যত লিপ্ত হৈ কাৰ্য্যালয়ত অনুপস্থিত আছিল তেনে ক্ষেত্ৰত সেই কালছোৱা "কৰ্ত্তব্যৰহিত,, বুলি গণ্য কৰা হব আৰু বাকী কৰ্ম্মচাৰী সকলৰ ক্ষেত্ৰত কাৰ্য্যলয়ত আন্দোলন সংক্ৰান্তৰ অনুপস্থিতিৰ কালছোৱা পাবলগীয়া ছুটীও আৱশ্যক অনুযায়ী অসাধাৰণ ছুটি আদি মঞ্জুৰ কৰি চাকৰিকাল নিয়মীয়া কৰিব।

৩। ৰাজ্য চৰকাৰে ৭।৪।৮৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰে যে তেওঁলোকে তেওঁলোকৰ কেন্দ্ৰীয় ও অৰ্দ্ধকেন্দ্ৰীয় কৰ্মচাৰীৰ ক্ষেত্ৰত অসম আন্দোলন সংক্ৰান্তৰ অনুপস্থিতিৰ কালছোৱাৰ বিষয়ত যেন সহানুভুতিৰে পুনৰ বিচাৰ কৰি ৰাজ্য চৰকাৰে তেওঁলোকৰ কৰ্ম্ম-চাৰীৰ ক্ষেত্ৰত উক্ত সংক্ৰান্তত আগবঢ়োৱা সকলো সা সুবিধা একে পৰ্য্যায়তে দিয়ে।

৪। ২৯।৪।৮৬ তাৰিখে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় গৃহ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী দিল্লীত লগ ধৰে আৰু কেন্দ্ৰীয় / অৰ্দ্ধকেন্দ্ৰীয় চৰ-কাৰী কৰ্ম্মচাৰী সকলৰ সকলো ওজৰ আপত্তি নিস্পত্তি কৰি

ৰাজ্য চৰকাৰে তেওঁলোকৰ কৰ্ম্মচাৰীৰ প্ৰতি আগবঢ়োৱা সা-সুবিধাৰ একে পৰ্য্যায়তে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰে।

৫। ২৯।৪।৮৬ তাৰিখতে মুখ্য মন্ত্ৰীদেৱৰ যুটীয়া সচিবে কেন্দ্ৰীয় চৰকাৰী/অৰ্দ্ধচৰকাৰী নিৰ্য্যাতিত কৰ্ম্মচাৰীৰ তালিকা এখন গৃহ দপ্তৰৰ বিশেষ বিষয়ালৈ প্ৰেৰণ কৰি উপৰোক্ত মৰ্ম্মে অনুৰোধ জনায়।

৬। ১৩।৫।৮৬ তাৰিখে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ উপৰোক্ত মৰ্ম্মে টানি অনুৰোধ জনায়।

৭। ১৩।৫।৮৬ তাৰিখেই পুনৰবাৰ ৰাজ্য চৰকাৰে কেন্দ্ৰীয়/অৰ্দ্ধ কেন্দ্ৰীয় চৰকাৰী কৰ্ম্মচাৰীৰ তালিকা এখন প্ৰেৰণ কৰি সকলো ওজৰ-আপত্তি দূৰিকৰণৰ বাবে অনুৰোধ জনায়।

